NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

# নৱজ্যোতি

ত্ৰিংশত্তম বাৰ্ষিক আলোচনী
২০১৭-১৮ বৰ্ষ




তত্ত্বাৱধায়কদ্বয়
ড° এম.এছ. শ্বেইখ
ৰৌছানাৰা আখতাৰ

সম্পাদক
মঞ্জিল হক




নিষ্ঠা, ত্যাগ আৰু সফলতাৰে কৰ্মজীৱনৰ পৰা অৱসৰ লোৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু অধ্যাপক- হুছিদৰ আলী আহমেদ, অধ্যাপক- এম. নজমুল হক
আৰু অধ্যাপক ড° মহঃ ছোবমান আলী মহোদয়ক বিদায় সম্ভাষণ জনোৱাৰ মুহূৰ্তত অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ মহোদয় সম্বলিতে
শ্ৰদ্ধাৰ আমন্ত্ৰিত অতিথি, মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু কৰ্মচাৰি সকলৰ একাংশ।

## নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

# নৱজ্যোতি

(নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ বাৰ্ষিক পুঁজিৰে প্ৰকাশিত)

NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

**ত্ৰিংশত্তম বাৰ্ষিক আলোচনী**
**২০১৭-১৮ বৰ্ষ।**

শ্ৰদ্ধাৰে/ মৰমেৰে,

শ্ৰী/ শ্ৰমতী ..............................................................................

..............................................................................

.............................................................................. ৰ হাতত তুলি দিয়া হ'ল। ধন্যবাদ।

সম্পাদক
মঞ্জিল হক

তত্ত্বৱধায়কদ্বয়
ড° এম.এছ. শ্বেইখ
ৰৌছানাৰা আখতাৰ

30th Volume of 'Nabajyoti', Session- 2017-18, An Annual Magazine Published by the Editorial Board, Magazine of Nabajyoti College, Kalgachia

সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° ছাহজাহান আলী আহমেদ |
| তত্ত্বাৱধায়কদ্বয় | ঃ | ড° এম.এছ. শ্বেইখ<br>ৰৌছানাৰা আখতাৰ |
| সম্পাদক | ঃ | মঞ্জিল হক |
| সদস্য/সদস্যা | ঃ | ব্ৰজ কিশোৰ শ্যামল<br>কায়ুম কবিৰ আহমেদ<br>ছৈয়েদা হামিদা খাতুন<br>ৰাজা আব্দুল্লা ফাৰুক |
| বেটুপাত পৰিকল্পনা | ঃ | ড° এম.এছ. শ্বেইখ<br>মহিদুল ইছলাম<br>আলী আহমেদ |
| অংগ সজ্জা | ঃ | আমিৰুল ইছলাম |
| ফটোগ্ৰাফী | ঃ | ড° এম.এছ. শ্বেইখ |
| | ঃ | মঞ্জিল হক |
| বেটুপাত অংকন | ঃ | মহিদুল ইছলাম |
| | ঃ | আলী আহমেদ |
| অক্ষৰ বিন্যাস | ঃ | আমিৰুল ইছলাম |
| মুদ্ৰণ | ঃ | মিলন অফছেট প্ৰেছ, কলগাছিয়া<br>+91 9957125654 |


# শ্ৰদ্ধাঞ্জলি



নিষ্ঠাৰে শ্ৰমদান কৰি
আমাৰ মাজৰ পৰা
অকালতে চিৰ বিদায় লোৱা
অধ্যাপক ড° আবুল কাশেম দেৱানৰ
বিদেহী আত্মাৰ প্ৰতি
আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে
নৱজ্যোতি মহাবিদ্যালয় পৰিয়ালৰ হৈ-

আলোচনী সম্পাদনা সমিতি।



# উৎসৰ্গা

নৱজ্যোতি মহাবিদ্যালয়ৰ
শ্ৰদ্ধাৰ পৃষ্ঠপোষক
আৰু
শুভাকাংক্ষীসকলৰ
পবিত্ৰ আত্মাৰ স্মৃতিত
উৎসৰ্গিত...

## সম্পাদনা সমিতিৰ টোকা

আলোচনীখনত প্ৰকাশিত লিখনিসমূহ লেখক-লেখিকাৰ নিজা বৌদ্ধিক সৃষ্টিৰ ফচল আৰু মৌলিক বুলি গণ্য কৰা হৈছে। অৱশ্যে প্ৰয়োজন সাপেক্ষে কিছুমান লিখনিৰ ওপৰত হাত বুলোৱা হৈছে। যদি কোনোৱে আনৰ লিখনি সম্পূৰ্ণভাৱে বা আংশিকভাৱে নকল কৰিছে আৰু আমাৰ অজ্ঞাতে আলোচনীখনত ঠাই পাইছে সেয়া গৰিহণা যোগ্য। তাৰ বাবে আলোচনীৰ সম্পাদনা সমিতি দায়ী নহয়। অনিচ্ছাকৃত ভুলৰ বাবে সম্পাদনা সমিতি সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী।

*Abdul Khaleque*, M.A. (DOUBLE)
**MLA, 44 Jania Constituency**

सत्यमेव जयते

**Residence**
**Present :** 307. New MLA Hostel
Dispur, Guwahati-06
**Permanent :** Vill- Bartari, P.O. Langla
P.S.- Kalgachia, Dist.- Barpeta
**Email:** makhaleque@yahoo.com
Call : +91 94351-15864



# শুভেচ্ছা বাণী

নৱজ্যোতি মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰ তথা সাহিত্য আলোচনী "নৱজ্যোতি" ২০১৭-২০১৮ বৰ্ষৰ বাবে প্ৰকাশ কৰিবলৈ যো-জা কৰা শুনি নথৈ আনন্দিত হৈছো। লাহে লাহে সোণালী জয়ন্তীবৰ্ষ গৰকিবলৈ ওলোৱা মহাবিদ্যালখনিৰ এই সাহিত্য আলোচনীখন প্ৰায় চাৰি দশক জুৰি সৰ্বাংগ সুন্দৰভাৱে প্ৰকাশ হৈ অহা প্ৰত্যক্ষ কৰিছো। প্ৰত্যক্ষ কৰিছো আমাৰ নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলে নিজৰ সৃষ্টিশীল লিখনিসমূহ "নৱজ্যোতি" ৰ পৃষ্ঠাই পৃষ্ঠাই প্ৰকাশিত হোৱা।

অধ্যাপক-অধ্যাপিকা, অভিভাৱক, পৰিচালনা সমিতি, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী সকলৰ নিষ্ঠা, শ্ৰম আৰু ত্যাগৰ বিনিময়ত নৱজ্যোতি মহাবিদ্যালয়খন জাতীয় আৰু আন্তজাৰ্তিক পৰ্যায়ত উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে পৰিচিত হ'ব আৰু এই আলোচনীখনে বৃহত্তৰ অসমীয়া জাতি গঠন আৰু ভাষা-সংস্কৃতিৰ উত্তৰণত এক বলিষ্ঠ ভূমিকা ল'ব বুলি আমি আশাবাদী।

সকলোটিলৈ নৱবৰ্ষৰ শুভেচ্ছা আৰু আন্তৰিকতাৰে..........

(আব্দুল খালেক)

*Md. Alauddin*, IAS, (Retd.)
**President**
Governing Body
Nabajyoti College, Kalgachia
Call: 03666-284422 (O)



# শুভেচ্ছা বাৰ্তা

নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়াৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ দ্বাৰা ২০১৭-১৮ বৰ্ষৰ বাৰ্ষিক আলোচনী "নৱজ্যোতি" প্ৰকাশ হ'ব বুলি জানিব পাৰি মই অতিশয় আনন্দিত হৈছোঁ।

সাহিত্য হৈছে জাতিৰ দাপোন। সমাজ এখনক সুস্থভাৱে সকলো দিশতে আগুৱাই নিবলৈ হ'লে সাহিত্য চৰ্চা অত্যন্ত প্ৰয়োজনীয়।

আলোচনী হ'ল পঢ়ুৱৈ সমাজৰ বৌদ্ধিক আৰু মানসিক উৎকৰ্ষ সাধনৰ এক সোণালী মঞ্চ। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ সৃষ্টিশীল, বাস্তৱধৰ্মী আৰু বিজ্ঞান সন্মত লেখনিৰে আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰি নৱজ্যোতি মহাবিদ্যালয়খন গুণগত শিক্ষাৰ উৎকৃষ্ট তথা প্ৰাণকেন্দ্ৰ হিচাবে জাতীয় আৰু আন্তজাৰ্তিক পৰ্যায়ত সু-প্ৰতিষ্ঠিত হওঁক তাৰেই কামনাৰে মহাবিদ্যালয়ৰ পৰিয়ালৰ সদৌটিলৈ আন্তৰিক শুভেচ্ছাৰে।

(মহঃ আলাউদ্দিন)

নৱজ্যোতি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'নৱজ্যোতি' প্ৰকাশৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীয়ে নিজৰ লিখনিৰে আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে তেখেত সকললৈ আন্তৰিক ধন্যবাদ জনাইছো। ছাত্ৰ-ছাত্ৰী সকলে নিজৰ লিখনিৰ জৰিয়তে বৌদ্ধিক চিন্তা তথা সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় দিছে।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সৎ উপদেশ আৰু সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তত্বৱধায়কদ্বয় ৰৌছনাৰা আখতাৰ বাইদেউ আৰু ড° এম.এছ. শ্বেইখ ছাৰৰ লগতে সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাক মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষকৈ মাননীয় অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ ছাৰ, ড° এম.এছ. শ্বেইখ ছাৰ, ৰৌছনাৰা আখতাৰ বাইদেৱে যি সৎ পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়াইছিল তাৰ বাবে চিৰ কৃতজ্ঞ হৈ ৰ'ম। তাৰোপৰি আলোচনীখন সৰ্বাঙ্গ সুন্দৰ কৰি উলিওৱাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে ড° নিতু চহৰীয়া, ড° কাকলি হাজৰিকা, পাঞ্চালি বৈশ্য, ছৈয়দা হামিদা খাতুন, ড° ধ্ৰুৱজ্যোতি দাস, নয়নমনি দেৱী আৰু ড° মালাবিকা বাগলাৰী আদি শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত অজানিতে হোৱা ভুলবোৰৰ শুধৰণি, ক্ষমা-প্ৰাৰ্থনা আৰু আশীৰ্বাদ বিচাৰি মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি আৰু মাননীয় শিক্ষাগুৰু সকলৰ ওচৰত মোৰ ভৱিষ্যৎ জীৱনৰ বাবে আশীৰ্বাদ বিচাৰি ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়।"
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।।

ধন্যবাদেৰে—

**মঞ্জিল হক**

সম্পাদক, আলোচনী বিভাগ

ছাত্ৰ একতা সভা

নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

****




কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ
ড° ছাহজাহান আলী আহমেদ



অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ সম্বলিতে শৈক্ষিক নিৰীক্ষক সকল
বাওঁফালৰ পৰাঃ অধ্যাপক ব্ৰজ কিশোৰ শ্যামল, অধ্যাপক আলীমুদ্দিন আহমেদ আৰু অধ্যাপক ড° যোগেন্দ্ৰ ডেকা

# সূচীপত্ৰ

## অসমীয়া শিতান

### প্ৰবন্ধ সম্ভাৰঃ


| | | |
|---|---|---|
| খোৱা পানীৰ পৰিশোধন | ➪ হানিফ মোস্তাক আহমেদ | 01 |
| প্ৰত্যাৱৰ্ত্তন | ➪ চৈয়দ কাইয়ুম কবীৰ আহমেদ | 03 |
| নৰকান্ত বৰুৱাৰ 'পলস' ঃ এক বীক্ষণ | ➪ ড° নিতু চহৰীয়া | 10 |
| প্ৰযুক্তি আৰু মানৱতাৰ প্ৰতীক অসমৰ ঐতিহ্য বঙাইগাওঁ তেল শোধনাগাৰ | ➪ ড° এম.এছ. শ্বেইখ | 14 |
| শিক্ষাত ছাত্ৰ ৰাজনীতিৰ প্ৰভাৱ | ➪ ৰুহুল আমিন | 18 |
| বৰপেটাৰ ঐতিহ্যপূৰ্ণ দৌল উৎসৱ | ➪ মোঃ শ্বফিকুল ইছলাম | 19 |


### গল্প সফুঁৰাঃ


| | | |
|---|---|---|
| মানৱী | ➪ ৰৌছানাৰা আখতাৰ | 22 |
| আশাহত | ➪ মৰ্জিনা ৰহমান | 25 |
| উৎসৱ | ➪ নুৰ নাহাৰ ৰহমান | 26 |
| নৱজ্যোতি মহাবিদ্যালয়ত মোৰ প্ৰেম | ➪ শ্বহিদুল ইছলাম | 27 |
| ব্যৰ্থ জীৱন | ➪ ইনিয়াৰা খাতুন | 30 |


### কবিতা কুঞ্জঃ


| | | |
|---|---|---|
| এমুঠি সোণ | ➪ ছৈয়দা হামিদা খাতুন | 31 |
| কুঁৱলী সনা ৰাতিপুৱা | ➪ ৰেহেনা পাৰবিন | 32 |
| শীতৰ শেষৰ দিন | ➪ বশ্বিৰা আখতাৰ | 33 |
| অনুভৱ মোৰ 'কুৱলী' | ➪ ইনিয়াৰা খাতুন | 34 |
| মা | ➪ মঞ্জিল হক | 35 |
| ছাত্ৰ জীৱনৰ অনুভূতি | ➪ চান্দ মিয়া | 36 |
| অক্লান্ত | ➪ মুকতাৰ ৰানা | 36 |
| অনুৰাধা | ➪ হৰেৰাম কুণ্ডু | 37 |
| সোণৰ বৰপেটা | ➪ খাইৰুল আলম | 37 |
| আশা | ➪ ছয়ফুল ইছলাম | 38 |
| আই-পিতাই | ➪ ইনিয়াৰা খাতুন | 39 |
| দাপোন | ➪ মোঃ হাফিজুৰ ৰহমান | 40 |
| আহ্বান | ➪ ইনিয়াৰা খাতুন | 40 |
| মিনতি | ➪ ফাৰুক আব্দুল্লাহ | 41 |

মমতা ➪ শ্বহিদুল ইছলাম 42
মনৰ কথা ➪ জেছমিনা খাতুন 42
কিদৰে পাহৰো তোমাক ➪ ৰ'বেল নুৰ ইছলাম 43
মানৱৰ স্থিতি ➪ ৰেহেনা পাৰবিন 44
স্বাৰ্থপৰ মানুহ ➪ হাবিজা খাতুন 45
মোৰ লগৰী ➪ মৰ্জিনা খাতুন 45

## ENGLISH SECTION

### PROSE:

Namami Brahmaputra: A Critical Analysis ➪ Dr. Kakali Hazarika 46
"Green Gold Industry" : The New Era of Sustainable Economic Development in Assam ➪ Panchalee Baishya 49
A Study on Human Rights and Education for Social Change ➪ Dr. Imrul Hussain 51
Influence of Student Politics in Education. ➪ Mamoni Aktar Moni 55
Health Benefits of Shedding Tears ➪ Rehena Parveen 56

### STORY:

A love story : That Never Ends. ➪ Munjur Hassan Mondal 57

### POEM:

Feeling in a foggy morning ➪ Mamoni Aktar Moni 59
The Red Rose ➪ Al Imran Khan 59
My best friend ➪ Sabina Yasmin 60
A Simple Guy ➪ Al Imran Khan 61
Memories ➪ Soyful Islam 62

## বিভাগীয় সম্পাদকীয় প্ৰতিবেদন

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন 63
সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন 65
গুৰু খেল সম্পাদকৰ প্ৰতিবেদন 66
লঘু খেল সম্পাদকৰ প্ৰতিবেদন 67
তৰ্ক আৰু সুকুমাৰ কলা সম্পাদকৰ প্ৰতিবেদন 68
শৰীৰ চৰ্চা সম্পাদকৰ প্ৰতিবেদন 69
সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন 70



আলোচনী সম্পাদনা সমিতি-
বাওঁফালৰ পৰাঃ অধ্যাপক ব্ৰজ কিশোৰ শ্যামল (সদস্য), অধ্যাপিকা ছৈয়দা হামিদা খাতুন (সদস্য), অধ্যাপক কায়ুম কবিৰ আহমেদ (সদস্য), অধ্যক্ষ ড° ছহজাহান আলী আহমেদ (সভাপতি),
অধ্যাপক ড° মহঃ শ্বাহাজামাল শ্বেইখ (তত্ত্বাৱধায়ক) অধ্যাপিকা নৌছনাৰা আখতাৰ (তত্ত্বাৱধায়িকা), মনজিল হক (সম্পাদক), ৰাজা আব্দুল্লা ফাৰুকী,সদস্য (সাধাৰণ সম্পাদক ছাত্ৰ একতা সভা), অনুপস্থিত



আই.কিউ.এ.চি.

...ফালৰ পৰাঃ অধ্যাপক লুৎফুৰ ৰহমান শইকীয়া (সদস্য), অধ্যাপক আব্দুল কুদ্দুছ (সদস্য), অধ্যাপক ব্ৰজ কিশোৰ শ্যামল (সদস্য), অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ (সভাপতি)
...াপক ড° মহঃ শ্বাহাজামাল শেইখ (সমন্বয়ক), অধ্যাপক ছামচুল হক (সদস্য) অধ্যাপিকা ড° ছাৱাকিমা আহমেদ (সদস্য), অধ্যাপক ড° মজিবৰ ৰহমান (সদস্য)

# অসমীয়া শিতান

## প্ৰৱন্ধ সম্ভাৰঃ







# খোৱা পানীৰ পৰিশোধন

**হানিফ মোস্তাক আহমেদ**
সহযোগী অধ্যাপক
ৰসায়ন বিজ্ঞান বিভাগ।

খোৱা পানী গন্ধহীন, বৰণহীন, পৰিষ্কাৰ, ফট্‌ফটীয়া আৰু জীৱানুমুক্ত হ'ব লাগে। পানী সম্পূৰ্ণৰূপে স্বাদহীন বা মৃদু হোৱাটো অবাঞ্চনীয়। পানীত সামান্য পৰিমাণে আইৰণৰ লৱন, কেলছিয়াম আৰু কাৰ্বন ডাই অক্সাইড দ্ৰৱীভূত হৈ থাকিলে পানীৰ এটা স্বাদ পোৱা যায়। লৱন দ্ৰৱীভূত হৈ থকা হেতুকে নলী নাদ নিজৰা আদিৰ পানী খোৱাৰ বাবে বিশেষ উপযোগী। কিন্তু বৰষুণৰ পানী মৃদু হোৱা বাবে খোৱাৰ বাবে সিমান উপযোগী নহয়।

কিন্তু এই ধৰণৰ আদৰ্শ খোৱা পানী প্ৰকৃতিক ভাবে পোৱা নাযায়। প্ৰকৃতিক পানীত বিভিন্ন প্ৰকাৰৰ ভৌতিক, ৰাসায়নিক আৰু জৈৱিক অশুদ্ধি মিহলি হৈ থাকিব পাৰে আৰু সেই পানী খোৱাৰ অনুপযোগী হৈ পৰে। অবাঞ্চিত উপাদান মিহলি হৈ খোৱাৰ অনুপযোগী হৈ পৰা পানীয়েই হ'ল প্ৰদূষিত পানী। প্ৰদূষিত পানী সেৱনৰ ফলত মানুহৰ নানা প্ৰকাৰ ৰোগ ব্যাধিৰ সৃষ্টি হয়। পানীৰ ভৌতিক গুণ আৰু উপাদান সমূহৰ ভিতৰত পানীৰ বৰণ, গোন্ধ, স্বাদ, স্বচ্ছতা ইত্যাদি পৰে। কম পৰিমাণে থাকিলে পানী বৰণহীন কিন্তু অধিক পৰিমাণে থাকিলে পানীৰ বৰণ পাতল সেউজীয়া হয়। শেলুৱৈ আৰু পচা জৈৱিক পদাৰ্থ আৰু খনিজ পদাৰ্থ মিহলি হৈ থাকিলে পানী গোন্ধ যুক্ত হয়। দ্ৰৱীভূত অক্সিজেন আৰু কাৰ্বন ডাই অক্সাইডৰ বাবে পানীৰ বিশিষ্ট সোৱাদ এটা পোৱা যায়। পানী উতলালে পানীত দ্ৰৱীভূতহৈ থকা অক্সিজেন আৰু কাৰ্বন ডাই অক্সাইড আঁতৰি যায় বাবে গৰম কৰাৰ পিছত খোৱা পানীৰ কোনো সোৱাদ পোৱা নাযায়। অতিৰিক্ত পৰিমাণৰ কাৰ্বন ডাই অক্সাইড দ্ৰৱীভূত হৈ থকা পানীৰ সোৱাদ টেঙা আৰু পচা জৈৱ পদাৰ্থ- জীৱ-জন্তুৰ মৰাশ, গছৰ পাত, পচা কাঠ আদি পানীৰ লগত মিহলি হৈ থাকিলে পানীৰ সোৱাদ ক্ষাৰীয় হয়। যথোপযুক্ত পদ্ধতিৰে এই অপদ্ৰব্য সমূহ পানীৰ পৰা আঁতৰালেহে পানী খোৱাৰ উপযোগী হয়।

খোৱা পানীত মিহলি হৈ থকা অণুজীৱ ভাইৰাছ আৰু বেকটেৰিয়া সমূহৰ ভিতৰত প'লিমাইলাইটিছ (প'লিঅ') আৰু হেপাটাইটিছ ৰোগৰ ভাইৰাছ, গ্ৰহনী, টাইফয়েড, পাৰাটাইফয়েড, কলেৰা আদি ৰোগৰ বেক্‌টেৰিয়া, খাদ্যৰ বিষক্ৰিয়া, এনেকি টুলমেনিয়া আৰু এনথ্ৰাছ ৰোগৰ জীৱাণু আদিয়েই প্ৰধান। মানুহৰ মলমূত্ৰ মিহলিহৈ থকা পানী বা মানুহৰ মলমূত্ৰৰ দ্বাৰা প্ৰদূষিত পানীৰ মাধ্যমত প'লিঅ', হেপাটাইটিছ, গ্ৰহনী, টাইফইড, পাৰা টাইফইড আৰু কলেৰাৰ বীজাণু মানুহৰ দেহত প্ৰৱেশ কৰে।

পানীত অতিৰিক্ত পৰিমাণ ছালফেট জাতীয় লৱন দ্ৰৱীভূত হৈ থাকিলে ডায়ৰিয়া হ'ব পাৰে। খৰপানীত অধিক পৰিমাণে কেলছিয়াম আৰু মেগনেছিয়াম ছালফেট থাকিলে বদহজম হোৱাৰ সম্ভাৱনা থাকে। ফ্লুৰাইড লৱনৰ স্বল্পতাই দাঁতৰ কেৰিছ আৰু অধিক্যই ডেন্টেল আৰু স্কেলেটেল ফ্লু'ৰ'ছিছ ৰোগৰ সৃষ্টি কৰে। আইৰণ, লেড, কপাৰ, জিংক, মাৰ্কাৰী, আৰ্ছেনিক আদি গধুৰ ধাতুৰ আয়ন সমূহ মিহলি হৈ থকা পানী

*সেৱন কৰিলে* মানুহৰ দেহত নানা প্ৰকাৰ জটিল ৰোগৰ সৃষ্টি হয়। *বৰ্তমান* আমাৰ গ্ৰামাঞ্চল সমূহত খোৱা পানীৰ উৎস কীটনাশক পদাৰ্থৰ দ্বাৰা প্ৰদূষিত হোৱাৰ সম্ভাৱনা এটা সদায়ে থাকে।

সেয়ে খোৱা পানীৰ উৎস সমূহ প্ৰদূষণ মুক্ত কৰিব ৰাখিব লাগে আৰু খোৱা পানীৰ পৰিশোধন এনে ভাবে কৰিব লাগে যাতে সেই পানীত কোনো প্ৰকাৰ অবাঞ্চিত পদাৰ্থ বা উপকৰণ নাথাকে। খোৱা পানীৰ পৰিশোধন বিভিন্ন প্ৰকাৰে বিভিন্ন মাত্ৰাত, বৃহৎ পৰিমাণ, মাধ্যমীয়া পৰিমাণ আৰু স্বল্প পৰিমাণ বা ঘৰুৱা ব্যৱহাৰৰ বাবে কৰি ল'ব পাৰি। কম পৰিমাণৰ খোৱা পানী পৰিশোধনৰ বাবে নৈ বা পুখুৰীৰ ঘোলা পানী উপযুক্ত পৰিমাণৰ ফিটকিৰি মিহলাই থিত লগাই ওপৰে ওপৰে ঢালি লব লাগে। এনেদৰে পৰিষ্কাৰ কৰি লোৱা পানী ভালকৈ উতলাই চেচা কৰি পৰিষ্কাৰ বালি আৰু কয়লাৰ মাজেৰে চেকি ললে সি খোৱাৰ উপযোগী হয়। পানীৰ ছেকন আৰু জীৱানুমুক্তকৰণ একাধিক ধৰণে কৰিব পাৰি, কিন্তু এই আলোচনা বিষয় হ'ল আমাৰ বান পীড়িত গ্ৰামাঞ্চলত পানী শোধনৰ উপায় আৰু মানুহৰ স্বাস্থ্য ৰক্ষা।

সাধাৰণতে দেখা যায় যে বানপানীৰ সময়ত স্বাস্থ্য বিভাগৰ পৰা পানী শোধনৰ বাবে জনসাধাৰণৰ মাজত ব্লিছিং পাউদাৰৰ যোগান ধৰে। গ্ৰামাঞ্চলৰ জনগণে সেই ব্লিছিং পাউদাৰ ঘৰলৈ গৈ পানীত ঘুলি পোনে পোনে কুৱাত ঢালি দিয়ে। তাৰ ফলত পানী জীৱাণুমুক্ত হয়, কিন্তু পানীত অতিৰিক্ত পৰিমাণ কেলছিয়াম মিহলি হৈ পৰে, তাৰ ফলত সেই পানীৰে গা ধুলে চুলি আঠা হয়। চাবোনেৰে কাপোৰ ধুব নোৱাৰি। খোৱাৰ ফলত বদহজম হোৱাৰ তথ্যও পোৱা যায়। প্ৰকৃততে কুৱা বা পুখুৰীৰ পানী ব্লিছিং পাউদাৰেৰে পৰিশোধন কৰা অতি সহজ আৰু সুলভ। ব্লিছিং পাউদাৰ হ'ল বগা অনিয়তাকাৰ গুৰি পদাৰ্থ। ইয়াৰ এটা তীব্ৰ গোন্ধ আছে আৰু ক্ষাৰীয় সোৱাদ যুক্ত। সতেজ ব্লিছিং পাউদাৰত ৩৩-৩৮ শতাংশ ক্লৰিণ থাকে। কিন্তু দিন যোৱাৰ লগে লগে ব্লিছিং পাউদাৰৰ ক্লৰিণৰ পৰিমাণ কমি গৈ ২০ বা ২৫ শতাংশ হয়। ৪ঃ১ অনুপাতত পোৱা চুণ মিহলি কৰি ব্লিছিং পাউদাৰত ক্ল'ৰিণৰ পৰিমাণ স্থিৰ ৰাখিব পাৰি। ব্লিছিং পাউদাৰ সদায় শুকান ঠাইত আবদ্ধ পাত্ৰ ৰাখিব লাগে।

কুৱাৰ পানী ব্লিছিং পাউদাৰেৰে সোধন কৰিবলৈ প্ৰথমে কুৱাত থকা পানীৰ পৰিমাণ জানিব ল'ব লাগে। অতি সাধাৰণ সূত্ৰৰ এটাৰ সহায়ত কুৱাত থকা পানীৰ পৰিমাণ জানিব ল'ব পাৰি। সূত্ৰটো হ'ল- $\pi r^2 \times w$। ইয়াত $\pi$ পাই = 3.1416, r = কুৱাৰ ব্যাসাৰ্দ্ধ, W = মিটাৰ হিচাপে পানীৰ গভীৰতা। এক ঘন মিটাৰৰ ধাৰণ ক্ষমতা 1000 লিটাৰ। গতিকে এই পদ্ধতিৰে পানীৰ পৰিমাণ জুখি লৈ প্ৰতি 1000 লিটাৰ পানীৰ বাবে 2.5 গ্ৰাম ব্লিছিং পাউদাৰ এটা কাচৰ বা প্লাষ্টিকৰ পাত্ৰত সামান্য পৰিমাণৰ পানীত মিহলি কৰি এটা পেষ্ট তৈয়াৰ কৰি ল'ব লাগে। তাৰ পাছত অধিক পানী যোগ কৰি ঘুটি মিহলাহৈ 10-15 মিনিট সময় নিজনি পৰিব দিব লাগে। নিজনি পৰাৰ পাছত ওপৰৰ পৰা ফট্‌ফটীয়া পানীখিনি আন এটা প্লাষ্টিকৰ বাল্টিত ঢালি লৈ সেইখিনি কুৱাৰ পানীত ঢালি দি সম্পূৰ্ণ পানীখিনি আলোড়িত কৰি মিহলাই দিলেই পানী জীৱানুমুক্ত হৈ পাৰে আৰু আধা ঘণ্টা পাছত সেই পানী খোৱাৰ উপযোগী হয়।

একেদৰে টেংক আৰু অইন আধাৰত জমা ৰখা পানীও জীৱানুমুক্ত কৰি ল'ব পাৰি। বৰ্তমান স্বাস্থ্য বিভাগৰ পৰা যোগান ধৰা ক্লৰিণ টেবলেটৰ দ্বাৰাও খোৱা পানী শোধন কৰি লব পাৰি। সুস্বাস্থ্যৰ বাবে পৰিশোধিত খোৱা পানী অত্যাৱশ্যকীয়। কিন্তু অসমৰ অত্যন্ত গ্ৰাম আৰু চৰ অঞ্চল বিলাকত নিৰক্ষৰতা, দৰিদ্ৰতা, অজ্ঞতাৰ লগতে অৱহেলা জনিত কাৰণত মানুহে অপৰিশোধিত পানী সেৱন কৰি নানা প্ৰকাৰ ৰোগ ব্যাধিত ভোগে। সামান্য সচেতন আৰু সাৱধান হ'লেই আমি বহু শোঁচৰা ৰোগৰ পৰা হাত সাৰিব পাৰো, স্বাস্থ্য ভালে থাকে আৰু ঔষধ কিনি আৰ্থিক ভাবে ক্ষতিগ্ৰস্থ হোৱাৰ পৰা ৰক্ষা পাব পাৰো।





# প্ৰত্যাৱৰ্ত্তন

**চৈয়দ কাইয়ুম কবীৰ আহমেদ**
সহযোগী অধ্যাপক,
ৰসায়ন বিজ্ঞান বিভাগ।

আমেৰিকাৰ কেলিফৰ্ণিয়া ষ্টেট।

ছান্টাক্লাৰাৰ আৱাসিক অঞ্চলৰ এটি সুদৃশ্য এপাৰ্টমেন্টৰ বাসিন্দা প্ৰবাসী অসমীয়া বিজ্ঞানী ড° নিৰঞ্জন দত্তই নিজৰ শোৱনি কোঠাত গভীৰ টোপনিত। সমূখৰ বেৰত ওলমি থকা টিভিটো সশব্দে চলি আছে। তেওঁ বোধহয় শোৱাৰ আগেয়ে টিভিটো বন্ধ কৰিব পাহৰিলে। ৰাতি ৯ বাজিছে। হঠাৎ তেওঁ ধহমহকৈ টোপনিৰ পৰা উঠি বহিল। তেওঁ টিভিটো বন্ধ কৰিবলৈ দূৰনিয়ন্ত্ৰণকটো বিচাৰি ফুৰিছে। হঠাৎ দূৰদৰ্শনৰ পৰ্দাত ভাঁহি আহিল আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ মুখমণ্ডল। ৰাষ্ট্ৰপতিজনাই আমেৰিকাৰ নাগৰিক দৰ্শকৰ উদ্দেশ্যি ভাষণ দিব আৰম্ভ কৰিলে। নিৰঞ্জন দত্তই টিভিটো বন্ধ কৰিবলৈ গৈও থমকি ৰ'ল। দূৰদৰ্শনত সেয়া ৰাষ্ট্ৰপতিৰ উদাত্ত কণ্ঠ- "....To day we are learning the language in which god created life. (পিছৰ চোৱা অসমীয়ালৈ ভাঙনি কৰি) সচাকৈয়ে আজি আমাৰ মেধা সম্পন্ন বিজ্ঞানী সকলে অতীতৰ বহু অসম্ভৱকো সম্ভৱ প্ৰায় কৰি তুলিছে। হয় বন্ধুসকল, মই আজি আপোনালোকৰ সমুখত জিনোমিক্স আৰু ষ্টেমচেলৰ গৱেষণাৰ ওপৰত আলোকপাত কৰিবলৈ ওলাইছো। উক্ত গৱেষণাৰ সুন্দৰ ফলাফল সমূহে সাম্প্ৰতিক আমাৰ দেশৰ ব্যৱসায়িক ক্ষেত্ৰখনতো এক নতুন দিগন্তৰ উন্মোচন কৰিছে। বন্ধুসকল, বৰ্তমান বিশ্বত আমেৰিকাৰ কোনো স্থায়ী শত্ৰু নাই। তথাকথিত শীতল যুদ্ধৰ অৱসান হৈছে। ষ্ট্ৰেটেজিক ডিফেন্স ইনিচিয়েটিভ, বৰ্তমান অপ্ৰাসংগিক। আমাৰ বন্ধু ৰাষ্টবোৰৰ সৈতে চলোৱা মিউচুৱেলি এচিয়'ৰদ্ ডেষ্ট্ৰাকচ্‌ন প্ৰগেমৰ আজি আৰু কোনো অৰ্থ নাই। আমাৰ ডিপাৰ্টমেন্ট অফ এনাৰ্জিৰ পাৰমাণৱিক অস্ত্ৰৰ গৱেষণাগাৰ সমূহ কৰ্মহীন হৈ পৰিছে। বন্ধ হৈ পৰিছে আমাৰ বহুতো ছুপাৰ কম্পিউটাৰ। এনে ছুপাৰ কম্পিউটাৰ সমূহ আমি জিনোমিক্সৰ গৱেষণাৰ কামত ব্যৱহাৰ কৰিব পাৰো। ইতিমধ্যে সামৰিক কৰ্তৃপক্ষৰ পৰা অনুমোদন লোৱা হৈ গৈছে। আমাৰ দেশৰ চৰকাৰী খণ্ডৰ নাইবা ব্যক্তিগত খণ্ডৰ গৱেষণাগাৰসমূহত আমাৰ জীৱ বিজ্ঞানী সকলে যি নিষ্ঠাৰে ষ্টেমচেলৰ গৱেষণা চলাই আছে অনুগ্ৰহ কৰি সেয়া বন্ধ ৰাখক। চৰকাৰী অৰ্থ-ব্যয়েৰে ষ্টেমচেলৰ গৱেষণা অথবা ইয়াৰ লগত জড়িত ক্লোনিংৰ গৱেষণা এতিয়া আৰু সম্ভৱ নহয়। It is now a complex and difficult issue. An issue that is one of the most profound in our time. Until and unless..........."। চৰম বিৰক্তিৰে নিৰঞ্জন দত্তই দূৰ নিয়ন্ত্ৰকৰ সহায়ত টেলিভিছনটো বন্ধ কৰি দিলে। নিমিষতে অৰ্ন্তধান হ'ল দূৰদৰ্শনৰ পৰ্দাত আমেৰিকাৰ ৰাষ্ট্ৰপতি জনাৰ স্পৰ্ধিত মুখমণ্ডল। আজি বহু দিনৰ বিৰতিৰ পিছত আমেৰিকাৰ দূৰদৰ্শনৰ প্ৰাইম টাইমৰ অনুষ্ঠানত ৰাষ্ট্ৰপতিজনে নাগৰিকৰ সন্মূখত দেখা দিছে। নিত্যান্ত সাধাৰণ কথাতে আমেৰিকাৰ ৰাষ্ট্ৰপতি জনাই দূৰদৰ্শনৰ প্ৰাইম টাইমৰ অনুষ্ঠানত নোলায়। কাৰণ আজি এমাহ ধৰি গোটেই আমেৰিকা জুৰি ষ্টেমছেলৰ গৱেষণাৰ ওপৰত বিৰ্তকৰ টৌ উঠিছে। ক্ৰমাৎ ই সাধাৰণ মানুহৰ ডাইনিং টেবুলৰ বিষয়বস্তু হৈ পৰিছে। আমেৰিকাৰ সংসদৰ হাউছ অফ ৰিপ্ৰেজেন্টেটিভৰ গৰিষ্ঠ সংখ্যক ভোটাৰে ষ্টেমচেলৰ গৱেষণাক নিযিদ্ধ কৰি আইন প্ৰণয়ন কৰিছে। এই আইন মতে ষ্টেমচেলৰ গৱেষণাৰ লগত জড়িত হোৱাৰ প্ৰমাণ

পালে এজন বিজ্ঞানীক মিলিয়ন ডলাৰৰ জৰিমনাৰ লগতে এবছৰ পৰ্য্যন্ত কাৰাবাস হ'ব পাৰে। দেশজুৰি মানৱতাবাদী স্বেচ্ছাসেৱী সংগঠন সমূহৰ সদস্য, আমেৰিকাৰ গীৰ্জা গীৰ্জাই থকা যাজক সমাজ, ইয়াৰ বিৰুদ্ধে একত্ৰিত হৈ ৰাজপথলৈ ওলাই আহিছে। ইনফাৰ্টিলিটি ক্লিনিক্, এবোৰছন ক্লিনিক্ সমূহত তেওঁলোকে ২৪ ঘন্টাই চোকা দৃষ্টি ৰাখিছে। তেওঁলোকৰ বক্তব্য হ'ল যে ষ্টেমচেলৰ গৱেষণা, মেডিকেল এথিক্স বিৰোধী। কিয়নো এটা মানৱ ভ্ৰূণক হত্যা কৰিয়ে ষ্টেমচেলৰ গৱেষণা আৰম্ভ কৰা হয়। বিজ্ঞানী সকলৰ হত্যাকাৰী হোৱাৰ কোনো অধিকাৰ নাই। কাৰণ যিবোৰ মানৱ ভ্ৰূণকলৈ তেওঁলোকে ষ্টেমচেলৰ গৱেষণা কৰে সেইবোৰ ভ্ৰূণেই সুযোগ পালে যথাযথভাৱে বৃদ্ধি হৈ এদিন পূৰ্ণাংগ মানুহ হ'ব পাৰিব। কিয়নো আমেৰিকাৰ ৰাষ্ট্ৰপতি জনৰ পৰা আমেৰিকাৰ সাধাৰণ নাগৰিকলৈ সকলোৱে নিজৰ জীৱন আৰম্ভ হয় সেই একেটি ভ্ৰূণৰ পৰাই। দেশজুৰি হোৱা এনে বিতৰ্ক আৰু প্ৰতিৰোধ আন্দোলনে আমেৰিকাৰ জীৱবিজ্ঞান আৰু চিকিৎসাবিজ্ঞানৰ গৱেষণাগাৰবোৰত ধূমুহাৰ সৃষ্টি কৰিছে। ধূমুহাৰ সৃষ্টি হৈছে প্ৰবাসী অসমীয়া জীৱবিজ্ঞানী ড° নিৰঞ্জন দত্তৰ আমেৰিকা স্থিত সৰু সংসাৰখনলৈও। পত্নীৰ দ্বাৰা পৰিত্যক্ত নিৰঞ্জন দত্তই ষ্টেমচেল ৰিৰ্চাছ ইন্‌ষ্টিটিউটৰ ফালৰ পৰা আগবঢ়োৱা ছান্টাক্লাৰাৰ ঘৰতে আজি তিনিদিন ধৰি স্বেচ্ছা বন্দীত্বৰে কটাই দিছে।

বহু প্ৰৱাসী ভাৰতীয়ৰ দৰে নিৰঞ্জন দত্তয়ো এদিন আমেৰিকালৈ আহিছিল ষ্টেমচেল বা ষ্টেমকোষৰ দৰে জীৱ বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ বিষয়ৰ গৱেষণাৰ এটি প্ৰজেক্টত কাম কৰিবলৈ। ড° নিৰঞ্জন দত্তৰ ঘৰ নলবাৰী জিলাৰ এখন ভিতৰুৱা গাওঁত। এনে এখন জকাইচুকীয়া গাওঁৰ পৰা সুদুৰ আমেৰিকাৰ চানফ্ৰানচিচকো স্থিত ষ্টেমছেল গৱেষণা প্ৰতিষ্ঠানলৈ দত্তৰ জীৱনৰ এই সুদীৰ্ঘ পৰিক্ৰমাৰ মূলতে আছিল তেওঁৰ অবিশ্বাস্য মেধাশক্তি, ক্লান্তিহীন অধ্যৱসায়, কৰ্মোদ্যম, জীৱনক ভালপোৱাৰ দুৰ্বাৰ হেপাহ, কিবা এটা ভাল কাম কৰাৰ স্থিতপ্ৰজ্ঞ সাধনা আৰু লগতে আমেৰিকান সকলৰ দৰে "ওৱাৰ্ক এথিক্স"। ছাত্ৰ হিচাবে ড° নিৰঞ্জন দত্ত আছিল বাখৰ ছাত্ৰ। শ্ৰেণীত কোনো দিনে ২য় হৈ নোপোৱা নিৰঞ্জন দত্তই উচ্চ মাধ্যমিক পৰীক্ষাত তিনিটা বিষয়ত আখৰ নম্বৰ সহ সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। সেয়াই আৰম্ভণি। ইয়াৰ পিছত নিৰঞ্জন দত্তই পিছলৈ উভতি চোৱা নাই। সাফল্যৰ গজদন্ত মিনাৰত ক্ৰমে এঢাপ এঢাপকৈ উঠি গৈছিল নিৰঞ্জন দত্তই। ড° নিৰঞ্জন দত্তই প্ৰথমতে বোম্বাই স্থিত এক ব্যক্তিগত খণ্ডৰ এটি চিকিৎসা বিজ্ঞানৰ গৱেষণাগাৰৰ এটা প্ৰকল্পত চি গ্ৰেডৰ বিজ্ঞানী হিচাবে ষ্টেমচেলৰ গৱেষণাগাৰত নিযুক্ত হৈছিল। ব্যক্তিগত খণ্ডৰ গৱেষণাগাৰৰ বিজ্ঞানী হিচাবে তেওঁৰ অবিবাহিত জীৱনলৈ আহিছিল প্ৰচুৰ ঋদ্ধি আৰু সন্মান। এবাৰ আমেৰিকাৰ এখন বিশ্ববিদ্যালয়ে আয়োজন কৰা ছেমিনাৰত নিৰঞ্জন দত্তই অংশ গ্ৰহণ কৰিছিল। ছেমিনাৰত তেওঁ প্ৰস্তুত কৰা গৱেষণা পত্ৰখন পাঠ কৰি তাত উপস্থিত থকা আমেৰিকাৰ জীৱ বিজ্ঞানী সকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। সান্‌ফ্ৰেন্সচিচ্‌কো স্থিত ষ্টেমচেল ৰিচাৰ্চ ইনষ্টিটিউটৰ মুৰব্বী তথা মুখ্য বিজ্ঞানী ডেভিদ হপকিন্স এ তেওঁৰ গৱেষণাগাৰত কাম কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছিল। পাকৈত জহুৰীৰ দৰে আছিল বহু অভিজ্ঞতাৰে পৰিপুষ্ট ড° ডেভিদ হপকিন্স। নিৰঞ্জন দত্তৰ দৰে এটুকুৰা মুল্যৱান হীৰাক তেওঁ ঠিকেই চিনিব পাৰিছিল। মানৱদেহৰ বিভিন্ন ভিতৰুৱা অংগত ষ্টেমকোষ বা ষ্টেমচেল সংৰোপন কৰি কিছুমান দুৰাৰোগ্য বেমাৰ নিৰ্মূল কৰাৰ ওপৰত সেই সময়ত আমেৰিকাৰ কেবাটাও ব্যক্তিগত খণ্ডৰ গৱেষণাগাৰত গৱেষণা চলি আছিল। এক নিৰ্দিষ্ট বয়সৰ মানৱ ভ্ৰূণ যাক ব্লাষ্টোচিষ্ট বুলি কোৱা হয় তেনে ভ্ৰূণৰ পৰা ষ্টেমচেল বা ষ্টেমকোষ সংগ্ৰহ কৰা হয়, নাইবা পৰীক্ষা নলীত কৃত্ৰিমভাৱে মানৱ ভ্ৰূণ সৃষ্টি কৰি সেইবোৰৰ ওপৰত উচ্চ পৰ্য্যায়ৰ জেনেটিক গৱেষণাই আছিল নিৰঞ্জন দত্তৰ গৱেষণাৰ বিষয়বস্তু।

ষ্টেমচেলৰ গৱেষণাত ব্যৱহাৰ হোৱা মূল উপাদান ষ্টেমচেল বা ষ্টেমকোষ হ'ল এক বিশেষধৰণৰ জীৱকোষ। মানৱ দেহত প্ৰায় ২০৬ প্ৰকাৰৰ ষ্টেমকোষ পোৱা যায়। মানৱ দেহত যি কোটি কোটি জীৱকোষ থাকে সেই সকলো জীৱকোষৰ উৎপত্তি আৰম্ভণিৰ এটি মাত্ৰ কোষৰ পৰা। এই প্ৰাৰম্ভিক কোষটোও সৃষ্টি হয় এটি ডিম্বাণু আৰু এটি শুক্ৰাণুৰ মিলনৰ জৰিয়তে। এনে এটা কোষৰ পৰা বিভাজন হৈ হৈ এটাৰ পৰা দুটা, দুটাৰ পৰা চাৰিটা, চাৰিটাৰ পৰা আঠোটা..........আদি এনে নিয়মৰ মাজেৰে অসংখ্য কোষৰ সৃষ্টি হয়। বিশেষভাৱে মন কৰিবলগীয়া কথাটো হ'ল এই যে- এনে কোষ বিভাজনৰ পৰা সৃষ্টি হোৱা কোষবোৰ একে ধৰণৰ নহয়। অৰ্থাৎ যকৃত সৃষ্টি কৰা কোষবোৰ, অগ্ন্যাশয় সৃষ্টি কৰা কোষবোৰৰ লগত নিমিলে নাইবা হৃদপিণ্ড সৃষ্টি কৰা কোষবোৰ, পাকস্থলী সৃষ্টি কৰা কোষবোৰৰ লগত বিস্তৰ প্ৰভেদ। প্ৰকৃততে প্ৰথমে সৃষ্টি হোৱা জনন কোষটোৰ পৰা বিভাজন হৈ যি কোষবোৰ সৃষ্টি হয় আৰু লাহে লাহে এটা মানৱ ভ্ৰূণ সৃষ্টি হয়, তেনে মানৱ ভ্ৰূণ এটাৰ ব্লাষ্টোচিষ্ট অৱস্থাত থকা কোষবোৰে মানৱশৰীৰ ভিতৰৰ অংগবোৰক প্ৰতিনিধিত্ব কৰে। এনে কোষবোৰকেই কোৱা হয় ষ্টেমচেল বা ষ্টেমকোষ য'ত নিহিত থাকে বহু অমিত সম্ভৱনা। সেই বিশেষত্বযুক্ত কোষবোৰৰ পৰা মানুহৰ অগ্নাশয়, যকৃত, হৃদপিণ্ড, ৰক্ত আদিৰ সৃষ্টি হয়। এই ষ্টেমচেলবোৰৰ বিচিত্ৰ ক্ষমতাৰ পৰা বিজ্ঞানীসকলে ইয়াৰ গুৰুত্ব বুজি পাইছে। গতিকে ষ্টেমচেলবোৰ হৈ পৰিছে জীৱবিজ্ঞানী সকলৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু তথা গৱেষণাৰ বিষয়। গতিকে উন্নত দেশসমূহৰ বিজ্ঞানীসকলে পৰীক্ষানলীত কৃত্ৰিমভাৱে ভ্ৰূণ সৃষ্টি কৰি নাইবা এবোৰছ্ন ক্লিনিক সমূহৰ পৰা অৰ্ধবিকশিত অৱস্থাৰ মানৱ ভ্ৰূণ সংগ্ৰহ কৰি বিভিন্ন ধৰণৰ সক্ৰিয় ষ্টেমচেল আহৰণ কৰিছে সৃষ্টি, কৰিছে নতুন টিচ্ছ্যু বা কলা। এই কলাবোৰক লৈ জিনীয় প্ৰযুক্তিৰে আৰম্ভ হয় পুনৰ ন ন গৱেষণা।

ষ্টেমচেলৰ গৱেষণাই চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰখনত এক নতুন দিগন্তৰ সূচনা কৰিব পাৰে। সৃষ্টি হ'ব পাৰে চেলথেৰাপিৰ দৰে নতুন চিকিৎসা পদ্ধতি। উপকৃত হ'ব পাৰে পাৰকিনচনছ, এলঝাইমাৰ, আৰ্থ্ৰাইটিছ নাইবা ডাইবেটিছ ৰোগত আক্ৰান্ত ৰোগীসকল। অসুস্থ হৃদপিণ্ডযুক্ত এজন ৰোগী যিজনে তেওঁৰ হৃদপিণ্ডৰে তেজ পাম্প কৰিবলৈ অক্ষম তেনে ৰোগীৰ হৃদপিণ্ডত বিশেষ ধৰণৰ ষ্টেমকোষ সংৰোপন কৰিব পাৰিলে তেনে ৰোগীও সুস্থ হৈ উঠিব পাৰে। ইনচুলিন উৎপাদন ক্ষমতা হেৰুওৱা ডাইবেটিছ ৰোগী এজনৰ অগ্ন্যাশয়ত যদি অগ্ন্যাশয় সৃষ্টি কৰা ষ্টেমকোষ নতুনকৈ সংৰোপন কৰিব পৰা হয় তেনেহলে সেই ৰোগীৰ অগ্ন্যাশয়ে পুনঃ ইনচুলিন তৈয়াৰ কৰিবলৈ সক্ষম হ'ব। সুস্থ হৈ পৰিব ৰোগীজন! ষ্টেমচেলৰ গৱেষণা প্ৰকৃততে বিজ্ঞানৰ অগ্ৰগতিৰ এক ব্যঞ্জক, কিয়নো এই গৱেষণাৰ ফলাফলে মানুহৰ জীৱনৰ মানদণ্ড উন্নত কৰিব পাৰে লগতে মানুহৰ আয়ুস বৃদ্ধি কৰিব পাৰে। গতিকে আমেৰিকাৰ বৃহৎ পুজিপতি গোষ্ঠীয়ে বিশেষকৈ বৃহৎকায় ঔষধ কোম্পানীবোৰে ষ্টেমচেলৰ গৱেষণাৰ বাবে পুঁজি বিনিয়োগ আৰম্ভ কৰিছে। কিয়নো অহা ২০ বছৰৰ পিছত আমেৰিকাত ৭০ বছৰীয়া মানুহৰ সংখ্যা আজিৰ সংখ্যাৰ দুগুণ হ'ব। এই বিশাল সংখ্যক বৃদ্ধৰ নানান অসুখ বিসুখৰ চিকিৎসাৰ বাবে ষ্টেমচেল থেৰাপি গুৰুত্বপূৰ্ণ হৈ উঠিব। ইয়াৰ বাবে বৃহৎ পুঁজিপতি গোষ্ঠী সমূহে পৃথিৱীৰ দেশে দেশে থকা মেধা সম্পন্ন বিজ্ঞানী সকলক প্ৰলোভন দি আমেৰিকালৈ লৈ আহিছে। এনেদৰে তথাকথিত "গ্ৰেট এমেৰিকান মেল্টিংপট"ৰ ধাৰণাৰে এই দেশ হৈ পৰিছে পৃথিৱীৰ চুকে কোণে সিঁচৰিত হৈ থকা অসংখ্য মেধা আৰু উৎকৃষ্টতাৰ অনুকূল মিলনভূমি। এয়াই আমেৰিকাৰ ঋদ্ধি আৰু প্ৰাচুৰ্য্যতাৰ গোপন চাবি কাঠি।

এনে এক ভৱিষ্যৎ সম্ভৱনাৰে সমুজ্বল, ষ্টেমচেলৰ গৱেষণাক সমল কৰি ড° নিৰঞ্জন দত্তই বোম্বাইস্থিত ব্যক্তিগত খণ্ডৰ এটি গৱেষণা প্ৰতিষ্ঠানত গৱেষণা কৰি থকা অৱস্থাতে আমন্ত্ৰণ পাইছিল সুদূৰ আমেৰিকাৰ চানফ্ৰানচিচকোস্থিত এক বৃহৎ ষ্টেমচেল ৰিছাৰ্চ ইনষ্টিটিউটৰ পৰা। সেয়া আছিল এক লোভনীয় প্ৰস্তাৱ। এনে প্ৰস্তাৱে তেওঁৰ ভৱিষ্যৎ জীৱনলৈ আনি দিব পাৰে ঋদ্ধি আৰু সন্মান। তৃতীয় বিশ্বৰ নাগৰিক এজনৰ দৰে আমেৰিকাত প্ৰাণ প্ৰতিষ্ঠা কৰাৰ দুৰ্বাৰ সপোনৰ নিশ্চিত ৰূপায়ন।

ড° দত্তই কিন্তু কোনো সিদ্ধান্ত ল'ব পৰা নাছিল। তেওঁ আছিল অবিবাহিত। নিৰলসভাৱে গৱেষণাত লাগি থাকোতে দত্তই

*নিজৰ ব্যক্তিগত* জীৱনলৈ এবাৰো উভতি চোৱাৰ যেন আহৰি *পোৱা* নাছিল। ইতিমধ্যে বয়সো হৈছিল ভালেখিনি। কেতিয়াবা ঘৰলৈ আহোঁতে তেওঁৰ বৃদ্ধ মাতৃয়ে সোঁৱৰাই দিয়ে পুতেকৰ বিবাহৰ কথা। দত্তই গৱেষণাৰ ব্যস্ততা, দায়িত্ব আদি নানা অজুহাত দেখুৱাই বহু কেইবছৰ ধৰি নিজৰ বিয়াখন পিছুৱাই আছে। ঘৰ সংসাৰৰ কৰাৰ প্ৰতি কোনো বিৰূপ মনোভাৱ ড° দত্তৰ কাহানিও নাছিল। কিন্তু ষ্টেমচেল গৱেষণাৰ দৰে এক অসাধ্য সাধনৰ সাধনাত ব্ৰতী ড° নিৰঞ্জন দত্তই অইন এখন নতুন পৃথিৱীত থাউকতে প্ৰৱেশ কৰাৰ ইচ্ছা অইন দহজনৰ দৰে নাছিল। তথাপিও জন্মভূমি অসমৰ পৰা শ শ মাইল দূৰৈত জীৱবিজ্ঞানৰ এক জটিল গৱেষণা ব্যস্ত থাকিও নিৰঞ্জন দত্তই মাজে মাজে বৰ নিসংগ অনুভৱ কৰে। এনে নিসংগতাৰ মাজতো কেতিয়াবা কেতিয়াবা তেওঁৰ হৃদয়ত অনামি অচিন এজনী অৱগুণ্ঠিতা নাৰীৰৰ অস্পষ্ট পদধ্বনি অনুভৱ হয়। সেই অৱগুণ্ঠনৰ আৱৰ এখন আয়ত মুখৰ এক অস্পষ্ট ছবিয়ে নিৰঞ্জন দত্তক মাজে মাজে উদভ্ৰান্ত কৰি তোলে। প্ৰতিটো নিশা গৱেষণাগাৰৰ পৰা উভতি অহা দত্তৰ শ্ৰান্ত ক্লান্ত শৰীৰৰ স্নায়ুবোৰক উন্মাদনা আনিবলৈ এজনী নাৰীৰ হৃদয়ৰ সমস্ত আন্তৰিকতাৰে সংপৃক্ত এখনি মৰমী হাতৰ একাপ কফিৰ প্ৰয়োজন বাৰুকৈয়ে অনুভৱ কৰে নিৰঞ্জন দত্তই।

বহু ভাবি-চিন্তি দত্তই ঘৰলৈ খবৰ পঠালে। তেওঁ বিয়া পাতিব। ছোৱালী এজনী চাব লাগে। বিদেশত ইংৰাজী বুজি পোৱা আৰু ক'ব পৰা শিক্ষিত ছোৱালী হ'লেই হ'ল। ইতিমধ্যে ড° দত্তই আমেৰিকাৰ চানফ্ৰানচিচ্‌কোত থকা ব্যক্তিগত খণ্ডৰ গৱেষণা প্ৰতিষ্ঠানটোত ষ্টেমচেলৰ গৱেষণাৰ বাবে ড° ডেভিদ হপকিন্সৰ ওচৰলৈ সন্মতি পত্ৰ পঠাইছিল।

নিজ পুত্ৰৰ পৰা এনে বতৰা পাই দত্ত মাতৃৰ দেহ-মন আনন্দই নধৰা হয়। বিয়াৰ নাম নোলোৱা ল'ৰাটিয়ে অৱশেষত নিজৰ বিয়াখনৰ বাবে হাবিয়াস কৰিছে! দত্ত মাতৃয়ে, দত্তৰ খুড়াক কেইজনৰ সহযোগত পুতেকৰ বাবে এজনী ৰূপে গুণে বিভূষিত ছোৱালীৰ বতৰা ল'বলৈ আত্মীয়-স্বজনলৈ খবৰ পঠালে। দত্তৰ বাবে ছোৱালী পোৱাটো পিছে সিমান সহজ নাছিল। কিয়নো পঞ্চল্লিছৰ উৰ্দ্ধৰ ড° দত্তলৈ ৰূপে-গুণে বিভূষিত ছোৱালী কতো অপেক্ষা কৰি নেথাকে। গতিকে দত্তৰ মাতৃ, খুড়াক কেইজন, অইন অঙহী-বঙহীয়ে দত্তৰ বাবে ছোৱালী বিচাৰি হাবাথুৰি খাইছে। অৱশেষত কিছু এৰাধৰাৰ মাজেদি ড° দত্তৰ বাবে এজনী ছোৱালী পোৱা গ'ল। দত্তক খবৰ দি ঘৰলৈ মতাই অনা হ'ল আৰু এদিন ড° দত্তই সেই ছোৱালীজনীৰ লগত মহা ধুমধামেৰে বিবাহ সম্পাদন কৰি অইন এজন নিৰঞ্জন দত্ত ৰূপে সস্ত্ৰীক আমেৰিকালৈ উৰা মাৰিলে। ড° দত্তৰ নৱপৰিণীতা তাপসী দত্তৰ ঘৰ গুৱাহাটীত। সৰুতে মাক দেউতাকক হেৰুৱাই খুড়াক এজনৰ তত্বাৱধানত ডাঙৰ-দীঘল হোৱা তাপসী দত্ত দৰ্শন বিষয়ৰ স্নাতকোত্তৰ। উচ্চ শিক্ষা শেষ কৰি ঘৰত বহুদিন বহি বহি অৱশেষত বিভাগীয় প্ৰাধ্যাপক এজনৰ অধীনত ৰাধাকৃষ্ণণনৰ দৰ্শনৰ ওপৰত গৱেষণা আৰম্ভ কৰিছিল। ছমাহ গৱেষণাৰ কামত জড়িত হোৱাৰ পিছত আহিছিল বিবাহৰ প্ৰস্তাৱ। দৰা এজন বিজ্ঞানী। দৰাৰ ঘৰ তাপসীৰ চহৰৰ পৰা ৮০ কিঃমিঃ দূৰৈৰ গাওঁত যদিও আমেৰিকাত থাকে। গতিকে তাপসীও বিয়াৰ পিছত আমেৰিকাতে থাকিব লাগিব। অইন দহজনী ছোৱালীৰ দৰে তাপসী বৰ বেছি শিহৰিত নহ'ল। নিজৰ সভ্যতা সংস্কৃতি সম্পৰ্কে সদা সচেতন তাপসীয়ে আমেৰিকাৰ দৰে দেশ এখনত নিজকে খাপ খুৱাই লবলৈ যে অসুবিধা হ'ব সেয়া ভালদৰে বুজিছিল। কিন্তু পিতৃ-মাতৃহীন তাপসীয়ে আৰু অধিক দিন আবিয়ৈ হৈ নেথাকি খুড়াকহঁতৰ বোজা পাতলাবলৈকে এই বিয়াত সন্মতি দিলে।

আমেৰিকাৰ দৈনন্দিন জীৱন ভাৰতৰ দৰে নহয়। দুই এদিনতে তাপসীয়ে উপলব্ধি কৰিলে। সুদূৰ অসমৰ এখন অখ্যাত অসূৰ্য্যস্পৰ্শা গাওঁৰ নিৰঞ্জন দত্ত বোলা এই মানুহজনে কেনেদৰে আমেৰিকাৰ দৈনন্দিনতাৰ সৈতে মিলি গৈছে তাকে দেখি তাপসীয়ে বেছ আচৰিত হয়। নিৰঞ্জন দত্তই ৰাতিপুৱা পাঁচ বজাতে উঠে। বাহিৰত তুষাৰপাত, তাপসীৰ শোৱাপাটি এৰাৰ ইচ্ছা নহয়। অথচ দত্তই তাপসীলৈ অপেক্ষা নকৰি নিজে কফি বনাই খায়। লগে লগে বাথৰূমত সোমাই দাড়ি খুৰোৱা, টয়লেট, স্নান, যন্ত্ৰবৎ সমাধা কৰে। অতিদ্ৰুত গতিত চুট টাই জোতা মোজা পিন্ধি কোনোমতে এটা চেন্দউইচ নাকে মুখে গুজি দি তাতকৈয়ো অধিক ক্ষীপ্ৰতাৰে হাতত লেপটপটো লৈ গাড়ীখন উলিয়াই। বাহিৰৰ তুহিনসংপৃক্ত পৰিৱেশৰ তুলনাত শীততাপ নিয়ন্ত্ৰিত শোৱনি কোঠাৰ ৰাতিপুৱাৰ টোপনিৰ আমেজেও নিৰঞ্জন দত্তক বিচলিত কৰিব নোৱাৰে। বাহিৰত তুষাৰপাত হলেও ৰাজপথত দত্তই গাড়ী চলাই দিয়ে ১৫০ কিঃ মিঃ দূৰৈৰ গৱেষণাগাৰলৈ। অলপ দেৰি হলেই ৰাজপথত যান-জটৰ সম্ভৱনা। ফলশ্ৰুতিত এক ঘন্টা দেৰি হোৱাৰ সম্ভৱনাৰ বাবে মানসিক উৎকণ্ঠা। এনে ব্যস্ততাৰ মাজতো কিন্তু স্বামী হিচাবে ড° দত্তই তাপসীৰ ওচৰত ঐকান্তিকভাৱে দায়বদ্ধ হৈ থাকিব বিচাৰে। সেয়া তাপসীও উপলব্ধি নকৰাকৈ নেথাকে। গৱেষণাগাৰৰ পৰা উভতি আহি প্ৰায়েই দত্তই তাপসীক লৈ উদ্দেশ্যবিহীনভাৱে আমেৰিকাৰ ভিতৰুৱা গ্ৰামীণ অঞ্চল, ঐতিহাসিক চিহ্ন আদি চোৱাৰ বাবে ওলাই যায়। ইতিমধ্যে অসমৰ পৰা যোৱা প্ৰবাসী অসমীয়া সকলৰ কিছুমানৰ লগত ড° দত্তই তাপসীক চিনাকী কৰাই দিছে। এনেকৈয়ে ড° নিৰঞ্জন দত্তৰ যুগ্ম জীৱনে চাৰি মাহত ভৰি দিলে। লাহে লাহে তাপসী দত্তৰ দেহ-মনলৈ এক সজীৱতা আহিছে। ঠিক বহাগৰ প্ৰথমজাক বৰষুণৰ দৰে। ইতিমধ্যে তাপসী দত্তৰ দেহত নিৰঞ্জন দত্তৰ ঔৰষজাত সন্তানৰ ভ্ৰূণ প্ৰোথিত হৈছে। চিকিৎসকৰ দ্বাৰা সেয়া প্ৰমাণিত হৈছে। এক অনাবিল সুখৰ অনুভূতিৰে তাপসীৰ দেহ-মন ভৰি পৰিছে। মাতৃত্ব লাভৰ সেই চৰম মূহুৰ্তলৈ তেওঁ পল-পলকৈ অপেক্ষা কৰি মাজে মাজে শিহৰিত হৈ পৰিছে। কল্পনাৰ সাতৰঙী বৰ্ণচ্ছটাৰে তাপসী দত্তৰ মন আকাশ আজি যেন বৰ্ণময়!

আমেৰিকাৰ যিকেইটা ষ্টেমচেল গৱেষণা প্ৰতিষ্ঠান আছে তাৰ ভিতৰত ডেভিদ হপকিন্সৰ এই চানফ্ৰানচিচকো ষ্টেমচেল ৰিছাৰ্চ ইন্সটিটিউটৰ বিজ্ঞানী সকল ষ্টেমচেলৰ গৱেষণাৰ ক্ষেত্ৰত অধিক সাফল্য লাভ কৰিছে। ইয়াৰ কাৰণ যে ভাৰতীয় মূলৰ বিজ্ঞানী ড° নিৰঞ্জন দত্ত এয়া সকলোৱে বুজি উঠিছে। আমেৰিকাৰ জীৱবিজ্ঞানী সকলে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে ক্ৰমজ'মৰ জেনেটিক পাঠোদ্ধাৰ নাইবা সঠিক ডি.এন.এ.ৰ অনুক্ৰম সজোৱাত ড° নিৰঞ্জন দত্তৰ দৰে সিদ্ধহস্ত বিজ্ঞানী আমেৰিকাত নাই। সেইবাবে ড° হপকিন্সৰ গৱেষণাৰগাৰৰ সাফল্য অধিক। ড° দত্তই এই ক্ষেত্ৰত নিজৰ দক্ষতাক কাহানিও কাৰো ওচৰত জাহিৰ কৰা নাই। অৱশ্যে বহুতে ভবাৰ দৰে কথাবোৰ মিছাও নহয়। কিয়নো ড° দত্তই এক বিশেষ জেনেটিক প্ৰযুক্তি উদ্ভাৱনত সাফল্য লাভ কৰিছে লগতে ইয়াক সংগোপনে ব্যৱহাৰো কৰিছে। এয়া তেওঁ কাকো জানিবলৈ দিয়া নাই, আনকি ড° হপকিন্সও নেজানে। সেইদৰে মানৱ ভ্ৰূণৰ ব্লাচ্‌টোচিষ্ট অৱস্থাৰ বাহিৰেও অইন কিছুমান উৎসৰ পৰাও যে ষ্টেমচেল সংগ্ৰহ কৰিব পাৰি আৰু কাৰ্য্যক্ষম কৰিব পাৰি সেয়াও ড° দত্তই প্ৰমাণ কৰিছে। পিছে এয়া তেওঁ গোপনে ৰাখিছে। এই যে তেওঁ বহু প্ৰযুক্তি গোপনে ৰাখিছে এয়া নিত্যান্তই তেওঁৰ নিজৰ জন্মভূমিৰ বাবেই কৰিছে। নিজৰ দক্ষতা, মেধাৰ পৰা সৃষ্ট এনে প্ৰযুক্তি তেওঁ বিদেশীৰ হাতত তুলি দিব নিবিচাৰে।

দিনে দিনে ড° দত্তই তেওঁ সহকৰ্মী বিজ্ঞানী সকলৰ লগত গৱেষণাত অধিক ব্যস্ত হৈ পৰিছে। মানৱশৰীৰৰ কেইটামান দুৰাৰোগ্য ব্যাধিৰ নিৰাময়ৰ বাবে চলোৱা ষ্টেমচেলৰ গৱেষণাত ড° দত্ত আৰু তেওঁৰ সহকৰ্মী সকলে দুই তৃতীয়াংশ কাম আগবঢ়াই নিছে। এক সুনিশ্চিত সাফল্যৰ দিশে তেওঁলোক আগবাঢ়ি গৈছে। এই সাফল্যই ড° নিৰঞ্জন দত্তক হয়তো আনি দিব পাৰে নবেঁল পুৰস্কাৰৰ দৰে আৰ্ন্তজাতিক স্বীকৃতি। আজিকালি ড° দত্তই প্ৰায়েই ৰাতি বাৰ বজাৰ পিছত ঘৰ সোমায়। তাপসীয়ে কোনো আপত্তি কৰা নাই। কাৰণ স্বামীৰ সাফল্যত তেওঁৰো সুখী হ'ব বিচাৰে। কিন্তু হঠাৎ যেন সকলো ওলট-পালট হৈ গ'ল। ষ্টেমচেলৰ গৱেষণাৰ বাবে প্ৰয়োজনীয় মানৱ ভ্ৰূণ সংগ্ৰহ কৰাত বাধা আহি পৰিল। বাধা আহি পৰিল গৱেষণা কৰাতো। দেশৰ মানৱতাবাদী সংগঠন, গীৰ্জাসমূহৰ ধৰ্মযাজক সকলে দেশজুৰি ষ্টেমচেল গৱেষণা বিৰোধী আন্দোলন আৰম্ভ কৰিলে। ইনফাৰ্টিলিটি ক্লিনিক, এবোৰচন ক্লিনিক সমূহত এনে সংগঠন সমূহে ২৪ ঘন্টাই পহৰা দি থকা

বাবে ৩ মহীয়া মানৱ ভ্ৰূণ সংগ্ৰহ কৰাত বাধা আহি পৰিছে। এই সংগঠনবোৰে আনকি ড° ডেভিদ হপকিন্সৰ গৱেষণাগাৰৰ সমূখত ধৰ্ণা দিবলৈ আৰম্ভ কৰিছে। বাধ্য হৈ ড° হপকিন্সে গৱেষণা প্ৰতিষ্ঠানটো সাময়িকভাৱে বন্ধ ৰাখিল যদিও অতি গোপনে গৱেষণাৰ কাম চলাই থাকিল।

ড° দত্ত চৰম হতাশাৰে দিকভ্ৰান্ত হৈ পৰিল। এনে এক পৰিস্থিতিত গৱেষণাগাৰৰ মুখ্য গৱেষক বিজ্ঞানী তথা প্ৰতিষ্ঠানৰ মুৰব্বী ড° ডেভিদ হপকিন্সে ড° দত্তক এক আচহুৱা প্ৰস্তাৱ দিলে। ড° হপকিন্স এই গৱেষণা প্ৰতিষ্ঠানৰ অকল মুখ্য গৱেষকেই নহয় এই প্ৰতিষ্ঠানটোৰ এশ শতাংশৰ মালিকো। মানুহজনৰ প্ৰতিভা আৰু অৰ্থ দুয়োটাই আছে। কঠোৰ বাস্তৱবাদী আৰু কৰ্মযোগী মানুহজন অহংকাৰীও। মানুহজনৰ পূৰ্ব্ব পুৰুষ ইংলেণ্ডৰ পৰা আমেৰিকালৈ বুলি মে ফ্লাৱাৰ জাহাজেৰে বষ্টন বন্দৰত লংগৰ পেলোৱা প্ৰথম এংলো চেক্সন ইংৰাজৰ বংশধৰ বুলি তেওঁৰ এটা আত্ম গৌৰৱো থকা নহয়। ড° হপকিন্সে ড° দত্তলৈ আগবঢ়োৱা প্ৰস্তাৱটো আছিল অতি ভয়ংকৰ। স্তব্ধ হৈ গৈছিল নিৰঞ্জন দত্ত। অথচ কি সহজভাৱে ড° হপকিন্সে এনে এটা প্ৰস্তাৱ দিব পাৰিছে। ড° দত্তই হপকিন্সৰ মুখেৰে গম পালে যে তেওঁলোকৰ অইন এজন স্থানীয় সহযোগী বিজ্ঞানীয়ে তেনে এটা প্ৰস্তাৱ অনুসৰি কাম কৰিবলৈ প্ৰস্তুত হৈয়ে আছে। যদি ড° দত্তই প্ৰস্তাৱত সন্মতি নিদিয়ে ড° হপকিন্সে সিজন বিজ্ঞানীৰ সহযোগতে গৱেষণাৰ আধৰুৱা কামখিনি হয়তো কৰি পেলাব। পিছে গৱেষণাৰ সাফল্যৰ অংশীদাৰ তেতিয়া ড° দত্ত হ'ব নোৱাৰে। ইতিমধ্যেই ড° হপকিন্সে এই ষ্টেমচেলৰ গৱেষণাত এক বৃহৎ পৰিমাণৰ পুঁজি বিনিয়োগ কৰিছে। অতি গোপনীয়তাৰে হ'লেও এই গৱেষণা চলাই নিবলৈ তেওঁ বদ্ধ পৰিকৰ। ইয়াৰ বাবে ভালেখিনি ষ্টেমচেলৰ অতি প্ৰয়োজন। তাৰ বাবেই প্ৰয়োজন তিনিমহীয়া এটি মানৱ ভ্ৰূণ।

ইপ্সিত লক্ষ্যৰ ওচৰ পায়ো ড° নিৰঞ্জন দত্তই থমকি পিছুৱাব নুখুজিলে। জীৱনত বহু সংগ্ৰাম কৰি আজি তেওঁ এই সাফল্যৰ ওচৰ চাপিছে। তাপসী আৰু তেওঁৰ অলপ ত্যাগৰ বিনিময়ত সেই সাফল্যৰ বৈজয়ন্তী তেওঁৰ কণ্ঠগত হ'ব পাৰে। ড° দত্তই সেই নিশাই তাপসীক সেই ভয়ংকৰ প্ৰস্তাৱটো আগবঢ়ালে। ক্ৰুদ্ধ বাঘিনীৰ দৰে গৰ্জি উঠিছিল তাপসীয়ে। তাপসীৰ এনে ৰূপ নিৰঞ্জন দত্তই প্ৰথম দেখিলে। দত্তই কিছু পৰিমাণে আহত হ'ল যদিও হতাশ নহৈ তাপসীক বুজাই বঢ়াই সন্মত কৰিবলৈ যত্ন কৰিলে। দুগুণ ক্ষোভেৰে তাপসী চিঞৰি উঠিছিল। তাপসীৰ স্পষ্ট কথা- কোনোপধ্যেই তেওঁ তেওঁৰ গৰ্ভত সযতনে লালিত পালিত হোৱা সেই তিনিমহীয়া ভ্ৰূণটো গৰ্ভপাত কৰিব দিব নোৱাৰে। ড° নিৰঞ্জন দত্তৰ প্ৰতি তীব্ৰ ঘৃণাত তাপসীৰ অন্তৰ ভৰি পৰিল। নিৰঞ্জন দত্তই কেনেকৈ ভাবিব পাৰিলে যে নিজৰ ঔৰষজাত সেই চন্দ্ৰকলাৰ দৰে বাঢ়ি অহা তাপসীৰ গৰ্ভস্থ সন্তানটোৰ ভ্ৰূণৰ গৰ্ভপাত কৰাই গৱেষণাৰ বাবে প্ৰয়োজনীয় ষ্টেমচেল সংগ্ৰহ কৰিব ! আৰু এনেদৰে অসমাপ্ত গৱেষণা সম্পূৰ্ণ কৰি ড° দত্তই আজুৰি আনিব বিচাৰিছে নোঁবেল পুৰস্কাৰৰ দৰে আৰ্ন্তজাতিক সন্মান, যশস্যা ! নিৰঞ্জন দত্তৰ এনে নৈতিক অধঃপতন তাপসীৰ বাবে সপোনোৰো অগোচৰ আছিল। তাপসীয়ে আৰু একমুহূৰ্তও যেন এই দেশত আৰু নাথাকিব। তথাকথিত সাফল্য আৰু আৰ্ন্তজাতিক স্বীকৃতিৰ বাবে নিৰঞ্জন দত্তই যিকোনো কামেই হয়তো কৰি পেলাব পাৰে। হয়তো অসতৰ্ক মুহূৰ্তত তাপসীক অচেতন কৰি চিকিৎসকৰ হতুৱাই গোপনে গৰ্ভপাত কৰাব পাৰে। ভাবি ভাবি তাপসী দত্ত ক্ৰমে আতংকিত হৈ পৰিল। ৰাতিপুৱালত তাপসীয়ে এটা চৰম সিদ্ধান্ত লৈ পেলালে। ড° দত্তৰ সমুখতে নিজৰ প্ৰয়োজনীয় কাপোৰ আৰু সৰু-সুৰা দুই এপদ এটা বেগত ভৰাই নাতিদূৰৈত থকা চাল্তাক্লাৰা বিমান বন্দৰৰ পৰা ভাৰত অভিমুখী বিমানেৰে দুপৰীয়া ২ বজাত কলিকতা আৰু পিছত গুৱাহাটী পালেগৈ। নিৰঞ্জন দত্তই তাপসীক সামান্য বাধাও দিব নোৱাৰিলে। তাপসীৰ এনে সিদ্ধান্ত নিৰঞ্জন দত্তৰ বাবে অভাৱনীয় আছিল। তথাপিও দত্তই তাপসীক বাধা নিদিলে। নিৰঞ্জন দত্তৰ চাৰিমহীয়া সুখৰ সংসাৰখন তাচপাতৰ ঘৰৰ দৰে ভাঙি পৰিল। দুদিন নিৰঞ্জন দত্তই নিজৰ ঘৰতে স্বেচ্ছা বন্দীত্বৰে কটাই দিলে। তৃতীয় দিনাখন ড° দত্তই তেওঁৰ পত্নী





ভাৰতলৈ উভতি যোৱা খবৰটো ড° হপকিন্স জনাই দিলে। গতিকে ড° হপকিন্সেও তেওঁৰ চূড়ান্ত সিদ্ধান্তটো ড° দত্তক জনাই দিবলৈ বাধ্য হ'ল। তেওঁৰ গৱেষণাগাৰৰ সেই সহযোগী বিজ্ঞানীজনে তেওঁৰ গৰ্ভৱতী স্ত্ৰীৰ গৰ্ভপাত কৰাই তিনিমহীয়া ভ্ৰূণটো ষ্টেমচেলৰ আধৰুৱা গৱেষণাৰ বাবে দিবলৈ সন্মতি প্ৰকাশ কৰিছে। ড° হপকিন্সেও সেই বিজ্ঞানীজনকে সহযোগী মুখ্য গৱেষক পদলৈ উন্নীত কৰিব লাগিব। এনেদৰে গৱেষণাৰ সাফল্যৰ অংশীদাৰ হ'ব সেই বিজ্ঞানীজন। ড° দত্ত হ'ব নোৱাৰে। ড° হপকিন্সে অৱশ্যে দত্তক এজন সহযোগী বিজ্ঞানী হিচাবে গৱেষণাগাৰলৈ পুনৰ আমন্ত্ৰণ কৰিলে। অপমানিত ড° দত্তই সেই প্ৰস্তাৱ প্ৰত্যাখান কৰিলে। আনকি ড° হপকিন্সৰ গৱেষণাগাৰলৈ যোৱা বন্ধ কৰি নিজৰ ঘৰতে সোমাই থাকিল। তাপসীয়ে তেওঁৰ ওচৰৰ পৰা আতৰি যোৱাৰ পিছত ড° দত্তই চাৰিওফালে যেন অন্ধকাৰ দেখিলে। তাপসীৰ অনুপস্থিতিত ঘৰখনৰ বিশৃংখলতা দিনে দিনে বাঢ়ি গৈছে। অযত্ন পালিত দাড়ি, চুলি, বেশভূষাৰে দত্তক নিজকে এজন প্ৰাগ-ঐতিহাসিক মানুহ যেন লগা হ'ল। এনে এক শূন্যতাৰ অনুভৱৰ মাজেৰে ড° দত্তই নিজৰ জন্মভূমি লৈ উভতি যোৱাৰ সিদ্ধান্ত ল'লে। তেওঁ ভাৰতলৈ, নিজৰ জন্মভূমি অসম খনলৈ পুনৰ গুচি আহিব। তাপসী দত্তৰ ওচৰত এক নতুন মানুহৰূপে থিয় দিব, জীৱনটো নতুনকৈ আৰম্ভ কৰিব। তেওঁৰ নিচিনা এজন বিখ্যাত বিজ্ঞানীৰ বাবে নিজৰ দেশখনৰ বাবে বহু কৰিবলগীয়া আছে। ইতিমধ্যে ড° নিৰঞ্জন দত্তই ড° হপকিন্সৰ অত্যাধুনিক গৱেষণাগাৰ বহুতো জৈৱ প্ৰযুক্তিৰ কৌশল নিজস্বভাৱে আয়ত্ব কৰি পেলাইছিল। নিজৰ দেশলৈ গৈ পুনৰ ষ্টেমচেলৰ গৱেষণা আৰম্ভ কৰিব যদিও ভ্ৰূণহত্যাৰ দৰে অমানৱীয় কাৰ্য্যৰ গৱেষণা নকৰে। ইয়াত গৱেষণা কৰি থকা সময়তে আন এবিধ অতি গুৰুত্বপূৰ্ণ ষ্টেমচেলৰ উৎসৰ সন্ধান পাইছিল দত্তই। এই উৎস হ'ল গৰ্ভস্থ সন্তান আৰু মাতৃৰ মাজৰ সংযোগকাৰী নাভিৰত ৰজ্জু এডাল ইংৰাজী যাক আমবাইলিকেল কৰ্ড বোলা হয়। গৰ্ভস্থ সন্তানে মাতৃৰ পৰা এই নাভিৰত ৰজ্জুৰে প্ৰয়োজনীয় খাদ্য আৰু অক্সিজেন গ্ৰহণ কৰে। গতিকে নৱজাতক এটি ভূমিস্থ হোৱাৰ পিছত নাভিৰত ৰজ্জুডাল অপ্ৰয়োজনীয় হৈ পৰে আৰু চিকিৎসকে সেইডাল কাটি পেলায়। এনে নাভিৰত ৰজ্জুতে পোৱা যায় কিছুমান গুৰুত্বপুৰ্ণ ষ্টেমকোষ। ইয়াৰ সহায়ত লিউকেমিয়া, লিম্ফ'মাকে ধৰি প্ৰায় ৬০ বিধমান দুৰাৰোগ্য ৰোগৰ পৰা আৰোগ্য লাভ কৰিব পাৰি। ইয়াৰ লগত জড়িত সকলো জিনীয় প্ৰযুক্তি নিৰঞ্জন দত্তৰ নখদৰ্পনত। তেওঁৰ দেশৰ কিমান মানুহে যে উপযুক্ত চিকিৎসাৰ অভাৱত অকাল মৃত্যু সাৱটি ল'ব লগা হৈছে নাইবা এনেদৰে নিজৰ আশা, সপোন আদি মৰহি গৈছে। তেওঁৰ নিচিনা বিজ্ঞানী এজনৰ জন্মভূমিৰ মানুহৰ হিতৰ বাবে বহু কৰণীয় আছে। দুমাহ আগতে ভাৰতৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে আমেৰিকা ভ্ৰমণলৈ আহোতে প্ৰৱাসী ভাৰতীয় সকলৰ সভা এখনত মিলিত হোৱা ভাৰতীয় মূলৰ বিজ্ঞানী সকলক নিজৰ জন্মভূমিলৈ প্ৰত্যাৱৰ্তন কৰাৰ আহবান ৰাখিছিল। সেই সভাত ড° নিৰঞ্জন দত্তও আছিল। প্ৰধানমন্ত্ৰী জনাই আনকি বিশেষভাৱে ড° দত্ত আৰু অইন দুজন ভাৰতীয় বিজ্ঞানীৰ লগত আলোচনাত মিলিত হৈছিল। ড° দত্তই এইবাৰ নিজৰ জন্মভূমিলৈ উভতি যোৱাৰ বাবে নিজকে সাজু কৰি তুলিলে। পদুলিমূখত থকা বিশাল জ্যাকাৰণ্ডা জোপাৰ ৰাশি ৰাশি বেঙুনীয়া ফুলবোৰৰ পিনে ড° দত্তই এবাৰ নয়ন ভৰি চালে। কোনোদিনে জ্যাকাৰাণ্ডাৰ জোপাৰ পিনে চাবলৈ আহৰি নোপোৱা ড° নিৰঞ্জন দত্তই যেন আজি এক নতুন মানসিক শক্তি লাভ কৰিলে।

# নৰকান্ত বৰুৱাৰ ‘পলস’ ঃ এক বীক্ষণ

ড° নিতু চহৰীয়া
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

আধুনিক অসমীয়া কবিতাৰ ভগীৰথ নামে খ্যাত কলংপৰীয়া কবি নৱকান্ত বৰুৱাৰ কবিতাত আধুনিক অসমীয়া কাব্য আন্দোলনে চৰম শিখৰত আৰোহণ কৰে। যোৱা শতিকাৰ চল্লিশৰ দশকত ‘জয়ন্তী’ ৰ পাতত কাব্য জীৱনৰ শুভাৰম্ভ কৰা এইজনা কবিয়ে মৃত্যুৰ আগলৈকে অবিৰত সাধনাৰে অসমীয়া কবিতাক যথাৰ্থ আধুনিক ৰূপ প্ৰদান কৰাত ব্ৰতী হৈ ৰৈছিল। ভাৱ আৰু ভাষাৰ অপূৰ্ব সমাহাৰ, আংগিক আৰু বিষয়বস্তুৰ অভিনৱত্ব, বৈচিত্ৰ্যপূৰ্ণ প্ৰকাশভংগী, অৰ্থঘন শব্দ প্ৰয়োগৰ দক্ষতা আদি আছিল এই গৰাকী কবিৰ সৃষ্টিকৰ্মৰ প্ৰধান বৈশিষ্ট্য। গভীৰ ইতিহাস চেতনা, বচনভংগীৰ মৌলিকতা আৰু তাৰ মাজত নিহিত হৈ থকা সাহিত্যিক প্ৰমূল্য ইত্যাদি বৈশিষ্ট্যৰ সমাহাৰে তেওঁক আধুনিক অসমীয়া কাব্য পৰম্পৰাত এগৰাকী দিগদৰ্শী কবি হিচাপে চিহ্নিত কৰিছে।

ইং ১৯৫১ চনত নৱকান্ত বৰুৱাৰ প্ৰথম কাব্যপুথি ‘হে অৰণ্য হে মহানগৰ’ প্ৰকাশ পোৱাৰ লগে লগে অসমীয়া কাব্য প্ৰৱাহৰ সুঁতি সলনি হয়। ইয়াৰ পাছত তেওঁ আৰু পাছলৈ ঘূৰি চাবলগীয়া হোৱা নাই। পৰৱৰ্তী সময়ত এই গৰাকী প্ৰতিভাৱান কবিৰ কেইবাখনো কাব্য সংকলন প্ৰকাশ পায়। সেই কেইখন হ’ল ক্ৰমে ‘এটি দুটি এঘাৰটি তৰা’ (১৯৫৮), ‘যতি আৰু কেইটামান স্কেচ্ছ’ (১৯৬০), ‘সম্ৰাট’ (১৯৬২), ‘ৰাৱণ’ (১৯৬৩), ‘মোৰ আৰু পৃথিৱীৰ’ (১৯৭০), ৰত্নাকৰ আৰু অন্যান্য কবিতা (১৯৮৩), এক স্বচ্ছ মুখাৰে (১৯৯০), সূৰ্যমুখীৰ অংগীকাৰ (১৯৯০), নৱকান্ত বৰুৱাৰ কবিতাৱলী (১৯৯৮), ‘ৰাতি জিলিমিল তৰা জিলমিল’ (১৯৯৯) আৰু দলঙত তামীঘৰা (২০০০)। তেওঁৰ এই আটাইকেইখন কাব্য সংকলনৰ মাজেদি ফুটি উঠিছে ব্যক্তিগত আৰু সমষ্টিগত মানৱীয় জিজ্ঞাসাৰ অনবদ্য ৰূপ।

আধুনিক অসমীয়া কাব্যৰ পথাৰত বিভিন্ন পৰীক্ষা নিৰীক্ষাৰে নতুনত্বৰ কঠীয়া সিচঁা নৱকান্ত বৰুৱা প্ৰকৃততেই মাটি আৰু মানুহৰ কবি। জীৱনৰ প্ৰতি তেওঁৰ মোহ অপৰিসীম। পৃথিৱীৰ মানুহৰ দুখ, কষ্ট সহানুভূতিশীল অন্তৰেৰে উপলব্ধি কৰাৰ পিছতো পৃথিৱীক তেওঁ ভাল পায়। যুক্তি, তৰ্ক, জ্ঞান বিজ্ঞানৰ মজিয়াত ভৰি নিদিয়াকৈ জীৱনক তেওঁ গ্ৰহণ কৰিছে। আধুনিক সভ্যতাৰ প্ৰতি ঘৃণাৰ উগ্ৰতা তেওঁৰ কবিতাৰ পাতত লক্ষ্য কৰিবলগীয়া দিশ। নৱকান্ত বৰুৱা কাল চেতনাৰ কবি। যুগ পৰিৱৰ্তনৰ তথা সময় প্ৰৱাহৰ অভিজ্ঞতাই হ’ল তেওঁৰ কবিতাৰ হৃৎপিণ্ড। তেওঁৰ পূৰ্ঠ সৃষ্টিৰ অন্তৰালত ৰবীন্দ্ৰনাথ, এলিয়ট আৰু খলিল জিব্ৰানৰ প্ৰভাৱে সততে ক্ৰিয়া কৰা দেখিবলৈ পোৱা যায়। অৱশ্যে দেশ, বিদেশৰ বহু কবিৰ চিন্তা আৰু প্ৰতিভাই তেওঁক প্ৰভাৱিত কৰিলেও নিজৰ দেশৰ মাটি পানী বায়ুৱেও যে তেওঁক নিত্য নতুন কবিতা লিখাত উদ্দীপনা যোগাইছিল সেয়া ধুৰূপ। সভ্যতাৰ সংকট, নগৰ কেন্দ্ৰিক যান্ত্ৰিক সভ্যতাই দিয়া যন্ত্ৰণা, বিচ্ছিন্নতাবোধ, মানৱতাৰ উত্থান তেওঁৰ কবিতাৰ কেন্দ্ৰীভূত বিষয়। প্ৰতীক আৰু চিত্ৰকল্পৰ সুন্দৰ প্ৰয়োগৰে মনৰ অনুভৱক তেওঁ যথাৰ্থ ৰূপত চিত্ৰিত কৰিছে। বুদ্ধিনিষ্ঠতাৰ দিশেৰে নৱকান্ত বৰুৱাৰ কবিতাৰ গভীৰতা প্ৰশংসনীয়। তেওঁৰ কবিতাত অনুভূতিৰ গাম্ভীৰ্যতা উপলব্ধি কৰি শৈলেন ভৰালী দেৱে কৈছে- “পুঁজিবাদী সভ্যতাৰ ফলস্বৰূপে জনসাধাৰণৰ জীৱনলৈ যি নিৰাপত্তা বিহীনতা আহিছে তাৰ উপলব্ধি তেওঁৰ কবিতাত ফুটি উঠিছে। নিষ্পেষিত জনসাধাৰণৰ জীৱন যন্ত্ৰণাত কবিৰ মানসিক প্ৰতিক্ৰিয়া সুন্দৰ আৰু সংযতভাৱে প্ৰতিফলিত হৈছে। হৃদয়ৰ বিশ্বাস নাইকিয়া হোৱাত, প্ৰাচীন মূল্যবোধৰ বিলুপ্তি ঘটাত কবিয়ে খেদ কৰিছে।” সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ বাবে বাহ্যিক কোনো মানৱীয় প্ৰচেষ্টাত তেওঁৰ সহানুভূতি নাই। মানুহৰ অন্তৰৰ প্ৰেম, শান্তি আৰু কল্যাণকামী চিন্তাৰ শুভ বুদ্ধিয়েহে মানুহক নতুন সমাজ গঢ়াত সহায় কৰিব পাৰে বুলি তেওঁ ভাবে।

মানুহৰ লগত মানুহৰ সম্পৰ্কক বোধ আৰু বুদ্ধিৰ আলোকত নতুন দৃষ্টিৰে চাব পৰা বিৰল কাব্যিক প্ৰতিভাৰ অধিকাৰী নৱকান্ত বৰুৱাৰ ‘পলস’ আধুনিক অসমীয়া কবিতাৰ বুৰঞ্জীত বৌদ্ধিক চিন্তাৰ উৎকৃষ্ট ফচল। চতুৰ্দশ পদী কবিতাৰ আৰ্হিত ৰচিত ‘পলস’ত পোনপটীয়া উক্তি আৰু প্ৰতীকী ভাষাৰ সমন্বয় সাধন হৈছে। সেয়ে কবিতাটিৰ ভাৱৰ পৰিমণ্ডল জটিল আৰু ব্যঞ্জনাময়। কবিয়ে তিনিটা চুটি স্তৱকৰ জৰিয়তে কবিতাটিত জীৱনৰ গতি প্ৰবাহৰ লগতে সময়ৰ চিৰন্তন প্ৰবাহৰ এটি অনুভৱী মূল্যায়ন কৰিবলৈ প্ৰয়াস কৰিছে। কবিৰ মতে মানুহৰ চিন্তা-চৰ্চাৰ উৰ্বৰতাই মানুহৰ কৃষ্টি সভ্যতা সংস্কৃতি সমৃদ্ধ কৰে। কবিতাটিত কেতবোৰ বলিষ্ঠ চিত্ৰৰ যোগেদি অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰজন্মৰ সংযোগ দেখুওৱা হৈছে। মানুহ এই পৃথিৱীলৈ আহে আৰু বৰ্তমানৰ বা আধুনিক যুগৰ মানুহ বুলি নিজ কৰ্মত প্ৰবৃত্ত হয়। কিন্তু সেই মানুহৰ মৃত্যুৰ পিছত তেওঁলোক হৈ পৰে অতীত। বৰ্তমানৰ শাৰী পূৰায় নতুন পুৰুষে। কিন্তু অতীত হৈ যোৱা মানুহে নিজ কৰ্ম সংস্কৃতি চিন্তন মননেৰে বৰ্তমানৰ পুৰুষক অনুপ্ৰাণিত কৰিব পাৰে। বৰ্তমানৰ পুৰুষেও নিজ কৰ্ম সংস্কৃতিৰে ভৱিষ্যতৰ মানুহৰ মাজত জীয়াই থাকে। অতীতৰ সফলতাৰ ওপৰতে বৰ্তমানৰ সফলতা বহুখিনি নিৰ্ভৰশীল। কবিয়ে আশা কৰে বৰ্তমান পুৰুষৰ চিন্তা চৰ্চাই আমাৰ সভ্যতা সংস্কৃতিক অধিক পুষ্ট কৰাত অৰিহণা যোগাব। কবিয়ে তেওঁৰ মনৰ মাজত উদ্ভাসি উঠা তিনিটা ভাব ‘পলস’ কবিতাটিৰ তিনিটা স্তৱকৰ মাজেৰে প্ৰকাশ কৰিছে।

প্ৰথম স্তৱকটোত বুদ্ধিদীপ্ত অনুভৱেৰে কবিয়ে অতীত ঐতিহ্যৰ স্মৃতি বিজড়িত ইতিহাস কাব্যিক অভিব্যঞ্জনাৰে প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে। অতীত স্মৃতি ৰোমন্থন কৰি কবিয়ে তাৰ মাজত সংঘাত, সংশয়, যুগ চেতনাৰ দ্বন্দ্ব প্ৰকাশ হোৱা বুলি অনুভৱ কৰা নাই। মানৱ দিনৰ শংকাময় ধুমুহা যেন আজি সৰি নোহোৱা হৈ গৈছে। স্তৱকটিৰ আৰম্ভণিতে সেয়ে ‘পলাশৰ জুই নুমাল এতিয়া’ বুলি কবিয়ে এটা যুগৰ অন্ত হোৱাৰ ইংগিত দিছে। কিন্তু এটা যুগৰ অৱসানৰ কোনো হিচাপ নিকাচ যেন কোনেও কৰা নাই আৰু হয়তো কবিয়ে তাৰ প্ৰয়োজনীয়তাও অনুভৱ কৰা নাই। কিন্তু কবিৰ মানস পটত অসমৰ অতীত ঐতিহ্যৰ সোঁৱৰণ বাণী যেন চিৰপ্ৰৱাহমান আৰু এই বাণী দেশৰ বুকুত প্ৰবাহিত কলং, কপিলী আৰু দিজুৰ পাৰত এতিয়াও লুকাই আছে ঐতিহ্যৰ বাহক হিচাপে। বুঢ়ী আইতাৰ জীৱনবোধ, জ্ঞান, প্ৰজ্ঞা আৰু আন্তৰিক মানৱীয় সৌন্দৰ্যই যেন গজাই তুলিছে ‘বন নহৰুৰ ফুল’। যাক পূৰ্বপুৰুষে উত্তৰ পুৰুষৰ বাবে এৰি থৈ যোৱা আদৰ্শ আৰু ঐতিহ্যৰ লগত তুলনা কৰিব পাৰি। কবিয়ে এনেদৰে সময়ৰ অতীত ঐতিহ্য, তাৰ বাস্তৱ পটভূমি সোঁৱৰণ কৰি জীৱনৰ অতীত স্মৃতিৰ এটি মধুময় সোঁৱৰণী প্ৰকাশ কৰিছে। সময়ে তাৰ সোঁত প্ৰবাহত পেলাই সকলোকে বিনাশ কৰে আৰু সময়ৰ সেই বিনাশী ঐতিহ্যৰ প্ৰকাশ ঘটিছে এই স্তৱকটিত। মানুহ যে কালৰ সোঁতত বিলীয়মান সেই কথাটি এই স্তৱকটিৰ জৰিয়তে ব্যঞ্জিত হৈছে।

দ্বিতীয় স্তৱকটিত কাব্যিক ভাষাৰে কবিয়ে বাস্তৱতাৰ উপলব্ধি আগবঢ়াবলৈ যত্ন কৰিছে। কবিৰ দৃষ্টিত ডাৱৰ সময়ৰ বাৰ্তাদূত। মানৱ কল্যাণৰ হেতু জীৱন উৎসৰ্গ কৰাই হ’ল সময়ৰ আহ্বান। সেই আহ্বানৰ আধাৰশিলাত নিহিত হৈছে গভীৰ কল্যাণবোধ আৰু জ্ঞানৰ জন্মৰ ইংগিতময়তা। কবিৰ চিন্তাত মানুহে নিজ কৰ্মপ্ৰেৰণাৰে আলিৰ কাষত গছপুলি ৰুই অইন মানুহৰ বাবে ৰ’দৰ তাপ আঁতৰাই শান্তি আৰু শীতলতা কঢ়িয়াই অনা- অৰ্থাৎ মানৱীয় কল্যাণৰ বাবে নিজৰ জীৱনৰ সাধনা সম্পদ নিয়োজিত কৰাতেই যেন বাস্তৱৰ সাত্ত্বিক মূল্য নিহিত হৈ আছে। তেনেদৰে

*এটা হাইস্কুল* খোলা'- এই ব্যঞ্জনাৰে জ্ঞানৰ প্ৰয়োজনীয়তাৰ উপলব্ধি ব্যঞ্জিত হৈছে। মানুহৰ কল্যাণৰ বাটত জ্ঞান বা প্ৰজ্ঞাৰ মূল্য অথবা দুয়োটিৰ মাজত থকা আন্তৰিক সম্পৰ্ক ইয়াৰ মাজেৰে অনুৰণনিত হৈছে। জীৱন, অসাৰতা, নিৰ্জীবতা আৰু প্ৰাণহীনতাৰ সমষ্টি কেতিয়াও হ'ব নোৱাৰে। জীৱনৰ বাস্তৱতাৰ সুৰঙা ভেদি প্ৰকাশিত হোৱা মানৱতাপ্ৰেমী কৰ্মই 'মৰা মকৰাৰ খোলা' উটি যোৱাৰ দৰে জীৱনৰ অসাৰতা, জড়তা আঁতৰাই নিয়ক আৰু সাৰুৱা চিন্তা তথা কৰ্মই মানুহৰ সভ্যতা সংস্কৃতিক পুষ্ট কৰি তোলক সেয়া কবিৰ প্ৰত্যাশা। অৰ্থাৎ যি কলঙৰ পাৰত ককাদেউতাৰ হাড় আৰু আইতাৰ কলিজাৰে 'বন নহৰুৰ ফুল' গজি আছে সেই কলঙৰ পাৰ সাৰুৱা কৰ্মৰ পলসে অধিক সাৰুৱা কৰক— এই চিন্তা ধাৰাৰেই কাব্যিক প্ৰকাশ ঘটিছে এই স্তৱকটিত।

তৃতীয় স্তৱকটিৰ কথা কবিৰ বিশ্বাস সম্ভূত য'ত আছে সময়ৰ ভৱিষ্যতৰ এক ইংগিতময় ব্যঞ্জনা। 'নাতি' এই প্ৰতীকময় শব্দটোৰে ভৱিষ্যত পুৰুষৰ আৰু 'নতুন পাম' এই অৰ্থবোধক শব্দটোৰে ভৱিষ্যত কৰ্মৰ আভাস দিবলৈ যত্ন কৰা যেন লাগে। কবিয়ে ভাৱে ভৱিষ্যত পুৰুষৰ কৰ্মই কবিৰ বাস্তৱ জীৱনৰ কৰ্মক সোঁৱৰণ কৰিব আৰু তাৰ জৰিয়তে বৰ্তমান সময়ৰ কৰ্মই ভৱিষ্যতে আকৌ যেন সাৰপাই উঠিব। অৱশ্যে সেই কৰ্মক ভৱিষ্যত পুৰুষে কেনেভাৱে গ্ৰহণ কৰে সেই সম্পৰ্কত কবিৰ মনত সন্দেহো নথকা নহয়— "সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত জাতিস্মৰৰ হাঁহি উঠা সাধু।" সেয়া হ'লেও কবিয়ে বাস্তৱৰ মাজেৰে জীৱন আৰু সময়ক একেখন তুলাচনীত মূল্যায়ন কৰি তাৰ মাজেৰে মানৱৰ ভৱিষ্যত নিৰ্ণয় কৰাৰ পথ সুগম কৰিবলৈ বিচাৰে। মুঠতে, 'পলস' কবিতাটোৰ মাজেৰে কবিয়ে প্ৰকাশ কৰিব খোজা মূল ভাৱটো হ'ল— 'পুৰযানুক্ৰমে চলি অহা জীৱনৰ এক নিৰিৱচ্ছিন্ন ধাৰাৰ উপলব্ধি। পূৰ্বপুৰুষে পেলাই থৈ যোৱা পলসৰ ওপৰতে উত্তৰ পুৰুষৰ সাৰুৱা জীৱনে গঢ় লয়। এইদৰেই আজিৰ পুৰুষ জীয়াই থাকিব পৰৱৰ্তী পুৰুষৰ মাজত।

আধুনিক অসমীয়া কবিতাৰ কাব্যঘৰত নৱকান্ত বৰুৱাৰ এটি আছুতীয়া কোঠাত সুকীয়াকৈ ৰাখিব লাগিব। জটিল জীৱনৰ যন্ত্ৰণাৰ ছবি, মানৱতাবোধ, সামাজিক সমস্যাৰ প্ৰতিচ্ছবি, প্ৰেম, মৃত্যু চেতনা তেওঁৰ কবিতাত প্ৰকাশ পাইছে সঁচা, কিন্তু ৰোমান্টিক ধ্যান, ধাৰণা আৰু আদৰ্শৰ সোঁতৰ মাজত সেইবোৰ প্ৰমূল্য গভীৰভাৱে বিদ্যমান। প্ৰাচীন প্ৰজ্ঞা হেৰাই যোৱাত, পুৰণি মূল্যবোধৰ অনুপস্থিতিত হৃদয়ৰ সঁচা মৰমৰ অভাৱত আধুনিক দ্বন্দ্ব মিশ্ৰিত অন্তৰেৰে সেই সংকীৰ্ণতা আঁতৰাবলৈ এখন বহল আকাশ তেওঁ বিচাৰিছে। সেয়েহে নৱকান্ত বৰুৱাৰ কবিতাৰ সামগ্ৰিক দিশ বিশ্লেষণ কৰি ড° হীৰেণ গোঁহাইয়ে এনেদৰে কৈছে— "আধুনিক অসমীয়া কবি সকলৰ ভিতৰত কেৱল নৱকান্ত বৰুৱাৰ কাব্যতে প্ৰথমৰ পৰা সন্ধানী বুদ্ধি আৰু সজাগ যুগচেতনা দেখা যায়— যি যুগ চেতনা যথাৰ্থতে কাব্যিক, কাৰণ প্ৰচলিত মতবাদৰ নিৰ্দেশ অনুসাৰে নগৈ বিশুদ্ধ সংবেদনৰ পৰিশ্ৰমত সি নিমগ্ন। সেয়ে তেওঁৰ হৃদয়ৰ মূল্য আমাৰ ওপৰত বেছি। আধুনিক সমাজ আৰু সভ্যতাৰ বা বতাহত গঢ়ি উঠা আধুনিক মানৱ প্ৰাণৰ নাড়ীজ্ঞান এই হৃদয়ৰ স্পন্দনৰ যোগেদি সম্ভৱ। আমাৰ বিপত্তিৰ ৰূপ আৰু অনুভৱনীয় অভিজ্ঞতা আৰু অন্তৰংগ হৈ উঠিব পাৰে এনে কবি মনৰ সহযোগত। এই বিপত্তিৰ প্ৰতি মানৱ হৃদয়ৰ সকলো সঁহাৰি মানৱীয় ঐতিহ্যৰ সকলো উদঘাটন কৰিব পাৰে এনে কবিৰ অন্বেযনে।

'পলস' নৱকান্ত বৰুৱাৰ এটি বৌদ্ধিক চিন্তাধাৰাৰ কবিতা। কবিতাটো বিশেষ ভাব গধুৰ। প্ৰকাশভংগীত প্ৰাঞ্জলতা থাকিলেও ভাৱৰ গাম্ভীৰ্য আৰু চিন্তাৰ ব্যঞ্জনাই কবিতাটিক জটিল কৰি তুলিছে। ভাৱৰ দিশত কবিতাটিত কিছু জটিলতা থাকিলেও কবিৰ প্ৰকাশভঙ্গী বিশেষ চিন্তাকৰ্ষক। নৱকান্ত বৰুৱাৰ কবিতাক বিশেষভাৱে আকৰ্ষণীয় কৰি তোলে প্ৰকাশভঙ্গীৰ সৰল অথচ মোহনীয় ৰূপে। উদাহৰণ স্বৰূপ..........

"কলং কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়
বুঢ়ী আইতাৰ কলিজাৰে গজে-বন নহৰুৰ ফুল।"





নাটিকায় কথন ভংগীয়ে কবিতাটিক অধিক আকৰ্ষণীয় আৰু মনোহৰ কৰি তুলিছে—

"ডাৱৰে কি ক'লে ঃ দিয়া আৰু দিয়া, নিঃশেষকৈ দিয়া,
আলিৰ কাণত গছপুলি ৰোৱা, এটা হাইস্কুল খোলা।"

কবিতাটিত এটি গভীৰ আশাবাদ প্ৰকাশিত হৈছে 'বাস্তৱ জীৱন কৰ্মৰ আধাৰত ভৱিষ্যত পুৰুষৰ বাবে ব্যঞ্জিত হৈছে সেই আশাৰ সোণালী ফচল।

"আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত
আমি সাৰ পাম। সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত
জাতিস্মৰৰ হাঁহি উঠা সাধু।"

নৱকান্ত বৰুৱাৰ কবিতাত ভাৱতকৈ প্ৰকাশ ভংগী আৰু ৰচনা কৌশলহে মন কৰিবলগীয়া। অসমীয়া কবিতাৰ আংগিকত আধুনিকতাৰ সঞ্চাৰ কৰাত নৱকান্ত বৰুৱাৰ অৱদান উল্লেখযোগ্য। আংগিকৰ নতুন নতুন পৰীক্ষা আৰু বিষয়বস্তুৰ অগতানুগতিকতা নৱকান্ত বৰুৱাৰ সফলতাৰ অন্যতম কাৰণ। মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ ব্যৱহাৰ, শব্দ প্ৰয়োগৰ বিচিত্ৰতা আৰু নমনীয়তা, গীতিধৰ্মী সংহত অথচ সৰল ভাষাই তেওঁৰ কবিতাক গতি আৰু বৈচিত্ৰ্য দান কৰিছে। 'পলস' কবিতাটিত নৱকান্ত বৰুৱাৰ আংগিকৰ সৰলতা আৰু ভাৱৰ দীপ্তি সুন্দৰ ৰূপত প্ৰকাশিত হৈছে। 'পলস' আধুনিক অসমীয়া কবিতাৰ কাব্যঘৰত এটি বুদ্ধিদীপ্ত সাৰ্থক কবিতা।

## মহৎ লোকৰ বাণী

১। নোপোৱাটোত অসন্তোষ নহবা আৰু পোৱাটোত অহংকাৰ নকৰিবা। —**কোৰাণ।**

২। উৎকৃষ্টজনে নিন্দে নিজক, নিকৃষ্টজনে নিন্দে আনক। — **কনফুচিয়াচ।**

৩। বহু কথা জনাকেই জ্ঞানী নোবোলে। জনা কথাক যথাযথ প্ৰয়োগ কৰিব পৰা জনহে জ্ঞানী। -**লেনিন।**

৪। প্ৰতি বছৰে এটাকৈ বেয়া অভ্যাস আঁতৰাই গ'লে এজন বেয়া স্বভাৱৰ মানুহো এসময়ত সৎ হৈ উঠিব। —**বেঞ্জামিন ফ্ৰেংকলিন।**

৫। পৰক আপোন কৰিবলৈ প্ৰতিভাৰ প্ৰয়োজন। — **ৰবীন্দ্ৰনাথ ঠাকুৰ।**

৬। দেশৰ হকে প্ৰাণ দিম, কিন্তু কাৰো অন্তৰত আঘাত নিদিম। — **মহাত্মা গান্ধী।**

৭। প্ৰেম জয় কৰা আৰু তাৰে শাসন কৰা। — **যীশুখৃষ্ট।**

৮। পৃথিৱীত আটাইতকৈ বেয়া কাম হ'ল আনৰ সুনাম নষ্ট কৰা। — **ৰাধাকৃষ্ণণ।**

৯। শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি। — **চক্ৰেটিছ।**

# প্ৰযুক্তি আৰু মানৱতাৰ প্ৰতীক অসমৰ ঐতিহ্য বঙাইগাওঁ তেল শোধনাগাৰ

ড° এম.এছ. শ্বেইখ
মুৰব্বী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ

৫ ডিচেম্বৰ ১৯৬৯ চন, ভাৰতবৰ্ষৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ ঘোষণা আৰু কেবিনেটৰ সিদ্ধান্ত মৰ্মে ১৯৭২ চনৰ ১৯ জানুৱাৰীত বঙাইগাওঁ পেট্ৰকেমিকেল লিমিটেডৰ আধাৰশিলা স্থাপনৰ লগে লগে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত এক স্বৰ্ণযুগৰ সূচনা হয়। ২০ ফেব্ৰুৱাৰী ১৯৭৪ চনত পূৰ্ণাঙ্গ ৰূপ পোৱা এই শোধনাগাৰত ১৯৭৯ চনত ১ নিযুত মেট্ৰিকটন বছৰ ক্ষমতা সম্পন্ন Crude Distillation Unit-I (CDU-I) আৰু ১৯৯৫ চনত Delayed Coking Unit- II (DCU-II) সম্প্ৰসাৰণৰ দ্বাৰা এই শোধনাগাৰৰ উৎপাদন ক্ষমতা ২.৩৫ নিযুত মেট্ৰিক'টন প্ৰতি বছৰলৈ বৃদ্ধি কৰা হয়। ২৫ মাৰ্চ ২০০৯ চনৰ পৰা BRPL ভাৰতীয় তেল নিগম লিমিটেডৰ অষ্টম অংগ হিচাবে স্বীকৃতি পোৱাৰ লগে লগে ইয়াৰ ইয়াৰ আন্তঃগাথনি, ব্যৱস্থাপনা, জুলীয়া সামগ্ৰী আহৰণ প্ৰক্ৰিয়া, পৰিৱেশ সুৰক্ষা, সা-সুবিধা, পণ্য দ্ৰব্যৰ উৎপাদন, সামাজিক প্ৰমূল্যবোধ আদিৰ আমূল পৰিবৰ্তন হয়। সম্পূৰ্ণ বিজ্ঞান ভিত্তিক এইখন মহান প্ৰতিষ্ঠানে এটাৰ পাছত এটাকৈ জাতীয় আৰু আন্তঃজাতীয় পুৰস্কাৰ বুটলি আনি উত্তৰ পূৰ্ব্বাঞ্চলক গৌৰাৱান্বিত কৰিবলৈ সক্ষম হৈছে। এনে এখন অদ্বিতীয় প্ৰতিষ্ঠানত আমি প্ৰাণী বিজ্ঞান বিভাগে কেচুসাৰ উৎপাদন প্ৰকল্প, পৰিৱেশ আৰু জৈৱ বিচিত্ৰতা অধ্যয়ন কৰা আৰু দেখাৰ সুবিধা পাইছিলো। দয়াল কৃষ্ণ দাস, জ্যেষ্ঠ গাণনিক বিষয়া, নিৰ্মল কান্তি দে, জ্যেষ্ঠ বিষয়া (HSE), অনন্ত কুমাৰ দাস, জ্যেষ্ঠ বিষয়া (CC) আৰু BGR কৰ্তৃপক্ষৰ সদিচ্ছা আৰু আকুণ্ঠ সহযোগিতাৰ বাবে যি অভিজ্ঞতা আহৰণ কৰিলো তাৰেই আলোকপাত শিক্ষাৰ্থী, উদ্যোগপতি আৰু চৰকাৰী আমোলা সকলৰ জ্ঞাতাৰ্থে দাঙি ধৰাৰ ক্ষুদ্ৰ প্ৰয়াস এই লেখনি।

উজনি অসম আৰু ৰাৱা (কৃষ্ণা-গোদাবৰী-হালধীয়া-বাৰানসী) ৰ পৰা পাইপযোগে অনা অশোধিত খাৰুৱা তেল শোধন কৰি কেৰাচিন, পেট্ৰল, ডিজেল, জাইলিন, ডি.এম.টি, পেৰা-জাইলিন, পলিষ্টাৰ ষ্টাপল ফাইবাৰ (পি.এছ.পি) পেট্ৰ'ছল, বনমেক্স-II, নিডলা কয়লা আদি মূল্যবান প্ৰাকৃতিক গেছ সম্বন্ধীয় পদাৰ্থৰ সৃষ্টি কৰা হয়। বিশেষকৈ পি.এছ.পি. IOCL ৰ মাধ্যমেৰে বাংলাদেশ, ফ্ৰান্স, ইৰাণ ভিয়েটনাম আদি দেশলৈ ৰপ্তানি কৰা হয়।

১১২১ একৰ মাটি কালিৰ শোধনাগাৰৰ চলিত প্ৰকল্প সমূহৰ ভিতৰত পলিষ্টাৰ সূতা উৎপাদন কেন্দ্ৰ- ১ (মে' ১৯৯৮) আৰু কেন্দ্ৰ- ২ (চেপ্তেম্বৰ, ১৯৮৮), CDU-I আৰু CDU-II প্ৰযুক্তিৰ সহায়ত বৰ্জনীয় সূতা পুনঃৰুদ্ধাৰ (১১ মে' ১৯৯৩) আদি বিশেষভাৱে মন কৰিবলগীয়া। ১৯৯২-৯৩ চনত স্থাপন কৰা ২ টা অশোধিত তৈল ভাণ্ডাৰ (টেংক) আৰু ১১ টা উৎপাদিত সামগ্ৰীৰ ভাণ্ডাৰ, Xylene plant Reformer unit Nephtha এছিয়া মহাদেশৰ সৰ্ববৃহৎ LPG bottling কেন্দ্ৰ (২২,০০০ টন প্ৰতি বছৰ), দুৰ্যোগ নিয়ন্ত্ৰণৰ অত্যাধুনিক স্বয়ংক্ৰিয় অগ্নিনিৰ্বাপক





সজুলিত ব্যৱহাৰ কৰা প্ৰযুক্তি সমূহ তবধ মানিবলগীয়া। স্মৰ্তব্য যে, BGR ত অগ্নি দুৰ্যোগ হ'লে ইয়াৰ কেউপিনে থকা প্ৰায় চাৰি কিলোমিটাৰ ব্যাসাৰ্ধৰ বৃত্তৰ ভিতৰৰ সকলো অঞ্চল নিমিষতে ধ্বংস হৈ যাব। এই দুৰ্যোগৰ পৰা ৰক্ষা পোৱা নাইবা হাত সাৰিবৰ বাবে BGR সদা প্ৰস্তুত।

Biometric হাজিৰা ব্যৱস্থা আৰু নিৰাপত্তা ব্যৱস্থা, কেবাটাও স্তৰত বিভক্ত নিঃছিদ্ৰ প্ৰহৰী স্বৰূপ-পুৰুষ আৰু মহিলা নিৰাপত্তা ৰক্ষীৰ বিৰামহীন পহৰাও বাৰুকৈয়ে মনকৰিবলগীয়া।

প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ সমান্তৰালভাৱে ব্যৱহাৰ কৰা জৈৱ নিয়ন্ত্ৰণ ব্যৱস্থাও বাৰুকৈয়ে মনকৰিবলগীয়া। বায়ু, পানী আৰু মাটি প্ৰদূষণ ৰোধ কৰাৰ বাবে গঢ়ি তোলা ইক'লজিকেল পাৰ্ক বা ইক'পাৰ্ক। এই পাৰ্কত দেখিবলৈ পালো ৰোপন কৰা বায়ু প্ৰদূষণ শোষক গছ 'চিকু'। জল প্ৰদূষণ ৰোধ কৰাৰ বাবে নলা-নৰ্দমাত ব্যৱহাৰ কৰা ভেটাবান্ধ, জলাশয়ত ব্যৱহাৰ কৰা জলজ উদ্ভিদৰ পাঁচটা স্তৰীকৃত বান্ধ BGR ৰ এক ন-আৱিস্কাৰ। প্ৰদূষণ শোষক স্থানীয় জলজ উদ্ভিদ সমূহৰ ভিতৰত এৰালী বন, অমৰা লতা, কলমৌ, হেলাঞ্চি, পানী কান্দুৰী, কলা শিমলুৰ উপৰিও মাটি পানী উভয়তে জীয়াই থাকিব পৰা সুগন্ধি বিৰিণা বা ভেটিভাৰ উল্লেখনীয়। সুগন্ধি বিৰিণাৰ দ্বাৰা জলজ প্ৰদূষণ ৰোধ কৰা পদ্ধতিৰ সৃষ্টিশীল আৱিস্কাৰৰ মূলতেই হ'ল আই. আই. টি. খৰগপুৰৰ বিজ্ঞানী ড° খনিন্দ্ৰ পাঠক আৰু BGR ৰ জ্যেষ্ঠ বিষয়া (HSE) নিৰ্মল কান্তি দে। বিভিন্ন শোধন Plant ৰ পৰা নিৰ্গত পেলনীয়া দ্ৰব্য সমূহ পুনঃ শোধন ও বাৰম্বাৰ ব্যৱহাৰৰ পাছত ইক'পাৰ্কত পেলোৱা হয়। ভেটিভাৰৰ শিপাহেনো ৩-৩½ ফুট তললৈ উপঙি থাকি পানী প্ৰদূষক সমূহ শোষণ কৰি লয়। প্ৰদূষণ ৰোধ কৰাত ভেটিভাৰৰ এনে ব্যৱহাৰ পদ্ধতিক এক নতুন আৱিস্কাৰ বুলি কব পাৰি। পানীত উপঙি থকা মেটেকা প্ৰদূষণ ৰোধত ব্যৱহাৰ নকৰাটো আন এটা উল্লেখযোগ্য দিশ। জানিব দিয়া মতে মেটেকাই হেনো নিজেই প্ৰদূষক আৰু অনিষ্টকাৰী অপবনৰ ভূমিকা বহন কৰে।

ইক'পাৰ্কত থকা ১ একৰ, ১.৮ একৰ আৰু ৮ একৰ মাটি কালিৰ তিনিখন ফল-মূলৰ বাগিছাত থকা ৪০০ প্ৰজাতিৰ ফল-ফুলৰ গছ বিশেষ আকৰ্ষণীয়।

চাৰি বৰ্গৰ কিলোমিটাৰ আয়তনৰ ভেৰভেৰী বিলেই হ'ল চম্পানদী আৰু টুনীয়া নদীৰ উৎপত্তিস্থল। পূজীয়া বৈঠামাৰীহে ব্ৰহ্মপুত্ৰত সংযোগ হোৱা নদী দুটাত আছে পৰ্যাপ্ত মাছ। বিশেষকৈ BGR ৰ ভিতৰত থকা ভেৰভেৰী বিল আৰু নদীৰ কিছু অংশত থকা প্ৰচুৰ পৰিমাণৰ শিঙি, মাগুৰ, কাৱৈ, বাটা আদি মাছৰ লোভত আৰু সুৰক্ষিত আশ্ৰয় বিচাৰি অহা শৰালী হাঁহ, পানী কাউৰী, ডাউক, পানী কুকুৰা (কোৱা) আৰু বিশেষকৈ শীতৰ আলহী স্বৰূপ হেজাৰ হেজাৰ পৰিভ্ৰমী চৰাইৰ জাকবোৰ দৃষ্টি নন্দন পৰিৱেশৰ সৃষ্টি কৰে। ৮৫ হেজাৰতকৈও অধিক বৃহৎ বৃক্ষ আৰু ১৬০ বিধ ঔষধি উদ্ভিদ থকা BGR ২/৩ ৰ অংশ আগুৰি থকা সেউজ বনানী আৰু ইক'পাৰ্কত বতাহত দেওদি ফুৰা ৰংবিৰঙৰ পখিলা, বিশালকায় কাছ, শৰালী হাঁহ, ক্ষুদ্ৰ পানী কাউৰী, হিমালয়ান বাৰ্বেট, বনৰীয়া মেকুৰী, পাটমাদৈ, টুনী চৰাই, দৈয়ল, কণা কুকুৰা, হুদু, বাঢ়ৈটোকা, হৰিৰতেল (হাইঠা), কুলি, মৌ খোৱা, বগা উদৰীয় মাছৰোকা, ৰঙা উদৰীয় বুলবুলি, লক্ষী ফেঁচা, সেউজীয়া ইম্পেৰিয়েল কপৌ, ফুটুকী কপৌ, স্পট বিল হাঁহ আদিয়ে BGR কমপ্লেক্সত সুস্থ পৰিৱেশৰ জৈৱ সূচকৰূপে ভাৰসাম্যতা ৰক্ষা কৰি আহিছে।

প্ৰেমৰ বাণী বিলোৱা হিৰুদাৰ লাস্যময়ী পখিলা সমূহৰ ভিতৰত প্লেইন টাইগাৰ, কমন মাৰমুন, কমন ৰোজ, পিকক পেন্সী, কমন লিঅপাৰ্ড, কমন ইমিগ্ৰন্ট, বেৰনেট, এনজেল্ড কাষ্টৰ, কনজইন্ট ছুইফট, ইয়ামলী, জেব্ৰা ব্লু, গ্ৰাছ ব্লু, লাইম বাটাৰফ্লাই, টেইল্ড জে, কমন গ্ৰাছ ইয়লো আদিয়ে BGR ইক'পাৰ্কক জীৱন্ত ৰূপ দিয়াত কোনো ধৰণৰ কৃপনালি কৰা নাই। বিশ্বৰ প্ৰায় ১৭,০০০

*প্ৰজাতিৰ পখিলাৰ* ভিতৰত ভাৰতবৰ্ষত ১৫০০ প্ৰজাতি আৰু *অসমত* প্ৰায় ৭০০ প্ৰজাতিৰ পখিলাৰ বিচিত্ৰতা দেখা পোৱা যায়। *মিছা* ফেটি সাপ, ধোৱা সাপ, কাল দাৰাইচ, বামুন সাপ, তেজপিয়া আদি সৰীসৃপৰ উপৰিও কটাবেংৰ দৰে বিৰল প্ৰজাতিৰ উভচৰ প্ৰাণীবোৰে জৈৱ সূচক ৰূপে BGR ৰ অনুকূল পৰিৱেশৰ কথাকে প্ৰমাণ কৰে।

৫ জুন, ২০১২ চনত শ্ৰীযুত আৰ.কে.গগৈ CMD, IOCL আৰু এ. ছৰন ED, IOCL ৰ দ্বাৰা মুকলি কৰা ইক'পাৰ্কত শ্বিলংৰ এলিফেন্টা সদৃশ কৃত্ৰিম জলপ্ৰপাত আৰু চাৰিটা পানীৰ ফোৱাৰাই কলকাতাৰ ভিক্টৰিয়া মেম'ৰিয়েল, ৰবীন্দ্ৰ সদন আৰু ছায়েন্স ছিটিৰ ওৱাটাৰ ৰিদমৰ তালে তালে বাজি থকা মৃদু সংগীতৰ কথা সোঁৱৰাই নষ্টালজিক অনুভৱৰ সৃষ্টি কৰে।

ইক'পাৰ্ক আৰু নন্দন কাননৰ ফুল, ফল, ঔষধি আৰু অলংকাৰ উদ্ভিদ সমূহৰ সতেজতাৰ মূল চাবিকাঠি হেনো তাত থকা কেঁচুসাৰ উৎপাদন প্ৰকল্পৰ পৰা তৈয়াৰ কৰা জৈৱসাৰ। আমাৰ পৰিৱেশত প্ৰচুৰ পৰিমাণে কলগছত পোৱা লেহুকা ৰঙা কেঁচু বিধৰ সদৃশ দক্ষিণ আফ্ৰিকাৰ পৰা অনা Eudrila eugeniae প্ৰজাতিৰ কেঁচু বিধৰে অতি সহজে পেলনীয়া শাক-পাচলি, জাবৰ-জোথৰ, গোবৰ, পেলনীয়া অপদ্ৰব্য আদিৰে এই সাৰ উৎপাদন কৰি ৰাসায়নিক সাৰৰ ভয়াবহ বিষক্ৰিয়াৰ পৰা জীৱকলৰ লগতে আমিও পৰিত্ৰাণ পাব পাৰি। খাদ্য অভ্যাসৰ ওপৰত নিৰ্ভৰ কৰি জৈৱসাৰ উৎপাদনকাৰী কেঁচুসমূহক Epigeics প্ৰজাতি (খনিজ মাটিৰ ওপৰস্তৰত বাস কৰে আৰু ভক্ষণ কৰে, উদাহৰণ Eudrila eugeniae, Eisenia, Foetidae, Perionyx, excavatus আৰু P. sonsibaricus), Anecics (গাঁতত বাস কৰে আৰু আহাৰৰ বাবে ওপৰ পৃষ্ঠাত আহে উদাহৰণ- *Lampito mauriti*) আৰু Endogeics প্ৰজাতি (সমান্তৰালভাৱে গাঁত খান্দে উদাহৰণ- Pontoscolex corethrurus, Pheretima, Posthuma আৰু Octochaetona serrata)। স্থানীয় প্ৰজাতিৰ কেঁচুবোৰ ব্যৱহাৰ কৰিও যথেষ্ট সুফল পোৱা যায়। স্থান ভেদে বিদেশী নাইবা দেশী প্ৰজাতিৰ কেঁচুবোৰ ব্যৱহাৰ কৰি জৈৱ সাৰ উৎপাদনত সুফল পোৱা যায়। BGR ৰ এই ইক'ফ্ৰেইণ্ডলী পদক্ষেপ অধ্যয়নৰ বাবে শোধনাগাৰত প্ৰৱেশ কৰিবলৈ সুযোগ পাই তাত থকা জৈৱ-বৈচিত্ৰতা, প্ৰদূষণ নিয়ন্ত্ৰণ পদ্ধতি, পৰিচালন দক্ষতা, অত্যাধুনিক প্ৰযুক্তি সম্বলিত শোধন প্ৰক্ৰিয়া, সৌহাৰ্দ্যতা আৰু ইক'ফ্ৰেণ্ডলী পৰিৱেশৰ লগতে সামাজিক দায়বদ্ধতা আৰু সামাজিকতাৰ এক বিৰল চিহ্নৰূপে BGR ক দেখিব পাই সঁচাকৈ আপ্লুত হৈছো।

BGR টাউনশ্বীপ BGR ৰ এক মহা অনুভৱীয় পদক্ষেপ। ১.৮৪ একৰ মাটি কালিৰ নন্দন কাননত থকা ১৬০ বিধ বিৰল প্ৰজাতিৰ ঔষধি উদ্ভিদ আৰু ৪০ বিধ অতি বিৰল অৰ্কিড বা কপৌফুলৰ অত্যাধুনিক সংৰক্ষণ পদ্ধতি বাৰুকৈয়ে প্ৰশংসনীয়। সমগ্ৰ বিশ্বত ১০০০ টা গনৰ অন্তৰ্ভূক্ত প্ৰায় ২৫,০০০ ৰ পৰা ৩৫,০০০ প্ৰজাতিৰ অৰ্কিডৰ ভিতৰত ভাৰতবৰ্ষত ১৬০০ প্ৰজাতি, অসমত ১৯৩ টা প্ৰজাতি, অৰুণাচল প্ৰদেশত ৫৫০ টা প্ৰজাতি, মণিপুৰত ২৫১ টা প্ৰজাতি, মেঘালয়ত ৩৫২ টা প্ৰজাতি, মিজোৰামত ২৪৪ টা প্ৰজাতি, নাগালেণ্ডত ২৪১ প্ৰজাতি, ত্ৰিপুৰাত ৪৮ টা আৰু ছিকিমত ৫২৫ টা প্ৰজাতি বিশেষভাৱে উল্লেখনীয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে, অসমত প্ৰায় ৪০০ বিধ, ভাৰতবৰ্ষত প্ৰায় ৪৫,০০০ বিধ আৰু বিশ্বত ৫২,৮৮৫ বিধ মূল্যৱান ঔষধি উদ্ভিদ পোৱা যায়। চীন দেশত থকা ঔষধি গছৰ বাগিছাত অতি বিৰল আৰু ঔদ্যোগিকভাৱে ব্যৱহাৰ কৰা স্থানীয় ১০০০ প্ৰজাতি আৰু বিদেশী ২০০০ প্ৰজাতিৰ ঔষধি উদ্ভিদৰ সংৰক্ষণৰ পদক্ষেপ মানৱ সেৱাৰ এক উৎকৃষ্ট নিদৰ্শন। নন্দন কাননৰ ঔষধি বিৰল প্ৰজাতিবোৰৰ ভিতৰত অশ্বগন্ধা, ৰামফল, বিশল্যকৰণী (হনুমানে দাঙি অনা দ্ৰণগিৰি পাহাৰৰ), বিষহৰি, বনতুলসী, কলাহালধি, হাতযোৰা, ঈশ্বৰীমূল, জয়ন্তীফুল, ঋষ্ঠিমধু, জালুক,





কপাল ফুটা, মছান্দৰী, মিঠাতুলসী, ওলটকমল, পছতিয়া, পাচাৱলী (বিষাক্ত সাপ আৰু কীট-পতংগ দংশনৰ এন্টিউট) ৰাম তুলসী ৰুদ্ৰাক্ষ, ৰূপহী থেকেৰা, চাল কুৱৰী (এলভেৰা), সৰ্পগন্ধা, শতমূল, তৰুৱা কদম, টুপুৰী লতা, ভৃংগৰাজ আদি বিশেষভাৱে উল্লেখনীয়।

বিৰল আৰু লুপ্ত প্ৰায় কপৌ ফুলবোৰৰ ভিতৰত দ্ৰুপদী পুষ্প, বিহুৱান, কপৌফুল, পক্ষী কপৌ, শৃঙ্খল কপৌ, চিম্বিডিয়াম কপৌ, ডেন্দ্ৰবিয়াম কপৌ, নানচ কপৌ, মোকাৰা কপৌ, হৰিণ শিঙিয়া কপৌ, ভাণ্ডা কপৌ, ইবিয়া কপৌ, মাটি কপৌ আদিও আকৰ্ষণৰ কেন্দ্ৰবিন্দু। কৃত্ৰিম আৰ্দ্ৰতাত পোৱা ইটা, নাৰিকলৰ আঁহ আৰু পঁচা কাঠৰ টুকুৰা কপৌফুলৰ খাদ্য হিচাবে ব্যৱহাৰ কৰা BGR ৰ এক ন-আৱিষ্কাৰ বুলি কলেও অত্যুক্তি কৰা নহ'ব।

BGR টাউনশ্বীপ মেনেজমেন্টৰ এক অনন্য নিদৰ্শন। নয়নানন্দ নন্দন কানন, মহিলা সকলৰ বাবে ইন্দোৰ ষ্টেডিয়াম, আউটডোৰ ষ্টেডিয়াম, অত্যাধুনিক মানস অতিথিশালা, দিয়শ্ৰী অতিথিশালা, মনজিৰা ভৱন, অফিছাৰছ ক্লাব, চম্পা ক্লাব আৰু ক্ৰীড়া ভৱন, মাল্টি জিমখানা, নাটকাচল সংগীত মহাবিদ্যালয়, দিল্লী পাব্লিক স্কুল (CBSE), BGR উচ্চতৰ মাধ্যমিক বিদ্যালয় (SEBA)BRPL হস্পিতাল (দহন বিশেষজ্ঞ), মন্দিৰ কমপ্লেক্স (শিৱ মন্দিৰ, দূৰ্গা মন্দিৰ, কালী মন্দিৰ, বিষ্ণু মন্দিৰ, হনুমান মন্দিৰ), গীৰ্জা, বৰতলা জামে মছজিদ, ঢালিগাওঁ নামঘৰ, আৱাস ভৱন (চাৰি পৰিয়াল, দুই পৰিয়াল আৰু এক পৰিয়াল বা ডুপ্লেক্স) আদিয়ে সুপৰিকল্পিত তথা জাতীয় আৰু ধৰ্মীয় সমন্বয়ৰ প্ৰতীক স্বৰূপ আতিথ্যৰ মহামন্ত্ৰৰে প্ৰগতিৰ চাকিহে অসমক বিশ্বৰ মাজত পৰিচয় কৰি দিবলৈ সক্ষম হৈছে।

এইবোৰৰ উপৰিও BGR এ আগবঢ়োৱা সামাজিক সেৱা বাৰুকৈয়ে প্ৰশংসনীয়। মছজিদ, মন্দিৰ, নামঘৰ, বিদ্যালয়, মহাবিদ্যালয়, যাত্ৰী জিৰণী চ'ৰা, ৰাজহুৱা প্ৰস্ৰাৱগাৰ, দুৰ্গম অঞ্চলত ৰাস্তাঘাট আদিৰ উপৰিও দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহক এককালীন অৰ্থ সাহায্য প্ৰদান কৰা, খেতিয়কৰ বাবে ট্ৰেক্টৰ দান কৰা আদি শত সহস্ৰ সমাজ সেৱাৰ অধিকাৰী এই মহান প্ৰতিষ্ঠানখনে অনেক ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পুৰস্কাৰ বুটলি আনি কৰ্ম, ধৰ্ম, স্বচ্ছতা, মানৱতা, একাগ্ৰতা, মহানুভৱতা, সামাজিকতা আৰু দায়বদ্ধতাৰ যি নিদৰ্শন প্ৰতিষ্ঠা কৰিছে তাক চৰকাৰী-বেচৰকাৰী উদ্যোগ প্ৰতিষ্ঠানসমূহে পদাংক অনুসৰণ কৰিলে নিশ্চয় অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত সুখৰ নৈ বৈ যাব আৰু আমিবোৰে বিশ্ববাসীক মূৰ দাঙি পৰিচয় দিবলৈ সক্ষম হ'ম। আহক আমি সকলোৱে মিলি BGR ৰ আদৰ্শ অনুসৰণ কৰো।

# শিক্ষাত ছাত্ৰ ৰাজনীতিৰ প্ৰভাৱ

ৰুহুল আমিন
স্নাতক মহলা ষষ্ঠ যান্মাসিক
(কলা শাখা)

গণতান্ত্ৰিক দেশৰ এজন সু-নাগৰিক হিচাপে ছাত্ৰ-ছাত্ৰীয়ে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ হ'লে শিক্ষাৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে নিজকে সু-নাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰিব লাগে। শিক্ষাৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে পূৰ্ণাংগভাৱে ৰাজনীতিত সোমাব পাৰে। শিক্ষা হৈছে জাতিৰ মেৰুদণ্ড। জাতিক ৰক্ষা কৰিবলৈ নিজৰ দেশক ৰক্ষা কৰিবলৈ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতি সম্পৰ্কে সবিশেষ জ্ঞান আহৰণ কৰা উচিত। বিভিন্ন সময়ত ৰাজনৈতিক পণ্ডিতবিলাকৰ ছাত্ৰ অৱস্থাৰ পৰা ৰাজনীতিত সোমাই দেশৰ সু-প্ৰতিষ্ঠিত মৰ্যাদাৰ আসন অলংকৃত কৰিব পাৰিছে। ছাত্ৰ হৈছে দেশৰ ভৱিষ্যত। প্ৰত্যকজন ছাত্ৰ-ছাত্ৰীৰ ৰাজনীতি সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰাটো নিশ্চিত হ'ব লাগে। এখন দেশৰ ৰাজনীতিৰ প্ৰধান হোতাস্বৰূপ হ'ল একমাত্ৰ ছাত্ৰ-ছাত্ৰী। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতিৰ জ্ঞান পায়। ইয়াৰ উপৰিও বিভিন্ন ৰাজনৈতিক সংগঠন আৰু বেচৰকাৰী সংগঠনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতিত প্ৰৱেশ কৰে। কিন্তু তেনে ছাত্ৰ-ছাত্ৰীয়ে কেনেদৰে দেশ চলাব? এখন দেশ সুস্থ, সবলভাৱে চলিবলৈ হ'লে দেশৰ জনসাধাৰণক লাগিব শিক্ষা। ছাত্ৰ অৱস্থাত যদি ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতিত প্ৰৱেশ কৰে সেই ছাত্ৰ বা ছাত্ৰীয়ে দেশ এখন কেনেদৰে চলাব। বৰ্তমান দেশৰ শাসন ব্যৱস্থা কেনেকুৱা, দেশত কি ধৰণৰ শাসন ব্যৱস্থা চলি আছে সেই বিষয়ে ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতিত সোমাই বা ৰাজনীতি বিজ্ঞান অধ্যয়নৰ যোগেদি নিজকে সমাজত এজন নেতা বা নেত্ৰী হিচাপে প্ৰতিষ্ঠিত কৰাত সহায়ক হ'ব। শিক্ষাৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে দেশৰ ৰাজনৈতিক নেতাৰ আচৰণ, কেনেদৰে সেই মহান মানুহবিলাক ৰাজনীতিত সোমাইছে, তেওঁলোকৰ বিষয়ে অধ্যয়ন কৰি ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতিত প্ৰৱেশ কৰিব পাৰে।

ছাত্ৰ অৱস্থাত ৰাজনীতিত সোমালে লিখা পঢ়াত মনোযোগ নাথাকে। ছাত্ৰ অৱস্থাত ৰাজনীতি সোমালে সেই ছাত্ৰ অৱস্থাত ৰাজনীতি পৰিসৰত সীমাবদ্ধ থাকে। ছাত্ৰ অৱস্থা ৰাজনীতিত সময়খিনিৰ সোমালে মন-মানসিকতাৰ পৰিৱৰ্তন হয়।

শিক্ষাৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতিত সোমাই ৰাজনীতিৰ সম্যক জ্ঞান আহৰণ কৰিব পাৰে। জন সাধাৰণৰ অভাৱ অভিযোগ বিলাক ৰাজনৈতিক আলাপ-আলোচনাৰ জড়িয়তে সমাধান হয়।

ছাত্ৰ-ছাত্ৰীয়ে ৰাজনীতিত সোমালে উপকাৰ আৰু অপকাৰ দুয়োটাই আছে। শিক্ষাত ছাত্ৰৰ ৰাজনীতি যথেষ্ট প্ৰয়োজন আছে। গণতান্ত্ৰিক দেশৰ সু-নাগৰিক হিচাপে ৰাজনীতিৰ অধ্যয়ন অতি প্ৰয়োজন।






মাননীয় অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ মহোদয় সহিতে শিক্ষাগুৰু সকলৰ একাংশ



মাননীয় অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ মহোদয় সম্বলিতে কৰ্মচাৰীবৃন্দৰ একাংশ।




মাননীয় অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ মহোদয় সম্বলিতে ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক সকলৰ একাংশ



পৰীক্ষা নিয়ন্ত্ৰণ সমিতিঃ

ওঁ ফালৰ পৰাঃ অধ্যাপক আবু বক্কৰ ছিদ্দিক, অধ্যাপক আশিফুল হক, অধ্যক্ষ ড° ছহজাহান আলী আহমেদ, অধ্যাপক সুশীল কুমাৰ সৰকাৰ, অধ্যাপক আব্দুল কুদ্দুছ।



# বৰপেটাৰ ঐতিহ্যপূৰ্ণ দৌল উৎসৱ

মোঃ শ্বফিকুল ইছলাম
লাইব্ৰেৰী সহায়ক,
নৱজ্যোতি মহাবিদ্যালয

মনে প্ৰাণে হৰিনাম
হোলী খেলো অবিৰাম
উতলা ফাগুনে নাচে
বৰপেটা বৰধাম

**আৰম্ভণি ও উৎপত্তি ঃ** শীতৰ শেষত ফাগুন আহে। ফাগুন মানেই ৰং বিৰঙৰ উৎসৱ, আনন্দৰ উৎসৱ। ফাগুনেই আনে উৎসৱৰ বতৰা। এইখিনি সময়তেই উদযাপন হবলৈ ধৰে শিৱৰাত্ৰি, মিচিংসকলৰ কৃষিমূলক উৎসৱ আলি আয়ে লৃগাং, বাঁভা সকলৰ খেৰাই উৎসৱ, ডিমাচা সকলৰ গেৰুৱা উৎসৱ (গেৰবা পূজা), চাহ জনজাতি সকলৰ বিভিন্ন উৎসৱ পাৰ্বন আৰু উদযাপন হয় ৰঙৰ উৎসৱ 'ফাকুৱা'। জাতিধৰ্ম বৰ্ণ-নিৰ্বিশেষে পালন কৰা ফাকুৱা উৎসৱ প্ৰেম, একতা আৰু ভ্ৰাতৃত্ববোধৰ শ্ৰেষ্ঠ উদাহৰণ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এই ফাকুৱাক মহান মানৱ প্ৰেমৰ আদৰ্শৰূপে পালন কৰি জাতিৰ ভেদা-ভেদ দূৰ কৰাৰ চেষ্টা কৰিছিল।

প্ৰতিটো উৎসৱৰ লগত নানা প্ৰবাদ, কাহিনী, কিংবদন্তি জড়িত হৈ থকাৰ দৰে এই ফাকুৱা উৎসৱৰ লগতো বহুতো প্ৰবাদ, পৌৰাণিক আখ্যান, কিংবদন্তি জড়িত হৈ আছে। পুৰাণৰ আখ্যান মতে, ব্ৰজধামত শ্ৰীকৃষ্ণই কৰা নানা লীলাৰ ভিতৰত এই দৌল উৎসৱ বা ফল্গুৎসৱ অন্যতম। প্ৰবাদ অনুসৰি অসুৰৰাজ হিৰণ্যকশিপুৱে ব্ৰহ্মাৰ বৰ লাভ কৰি অত্যন্ত অহংকাৰী আৰু অত্যাচাৰী হৈ পৰিছিল। বিষ্ণু আছিল তেওঁৰ পৰম শত্ৰু। কাৰণ বিষ্ণুৱে তেওঁৰ ভ্ৰাতৃক বধ কৰিছিল। হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদ আছিল একান্ত বিষ্ণু ভক্ত। পুত্ৰক বিষ্ণু ভক্তিৰ পৰা বিৰত থাকিবলৈ বুজোৱাৰ পাছতো অবুজ হৈ থকা প্ৰহ্লাদক হিৰণ্যকশিপুৱে অৱশেষত হত্যা কৰাৰ পৰিকল্পনা কৰিলে। হিৰণ্যকশিপুৰ মাংস লুলুপা এগৰাকী ভগ্নী আছিল। তাই নৰমাংস খাবলৈ নাপালে তৃপ্তি বোধ কৰা নাছিল। সেই অনুসৰি হোলিকাকে মাতি আনে হিৰণ্যকশিপুৱে প্ৰহ্লাদক জুইত পুৰি হত্যা কৰিবলৈ আদেশ দিয়ে। কিন্তু এই ঘটনাত সেই হোলিকাই প্ৰাণ আহুতি তথা প্ৰাণ হেৰুৱায় (হিৰণ্যকশিপুৰ ভগ্নী-হোলিকা)। আনহাতে নাৰায়ন বিষ্ণুৰ কৃপাত-প্ৰহ্লাদৰ প্ৰাণ ৰক্ষা পৰে। গতিকে ইয়াৰ পৰাই অনুমান কৰি কব পাৰি যে, এই হোলিকা নামটোৰ পৰাই হয়তো হোলী শব্দটোৰ উৎপত্তি হৈছে। যাৰ কাৰণেই উক্ত এই উৎসৱটোক অশুভ শক্তিৰ বিপৰীত শুভ শক্তিৰ জয় প্ৰতীকী অৰ্থত প্ৰকাশ কৰা হয় যেন লাগে।

জনশ্ৰুতি অনুসৰি আমাৰ ভাৰতবৰ্ষত উদযাপন হোৱা 'ফাকুৱা' প্ৰথম উদযাপন হৈছিল বৈকুণ্ঠত। জনবিশ্বাস অনুসৰি এই উৎসৱমুখৰ পৰিবেশত শ্ৰীকৃষ্ণক দোলাত তুলি নানা গীত

নৃত্য কৰি স্বতঃস্ফূৰ্ত আনন্দ প্ৰকাশ কৰিছিল। এই উৎসৱৰ পিছলৈ দেৱলোকলৈ যায় আৰু শেষত মানৱ সমাজত ই উদযাপন হবলৈ ধৰে আৰু আজি মানৱ সমাজত ই স্বতঃস্ফূৰ্তভাৱে হৈ চলি আছে।

অসমত দৌল উৎসৱক 'ফাকুৱা' বা ফাল্গুৎসৱ হিচাপে উদযাপন কৰা হয়। অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সময়ৰ পৰাই ফাকুৱা বা দৌল উৎসৱ পালিত হৈ আহিছে। আনহাতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেই ইয়াৰ প্ৰৱৰ্ত্তক বুলি জনা যায়। গুৰুজনাই পোন প্ৰথমে অসমত মানুহক কৃষ্ণভক্তিৰ প্ৰতি আকৰ্ষিত কৰি তুলিছিল আৰু যাৰ বাবে ভাগৱতৰ আৰ্হিত বৰদোৱাত এই ফল্গুৎসৱ বা দৌল উৎসৱৰ শুভাৰম্ভ কৰে। বৰদোৱা গুৰু চৰিতত এই সম্পৰ্কে বিতং তথ্য পৰিপূৰ্ণভাৱে উল্লেখ আছে। গতিকে গুৰু জনাই প্ৰৱৰ্তন কৰা দৌল উৎসৱ আজিও অসমৰ সত্ৰসমূহত স্ব-মহিমাৰে পালিত তথা মহামণ্ডিত হৈ আছে।

আনহাতে, মহাপুৰুষজনাৰ আৰ্হি আদৰ্শৰে মাধৱদেৱে প্ৰতিষ্ঠা কৰা বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাই দ্বিতীয় বৈকুণ্ঠপুৰী হিচাপে জনাজাত বৰপেটা সত্ৰত এই দৌল বা ফাকুৱা তথা ফল্গুৎসৱৰ শুভাৰম্ভ কৰে আৰু তেতিয়াৰ পৰাই আজিলৈকে বৰপেটা সত্ৰত নীতি আৰু পৰম্পৰাৰে উদযাপিত হৈ আহিছে এই বিখ্যাত দৌল উৎসৱ। বৰ্তমান সময়ত বৰপেটাৰ এই দৌল উৎসৱ গোটেই ভাৰতবৰ্ষ জুৰি বিখ্যাত হৈ পৰিছে। নক্ষত্ৰৰ গণনা অনুসৰি বৰপেটাৰ সত্ৰৰ দেউল তিনিদিনীয়া, চাৰিদিনীয়া অথবা পাঁচদিনীয়াকৈ পালন কৰা হয়। সচৰাচৰ ফাগুনত উদ্‌যাপিত হোৱা দেউল বুলি কলে ইয়াক চাৰি বা পাঁচদিনীয়াকৈ পালন হোৱা বুজায় আৰু যাৰ বাবে ইয়াক ডেকা দেউল বুলি কোৱা হয়। আনহাতে, চ'ত মাহত হোৱা দেউল তিনিদিনীয়া, সেইবাবে ইয়াক বুঢ়া দেউল বুলি কোৱা হয়। দৌল উৎসৱৰ প্ৰথম দিনা গন্ধ বা বহ্নোৎসৱ বুলি কোৱা হয়। মাজৰ দুই তিনিদিন ভৰদেউল আৰু পিছত শেষৰ দিনা 'হোলী' বা ফাকুৱা যাক স্থানীয়ভাৱে জনা যায় 'সুৱেৰী বা স-ৰি বুলি। ইয়াৰে প্ৰথম দিনা ভক্ত সৱে নল খাগৰি ইকৰা আদি কাটি আনি কীৰ্তন ঘৰৰ সন্মূখৰ চোতালত এটা প্ৰকাণ্ড মেজি সজায়। আবেলি দৌল গোবিন্দক মনিকূট ঘৰৰ পূৱে দুৱাৰেদি খোল-তাল বজাই বাহিৰলৈ আনি মঠৰ চোতালত এখন বৰ শৰাইত থয়। ইয়াৰ পিছত চোতালত সজাই থোৱা মেজি ঘৰটো জ্বলাই প্ৰজ্বলিত মেজিটোৰ চাৰিওফালে কলীয়া গোসাইক শ্ৰীকৃষ্ণৰ বিগ্ৰহ গায়ন বায়ন সমন্বিতে ভক্তসৱে ঢোলক-তাল-মৃদংগ আদি বাদ্য বজাই হৰিনামৰ ধ্বনিৰে মূখৰিত হৈ পৰে আৰু উক্ত সময়তেই দৌলগৃহৰ ওচৰত নানা ধৰণৰ আঁতচবাজী ফুটাই এক অনন্য পৰিৱেশৰ সৃষ্টি কৰা হয়। এইখিনিতে এটা কথা বিশেষভাৱে স্পষ্ট হয় যে, আতজবাজীৰ প্ৰদৰ্শন গন্ধ উৎসৱৰ এক বিশেষ আকৰ্ষণ।

গন্ধ উৎসৱৰ পিছদিনা ভৰ দেউল। সেইদিনা বিভিন্ন ঠাইৰ পৰা যোৱা ভক্ত সকলে মহাপ্ৰভূক দৰ্শন কৰি 'ফাঁকু' অৰ্থ্যাৎ ৰং ছটিয়াই সেৱা জনাই ভক্তি নিবেদন কৰে। সেইদিনাই সত্ৰৰ চৌহদৰ ভিতৰত সৰু ঢুলীয়া বৰ ঢুলীয়া, ঢুলীয়া নৃত্য, ওজাপালি আদি অনুষ্ঠান পৰিৱেশনে সত্ৰৰ চাৰিও দিশ মূখৰিত হৈ পৰে। ইয়াৰ উপৰিও শংকৰী সংস্কৃতিৰ বিভিন্ন গীত মাত নৃত্য আদিৰ উপৰিও হোলী গীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। নিশাৰ ভাগত দক্ষিণ হাটী, ন-হাটী আৰু বৃন্দাবন হাটীৰ স্থানীয় শিল্পীৰ দ্বাৰা ভাগৱত পূৰাণৰ আধাৰত ৰচিত ধৰ্মমূলক নাট পৰিৱেশনো কৰে।

সামৰণিঃ- দৌল উৎসৱৰ শেষৰ দিনা উদযাপিত হয় 'ফাকুৱা' (ৰং ছটিওৱা) বা সুৱেৰী উৎসৱ। এই উৎসৱ কৃষ্ণ আৰু ইন্দ্ৰদ্যুম্ন ৰজাৰ জীয়ৰী ঘুনুচা আৰু লক্ষ্মীদেৱীৰ প্ৰেম বিৰহৰ কাহিনীৰ লগত সংগতি ৰাখি কৰা হয়। কীৰ্তন পুথি মতে, ঘুনুচাৰ ঘৰত কিছুদিন কটাই কৃষ্ণ আহি নিজ গৃহত সোমাব খোজাত ভাৰ্য্যা লক্ষ্মী দেৱীয়ে লঘুৱাৰ দ্বাৰা বাধা দিয়ে। ফাকুৱাৰ দিনা গোসাইক ঘুনুচাৰ ঘৰ বুলি ভবা আঁতৰৰ এখন পথাৰলৈ 'হেকেটা' (মাহজাতীয় শস্য) খুৱাবলৈ নিয়া হয়। ইয়াকেই গোসাইক সেই হেকেটা খোৱা বুলি কোৱা হয়। এই সম্পৰ্কে তথ্যভিত্তিক পৌৰাণিক আখ্যান ভাগৱত পূৰাণত পোৱা যায়। গোসাইক হেকেটা খোৱাৰ পাছত পূণৰ সমদলেৰে ওভতাই অনা হয়। ইয়াৰ পাছত মূল কীৰ্তন ঘৰৰ টুপৰ চোতালত বাঁহ ভঙা পৰ্ব আৰম্ভ হয়। ইয়াত প্ৰতিবাৰতেই এচাম ভকতে গোসাইক মণিকূটত নি থব খোজে, কিন্তু আন এচামে বাঁহৰ হেঙাৰ দি বাধা দিয়ে। ইয়াত এচাম ভকত যেন লক্ষ্মীৰ ফলীয়া আৰু আন এচাম কৃষ্ণৰ ফলীয়া। এই উক্ত বাঁহ চাৰিডালৰ দুডাল উত্তৰ হাটীৰ, এডাল দক্ষিণ হাটীৰ আৰু এডাল ন-হাটীৰ পৰা যোগান ধৰা হয়। উক্ত হাটীৰ ডেকা ল'ৰাবোৰেই নানা উৎসাহ উদ্দীপনাৰে টনা আজোৰা কৰি এডালৰ পাছত এডালকৈ বাঁহ কেইডাল ভাঙি পেলায় আৰু অৱশেষত গোসাই জিকিল বুলি ধৰি লোৱা হয় আৰু যথাৰীতি অনুসৰি গোসাইক সত্ৰৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰোৱাই কীৰ্তনঘৰৰ চৌপাশে সাত পাক ঘূৰোৱাৰ পাছত পুনৰ সত্ৰৰ মঠৰ চোতালত 'বোল-বোলনী' অনুষ্ঠান আৰম্ভ হয়। উক্ত এই অনুষ্ঠানটিৰ সামৰণিৰ লগে লগেই গোসাইক পুনৰ মণিকূট গৃহত প্ৰৱেশ কৰোৱাই যথা সম্ভৱ স্থানত ৰখা হয় আৰু এনেদৰেই সামৰণি পৰে ঐতিহ্যপূৰ্ণ বৰপেটাৰ মহাকাব্যিক দৌল মহোৎসৱ।

**ঐতিহ্য ঃ** বৰপেটাৰ দৌল উৎসৱৰ লগত অভিন্ন হৈ আছে বৰপেটা বাসীৰ হৃদয় স্পন্দন। এই উক্ত সময়ত প্ৰতিজন বৰপেটা বাসীৰ মনপ্ৰাণ উলাহত নাচি উঠে। বৰপেটা সত্ৰত উদযাপিত হৈ উঠা শ্ৰীকৃষ্ণৰ দৌল উৎসৱে সৰ্ব ভাৰতীয় স্তৰত উদযাপিত হোৱা উৎসৱ সমূহৰ ভিতৰত এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। দৌল উৎসৱত হোলী গীত গোৱা এক বিশেষ আকৰ্ষণীয় বিষয়। এই হোলী গীত হৈছে বৰপেটীয়াৰ আয়ুস ৰেখাসদৃশ। আনহাতে, এইটো স্পষ্টকৈ দেখা যায় যে, হিন্দু সকলৰ লগতে অইন ধৰ্মৰ লোকেও এই দৌল মহোৎসৱৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত কাৰণ এই উৎসৱ কেৱল হিন্দু সকলৰ যে, সেইটো সঁচা কিন্তু ইয়াত বিশেষকৈ বৰপেটাবাসী ৰাইজৰ উৎসৱ বুলি সকলোৱে ইয়াক লৈ গৌৰৱবোধ কৰিবলৈ অকনো কুণ্ঠাবোধ নকৰে। যাৰ বাবে সকলোৱে হয়তো হিল-দল ভাঙি ইয়াৰ পৰা তৃপ্তি লাভ কৰিবলৈ নাপাহৰে। দৌল উৎসৱৰ এমাহ দিন কাল বাকী থাকোতেই বৰপেটাৰ চৌদিশে হোলী গীতেৰে মুখৰিত হৈ পৰে। দৌল উৎসৱৰ লগত সংগতি ৰাখি বৰপেটাৰ বিভিন্ন স্থানত চলে হোলী গীত প্ৰতিযোগিতা।

বৰপেটাৰ এই দৌল উৎসৱ উপলক্ষে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা মানুহৰ আগমন ঘটে। সত্ৰৰ কৰ্তৃপক্ষই অতিথি সকলক থকা খোৱাৰ সা-সুবিধা কৰি দিয়ে। ইয়াৰ উপৰিও প্ৰতিখন ঘৰতে আলহী অতিথি আহি থাকেহি। কথিত আছে যে, বৰপেটাৰ যিখন ঘৰলৈ দেউল চাবলৈ আলহী অতিথি নাহে সেইখন ঘৰৰ মানুহে নিজকে যেন দূৰ্ভাগ্য বুলিয়েই ভাৱে। পৰিৱৰ্ত্তিত সময়ৰ ধামখুমীয়াত কিছু পৰিৱৰ্তন হৈছে যদিও দৰ্শনাৰ্থীৰ সংখ্যা কিন্তু আজিও কমা নাই। গতিকে অতীত কাল উনুকিয়ালে বুজা যায় যে, আমাৰ বৰপেটাৰ যি ঐতিহ্য তাৰ যেন কোনো অৱক্ষয় হোৱা নাই আৰু ই হয়তো আমাৰ সমাজৰ বিশেষকৈ বৰপেটাবাসীৰ এক অভিন্ন অংগ হৈ পৰিছে আৰু হয়তো প্ৰতি বছৰৰ দৰে যাৰ বাবে আমি সদায় যেন ব্যাকুল হৈ থাকো- যেন আকৌ কেতিয়া আহিব এই সোণালী উৎসৱ যেতিয়া আমি আল-ফুলে কব পাৰিম- "হোলী হ্যায়- হোলী হ্যায়"।



নৱজ্যোতি, ২০১৭-১৮ বৰ্ষ॥ সংখ্যা-৩০

# গল্প সফুঁৰাঃ





## মানৱী

**ৰৌছানাৰা আখতাৰ**
মুৰব্বী অধ্যাপিকা
ৰাজনীতি বিজ্ঞান বিভাগ

ঃ অ' বৰা দেখোন। আপুনি হঠাতে আহি ওলাল যে। গুৱাহাটীলৈ কেতিয়া বদলি হ'ল?

ঃ এমাহমান হ'ল। ছমাহ মানৰ পৰা লাগি থাকি এতিয়াহে কামটো হ'ল বুজিছে?

ঃ কোনটো কাম?

ঃ ট্ৰান্সফাৰৰ কামটো আকৌ। এইবোৰ কামত বৰ লেঠাহে। ল'ৰাজন কৰ্মাচ কলেজত পঢ়িছে। পঢ়া-শুনাত একেবাৰে বেয়া নাছিল বুইছে। সেয়ে ভাবিছিলো এইটো বছৰ যদি তাৰ লগত কটাই তাক অলপ সহায় কৰিব পাৰো তাৰ ৰেজাল্ট ভাল হ'ব যেন লাগে।

ঃ আপোনাৰ ছোৱালীজনী?

ঃ অ' তাই কেন্দ্ৰীয় বিদ্যালয়তে পঢ়িছে। হোষ্টেলত আছে। তাইক লৈ চিন্তা নাই। তাই ক্লাচ টেন দিলেই তাইকো গুৱাহাটীলৈ আনিম বুলি ভাবিছো। পিছে আপোনাৰ হাতত এছাৰি ডাল কিয়?

ঃ অ' এইডাল, বুজি পাব, সকলো বুজি পাব। কেৱল মোৰ লগত আহি থাকক। আজি আপুনি প্ৰথম আহিছেতো, একো ধৰিব পৰা নাই।

হেৰি নহয় বৰা, আই পিতাইৰ দিনবোৰেই ভাল আছিল জানে। কি ঠাণ্ডাৰ দিনেই হওঁক, কি গৰমৰ দিনেই হওঁক যেতিয়া তেওঁলোকক দেখিছিলো খালি ভৰিৰে খোজকঢ়া তেতিয়া প্ৰায়েই কৈছিলো- "পিতাই জোতাযোৰ পিন্ধি বান্দৰ টুপীটো মূৰত সুমুৱাই ল' নহ'লে কাঁহ-কফেৰে বাট নেদেখা হ'বি। আই চেণ্ডেলযোৰ পিন্ধি ল'চোন, চাদৰ খন মেৰিয়াই ল'চোন, ঠাণ্ডা লাগিব।" তেওঁলোকৰ উত্তৰ আছিল— কেঁচা মাটিৰ সংস্পৰ্শত যিমানেই থাকিবি সিমানেই গাৰ বেমাৰ আজাৰবোৰ মাটিৰ লগত মিলি যাব। তেওঁলোকক বাতানুকুল ঘৰ দুৱাৰো নালাগিছিল। শাক-পাচলিৰ খেতি, ফল-মূলৰ খেতি তেওঁলোকে নিজেই কৰিছিল। আজলি ভৰাই আনকো দিছিল আৰু নিজেও খাইছিল। বেমাৰ আজাৰে তেওঁলোকৰ পৰা বহু নিলগত ঠাই লৈছিল।

ঃ হয় হে শইকীয়া, আমিবোৰ জোতা-মোজা, কোট-টাই পিন্ধি শীত-তাপ নিয়ন্ত্ৰিত কোঠাত থাকি ডাক্তৰৰ পৰামৰ্শত চলাৰ পিছতো বেমাৰ আজাৰে পিছ নেৰা হৈছে। আমি এতিয়া বাহিৰত খালী ভৰিৰে খোজকঢ়াটো দূৰৰ কথা ৰুমৰ ভিতৰতো খোজ কাঢ়িব নোৱাৰা হ'লো। চিৰি বগাব নোৱাৰা হ'লো। টান বিছনাত শুব নোৱাৰা হ'লো, বৰাই কলে।

ঃ সকলোবোৰ ভেজাল হ'ল, ভেজাল খাদ্য, দূষিত বায়ু, দূষিত পৰিৱেশে মানুহৰ মনবোৰো দূষিত কৰিলে। বৰা, আগলৈ চাওঁকচোন। সৌ পুলিচ পইন্টলৈ। তাত কি দেখিছে?

ঃ ৰ'ব মোৰ ভয় লাগিছে দেখোন। ইমানগাল, অ' বুজিছো সেইবাবে এই হাতত থকা এছাৰি ডাল। এতিয়াহে বুজিলো। বৰাই ক'লে— আপুনি মোৰ কাষে কাষে আহি থাকক। সিহঁতৰ পিনে নাচাব। বেগাবেগীকৈ এইখিনিতে খোজ নিদিব। এদিন কি হৈছিল জানে? ইহঁতৰ মাজৰ পৰা কোনোবা এটাই ডাঠ মুখ বন্ধা মোনা এখন মুখেৰে কামুৰি চোঁচৰাই লৈ যাওঁতে আমি সকলোৱে তাক খেদিলো। সি আমাক চেৰ পেলাই মোনাখন চোঁচৰাই লৈ গৈ গৈ কাছাৰীঘাটতে সেইখিনিতে থকা পদপথৰ অঘৰী মানুহৰ পৰিয়াল এটাৰ ওচৰ পালে।

ঃ তাৰ পিছত- বৰাই সুধিলে।

ঃ তাৰ পিছত এঘাৰজনীয়া অঘৰী পৰিয়ালটোৰ মাজত থকা এজনী মাইকী মানুহৰ ওচৰত কুকুৰটোৱে মোনাখন নি এৰি দিলে। প্ৰথমে মাইকী মানুহজনীয়ে মোনাখন লৰচৰ কৰা দেখি ভয় খাই আঁতৰি আহিল। কিন্তু আকৌ কুকুৰটোৱে তাইৰ ওচৰলৈ মোনাখন আগুৱাই দিলে। তেতিয়া মানুহ গৰাকীয়ে মোনাখন খুলি দেখিলে যে তাত এটি কন্যা শিশু। তাই আচৰিত হ'ল। হয়তো কিছু সময়ৰ আগতে জন্ম হৈছিল। কোনোবাই ডাঠ কম্বলৰ টুকুৰাৰে মেৰিয়াই মূৰত টুপী এটা পিন্ধাই মোনাত ভৰাই পেলাই থৈ গৈছে। বুজিছে বৰা , আজিৰ যুগত মানুহ কিমান নিষ্ঠুৰ আৰু অমানৱীয় হৈ পৰিছে। ন'হলেনো.........? শিশুটোৰ গাত বাৰু কি দোষ আছিল? তাক যে দলিয়াই পেলাই থৈ যাব লাগে? আজিকালি অনাথ আশ্ৰমবোৰচোন আছেই। তাৰপৰা তুলি লোৱা মানুহৰ সংখ্যাও দিনক দিনে বাঢ়ি গৈছে। মানুহৰ কিছুমান কাণ্ড-কাৰখানাই মূৰটো গৰম কৰি দিয়ে বুজিছে শইকীয়াই ক'লে।

ঃ পিছত শিশুটোৰ কি হ'ল— বৰাই সুধিলে।

ঃ শিশুটোক পাই পদপথত বাস কৰি থকা সেই অঘৰী পৰিয়ালটোৰ আনন্দই কুলাই-পাচিয়ে নধৰা হ'ল। ইমান দিনে যিবোৰ মানুহে সিহঁতৰ ওচৰেৰে গ'লে নাকত সোপা মাৰি যাব লগা হৈছিল সেইবোৰ মানুহেও এতিয়া এবাৰকৈ হ'লেও সিহঁতৰ ফালে চোৱাই নহয়, খোৱা বস্তু আনকি কাপোৰ কানিও দলিয়াই দি যোৱা হ'ল। আনকি যিটো কুকুৰে কেচুৱাটো সিহঁতৰ তালৈ লৈ আনিছিল সিয়ো সিহঁতৰ লগত থকা কৰিলে। পদপথত থকা প্ৰতিটো মানুহৰ দেহত যেন ঘূৰি আহিল নতুন চেতনা। সিঁহতৰ এতিয়া ৰাতিপুৱা খাই বই কম্বল এখনলৈ শুই থকাৰ সময় নোহোৱা হ'ল। পদপথত পৰিয়ালৰ এটি নতুন আলহীৰ আগমণ। কুকুৰটোৱেও সিহঁতৰ লগত থকা হ'ল। শিশুটো আছিল কন্যা শিশু। শিশুটোক কি খুৱাব কি পিন্ধাব তাকে লৈ সিহঁত তৎপৰ হৈ উঠিল। তাকে লৈ কোনোবাই চিন্তা কৰি থাকোতে এজনীয়ে ক'লে— ভাতৰ মাৰ (নিসনি) খুৱাম। কথামতেই কাম। ভাত ৰান্ধোতে পানী বেছিকৈ দিয়ে। ভাতৰ ঢাকোনৰ ওপৰত জমা হোৱা পানীখিনি সিহঁতৰ মলিয়ন কাপোৰ খনেৰেই ছেকি বাটিত অলপ নিমখ মিহলাই শিশুটোক খুৱাবলৈ আৰম্ভ কৰিলে। কোনোবা পথচাৰীয়ে মলিয়ন কাপোৰেৰে শিশুটোক কোচত লৈ থকা দেখি সৰু সৰু কম্বল, চোলা, টুপী, কোনোবাই গামোচা, কোনোবাই আনকি মানুহ কেইগৰাকীয়ে খাবলৈ চাউল, চিৰা, কাপোৰবোৰ ধুবলৈ চাবোন, চাৰ্ফ আদিও দিলে। কোনোবাই ভাত বনাবলৈ নাইবা শিশুটোৰ কাৰণে এটা পাত্ৰও দিলে। গা-ধুৱাবৰ বাবে চৰিয়া এটাও দিলে।

সিহঁতৰ মাজত বৰ আনন্দ। ইমান দিনে সিহঁতৰ ফালে ঘূৰি নোচোৱা মানুহবোৰে আনকি জুমি জুমি চাবলৈ ধৰিলে। সাহায্যও দিলে এটি কন্যা শিশুৰ বাবে আজি সিহঁতৰ ইমান পৰিবৰ্তন।

কুকুৰটোৱেও বিভিন্ন ঠাইৰ পৰা খোৱা- বস্তু কামুৰি আনি সিহঁতক খাবলৈ দিয়ে। কোনো প্ৰতিবাদ নকৰাকৈ সিহঁতে খায়। কুকুৰটোৱে সিহঁতৰ লগতে সদায় থাকে আনকি শিশুটোক পহৰা দিয়ে আৰু বাকীবোৰে আহাৰ বিচাৰি যায়। লাহে লাহে শিশুটো সুস্থ হৈ আহিল। ভাতৰ মাৰ খায়েই তজবজীয়া হৈ উঠিল। সকলোৱে মিলি শিশুটোৰ নাম থলে 'মানৱী'। মানৱী লাহে লাহে ডাঙৰ হৈ আহিল। মানৱী দেখিবলৈ খুবেই ধুনীয়া সুস্থ স্বাস্থ্যৰ গৰাকী। ভাবিলে আচৰিত লাগে কুকুৰটোৱে ক'ৰপৰা কেচুৱাটোক লৈ আনিছিল কোনেও ইয়াৰ খবৰ নাৰাখিলে।

এজনী ছোৱালী আৰু এঘাৰ জনকৈ এটি অঘৰী পৰিয়াল। পৰিয়ালত বিভিন্ন সম্প্ৰদায়ৰ মানুহ আছে। তাৰে মাজত সেই লেতেৰা পৰিৱেশত মানৱী ডাঙৰ হ'বলৈ ধৰিলে। ইকাণ-সিকাণকৈ কথাটো স্থানীয় বিধায়কৰ কাণত পৰিল। কথাটো অলপ চিন্তা কৰি বিধায়কে মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি এই পৰিয়ালটো পদপথৰ পৰা স্থানান্তৰিত কৰাৰ কথা ভাবিলে। কিন্তু সংস্থাপন কৰা যায় ক'ত, তাৰহে চিন্তা কৰিছে। তেওঁলোকৰ মাজৰ পৰা কোনোবা এজনে ক'লে- আমচাঙত বহুৱাবলৈ। বিধায়কে তৎক্ষণাত কথাটো মানি ল'লে। এদিন সিহঁতক আমচাঙলৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হ'ল।





মানৱী সৰুৰে পৰাই পদপথত আছে। এইটোকে সিহঁতৰ ঘৰ বুলি ধৰি লৈছে। মানুহ যে এটা ভাল পৰিৱেশত থাকিব পাৰে সেয়া আমচাঙলৈ যোৱাৰ পিছতহে তাই বুজি পালে। অৰণ্যৰ বাঁহ-খেৰেৰে সিহঁতে ঘৰ সাজিলে। অৰণ্যৰ খৰিৰে ৰন্ধা-বঢ়া কৰে খৰি বুটলিবলৈ মানৱীয়েও যায়, লগত কুকুৰটোও যায়।

এদিন মানৱীক শিমলুগুৰী বতাহঘুলি এল.পি. স্কুলত নাম লিখি দিয়া হ'ল। পৰিয়ালৰ কোনেও পঢ়িব নজনাৰ বাবে শিক্ষক সকলেই ঘৰুৱা শিক্ষকৰ বাবে তাইক স্কুলতে পঢ়ুৱাইছিল। শ্ৰেণীত ভালকৈ উত্তীৰ্ণ হ'ব পাৰিছে। চাওঁতে চাওঁতে তাই চতুৰ্থ শ্ৰেণী পালে। বৃত্তি পৰীক্ষা দিবলৈ যো-জা কৰিলে শিক্ষক সকলে। বছৰেকীয়া পৰীক্ষাত দুদিন বহিলে। ভালেই হ'ল। সিদিনা আছিল শনিবাৰ। পিছবেলা পৰীক্ষা। সাধাৰণ জ্ঞানৰ বহীখন শিক্ষকে আগদিনা পঢ়ুৱাই স্কুলতে ৰাখি দিছিল। সেয়ে তাই সোনকালে ওলাইছিল স্কুললৈ। স্কুললৈ বেগাই খোজ ল'লে। গৈ গৈ কিছুদূৰ পালে। স্কুললৈ অলপ দূৰ থাকোতেই দেখিলে চাৰিওফালে হুলস্থূল। হাতী, বুলদেজাৰ, টেক্ট্ৰৰ আৰু বহুত খাকী পোছাক পিন্ধা মানুহ। তাইৰ ভয় লাগিছিল। ইতিমধ্যে ঘৰৰ পৰা তাই বহু দূৰ আহি পাইছিল। স্কুলৰ ওচৰত এটা প্ৰকাণ্ড আমগছ আছিল। তাই দৌৰি গৈ সেই আমগছ জোপাৰ ওচৰ পালে। দেখিলে ওচৰত স্কুলখন নাই। ডেক্স, বেঞ্চ, কিতাপ-পত্ৰবোৰ ইফাল সিফালকৈ পৰি আছে। ঘৰৰ টিনপাতবোৰ ভাঙি পেলাই দিয়া হৈছে। আগবেলা পৰীক্ষা দিবলৈ দেখোন কোনো অহা নাই। তাই কান্দিবলৈ ধৰিলে। তাইৰ ওচৰলৈ কেইজনীমান ছাত্ৰী ক'ৰবাৰ পৰা ল'ৰি আহিল। তাই ক'লে- আমাৰ স্কুলখনৰ এনে অৱস্থা কোনে কৰিলে? এজনীয়ে ক'লে- চৰকাৰে কৰিলে। এজনীয়ে ক'লে- হাতীয়ে কৰিলে। আন এজনীয়ে ক'লে- বুলড্ৰেজাৰে কৰিলে।

মানৱীয়ে ক'লে- হাতী, বুলড্ৰেজাৰে অকলে একো কৰিব নোৱাৰে। তাক মানুহেহে চলাব লাগে। কিন্তু চৰকাৰ কোনেনো চৰকাৰৰ অকণো জ্ঞান নাই নে? আমাৰ সৰু সৰু ল'ৰা ছোৱালীবোৰৰ স্কুলখন ভাঙি দিব লগা হ'ল। এতিয়া কি হ'ব? আমি ক'ত পৰীক্ষা দিম? মোৰ বহী কিতাপবোৰ ক'ত থাকিল। মানৱীয়ে দৌৰি গৈ বাগৰি থকা ডেক্স-বেঞ্চবিলাকৰ ফাঁকে ফাঁকে জুমি জুমি চাবলৈ ধৰিলে। কেইখিলামান ছিগা বহীৰ পাতত তাইৰ চকু পৰিল। বুটলি ল'লে। তাইৰ চকুৰ পানীৰে আখৰবোৰ চিনিব পৰা নাই এইবাৰ চকুৰ পানী মচি ল'লে। দেখিলে সেইবোৰ তাইৰ বহীৰ ছিগা পাত। তাইৰ বুকুখন চিৰিংকৈ গ'ল। ক'ত থাকিল বাকী বহীখন। কি হ'ব এতিয়া? ক'ত পঢ়িব? ক'ত পৰীক্ষা দিব? তাই চাৰিওপিনে কিতাপৰ দমবোৰ চাই চাই এবাৰ আন এটা দমলৈ চকু পৰিল। দৌৰি তাৰ ওচৰ চাপিল। বিচাৰোতে তাইৰ বহী এখন ওলাই পৰিল। সাধাৰণ জ্ঞানৰ বহী। বহীৰ পাতবোৰ লুটিয়ালে। ছিগাপাত কেইখিলা এইখন বহীৰে আছিল। আজি সাধাৰণজ্ঞানৰ পৰীক্ষা। বহীৰ পাত লুটিয়াওতে চকুৰ পানী সৰসৰকৈ বহীখন তিয়াই পেলাইছিল। এটা সময়ত বহীখন বুকুত সাবটি চিঞৰি চিঞৰি কান্দিছিল। ওচৰত কিছু মানুহ গোট খাইছিল। সকলোৱে মানৱীক বুজনি দিছিল। এনেত পিছফালৰ পৰা ভেউ ভেউকৈ এটা কুকুৰে তাইক স্কাৰ্টত কামুৰি জোকাৰি দিছিল। তাইৰ ওচৰত থকা মানুহবোৰে মানৱীক কামুৰিব বুলি তাইক তাৰ পৰা টানি আঁতৰ কৰোতে তাই পিছফালে ঘূৰি চালে। দেখিলে সিহঁতৰ লগত থকা কুকুৰটো। তাই মানুহৰ জুমৰ পৰা আঁতৰি আহি তাক সাবটি ধৰিলে আৰু ক'লে- 'চা চৰকাৰৰ কাণ্ড, আমাৰ স্কুলখনকো ভাঙি পেলালে।

কুকুৰটোৱে হয়তো তাইৰ ভাষা বুজি পাইছিল কাৰণ তাই জন্মৰ পৰাই দেখিছে সেই কুকুৰটোক সুখে-দুখে সি মানৱীহঁতৰ লগৰীয়া। সি মানৱীৰ লগত খেলে, মানৱীৰ লগত খায় আৰু শোৱেও । কুকুৰটোৱে মানৱীক স্কাৰ্টত আকৌ কামুৰি ধৰি ঘৰমূৱা হ'বলৈ ইংগিত দিলে। মানৱীয়ে এইবাৰ ভালকৈ ধ্বংসস্তুপত চালে। কুকুৰটো আগে-আগে গৈ থাকিল আৰু মানৱী পিছে পিছে নিজৰ আপোন ঘৰখনলৈ..... ।

# আশাহত

**মৰ্জিনা ৰহমান**
স্নাতক মহলা ষষ্ঠ যান্মাসিক
(বিজ্ঞান শাখা)

ইস! ইস! কেনে তজবজীয়া ল'ৰাটো ঐ। তাৰনো এনে দশা হ'ব লাগেনে? বিধৱা মাকজনীয়ে চাগে কান্দি কান্দি পাগলী হ'ব এতিয়া। নিজে নেখাই ল'ৰাটোকে খুটি খুটি খুৱাই ডাঙৰ কৰিছিল।.............হয় অ' ভাবিলে বৰ বেয়া লাগে।

এজাক মানুহে মফিদাক ঘেৰি ধৰি কথা পাতিছে। ওচৰৰে গাওঁত হোৱা দুৰ্ঘটনাটোৰ কথা। এইটো এটা সঁচাকৈ দুৰ্ঘটনানে (?)। এইটো এটা পৰিকল্পিত হত্যা! মানুহবোৰে বু-বু বা-বা কৰিছে। কেইবাদিনো ধৰি ইমানুলে হাড়-ভঙা পৰিশ্ৰম কৰি আছিল কেইটিমান টকাৰ বাবে। চাকৰিটো পালে সি বিধৱা মাকৰ চিকিৎসা কৰিব পাৰিব। নদীৰ পাৰৰ পৰা ঘৰ-বাৰী অন্য ভাল ঠাইলৈ তুলি নিব, মাকে তাৰ বিয়াখন পাতিবলৈও কৈ আছে। কিমান যে সপোন আছিল তাৰ.................!

ঃ ছাৰ মোক আৰু এটা সুযোগ দিয়ক। প্লীজ ছাৰ, প্লীজ.....। মই আপোনাক এসপ্তাহৰ ভিতৰতে টকা জমা দিম।

ঃ হাঃ হাঃ.......। ইমান দিনৰ ভিতৰতো তুমি দিব নোৱাৰিলা যেতিয়া এতিয়া এই এসপ্তাহৰ ভিতৰতনো কি কৰিবা? হাঃ কি কৰিবা। এই চাকৰিটোৰ বাবে কিমান মানুহ ৰখি আছে, উচিত পইচা দি নিবলৈ। তোমাৰ লগত চিনাকি আছিল কাৰণেহে ইমান দেৰি..........।

ঃ ছাৰ অনুগ্ৰহ কৰি আৰু অলপ দেৰি কৰক।

ঃ কি ভৰসাত?

ইমানুলে অলপ সময় মনে মনে ৰ'ল আৰু এনে এটা কথা ক'লে যে শইকীয়াও তবধ মানিলে।

ছাৰ........। মোৰ ঘৰ ভেটি মাটি আপোনাৰেই ছাৰ। এই বুলি ইমানুলে এখন কাগজ তেওঁলৈ আগবঢ়াই দিলে। বিষয়াজনৰ মুখত এটি হাঁহি বিৰিঙি উঠিল। এটি মিছা প্ৰলোভনেৰে অফিচাৰজনে তাক বিদায় দিলে। এক সপ্তাহৰ পিছত পুনৰ লগ ধৰিবলৈ দিলে।

ইমানুলে এইবাৰ টকাৰ কাৰণে দিন ৰাতি একাকাৰ কৰি দিলে। মাকৰ গহনা বেচিলে আৰু টকালৈ নিৰ্দিষ্ট দিনত উপস্থিত হ'ল। কিন্তু হায়! ভণ্ড বিষয়াজনে নিজৰ কথা নেৰাখিলে।

ঃ আপুনি এনে কাম কেনেকৈ কৰিব পাৰিলে?

ঃ তেওঁ মোক দুগুণ টকা দিলে নহয়। হিঃ হিঃ হিঃ

তেতিয়া ইমানুলে খণ্ডত অগ্নিশৰ্মা হৈ পিন্ধি থকা ফঁটা জোতা এপাত বিষয়াজনৰ মুখলৈ মাৰি পঠিয়ালে। ছিকিউৰিটি গাৰ্ডে লগে লগে তেওঁক ধৰি পেলালে।

ঃ ইয়াক গতিয়াই বাহিৰ কৰি দিয়া আৰু শুন ইমানুল, আজিৰ পৰা তই পদপথত থাকিবি। হিঃ হিঃ.......। কাৰণ মাটি ডোখৰো মোৰেই। কাৰণ তই মোক সময় মতে টকা দিব নোৱাৰিলি।

ইমানুল সৰ্বস্ৰান্ত হৈ কিছু সময় ষ্টেচনত জুপুকা মাৰি বহি থাকিল। হঠাৎ সি এটা আচৰিত সিদ্ধান্ত ল'লে। নাভাবি-নিচিন্তি চলন্ত ৰেলখনৰ সন্মুখত জাপ মাৰি দিলে।





# উৎসৱ

**নুৰ নাহাৰ ৰহমান**
স্নাতক মহলা চতুৰ্থ যান্মাসিক

ঃ ৰিজুৱান কি কৰিছা?
কাৰোবাৰ মাতত উচপ খাই ৰিজুৱানে পিছফালে চালে।
ঃ অ' ৰুহুলদা আহিলা?
ঃ ও আহিলো, পিছে তুমি ইমানকৈ কি চিন্তা কৰি আছিলা?
ঃ নাই একো চিন্তা কৰা নাই, এনেয়ে।
ঃ কিবা চিন্তা কৰি থকা যেন পাইছিলো।
ৰুহুলে হাতত অনা বেগটো থৈ তাৰ কাষত বহিলে।
ঃ এনেয়ে ৰিজুৱানে এটা হাঁহি মাৰি কলে।
ঃ এনেয়ে মানে? ৰহুলে এখন হাত ৰিজুৱানৰ কান্ধত থৈ সুধিলে।
ঃ এইবোৰ আৰু যেনে ধৰা...............
ঃ অ' গম পাইছো, চাকৰিৰ চিন্তা! ধেৎ বাদ দিয়া এই চাকৰি বাকৰিৰ কথাবোৰ ৰুহুলে ৰিজুৱানৰ কথাষাৰ শেষ নহওঁতে কৈ উঠিল,
ঃ ভাত খালানে?
ঃ ও, তুমি অহাৰ অলপ আগতে খাই উঠিছো। দোকানৰ বাবে বজাৰ কৰিলা? ৰিজুৱানে ৰুহুলৰ ফালে চাই সুধিলে।
ঃ অলপ বস্তু ৰৈ গ'ল। আবেলি আকৌ যাব লাগিব। ৰুহুলে বেগটো খুলি খুলি কথাষাৰ ক'লে।
ঃ কি বস্তু পাহৰিলা?
ঃ বিস্কুটৰ কাৰ্টুন এটা আনিবলৈ পাহৰিলো।
ঃ তুমি যাব নালাগে দিয়া, মইয়ে গৈ লৈ আনিব পাৰিম। ৰিজুৱানে চকীখনৰ পৰা উঠি বেগৰ পৰা বস্তুবোৰ উলিওৱাত লাগিল।

ব্যস্ত মহানগৰীৰ ৰাজপথৰ দাঁতিতে ৰিজুৱানহঁতৰ দোকানখন। দোকানখনৰ পদ পথটোৰ বিভিন্ন ধৰণৰ মানুহ ৰাতিপুৱাৰ পৰা নিশালৈ অবিৰাম গতিত অহা-যোৱা কৰি থাকে। বুকুত এবুকু আশা লৈ কলেজলৈ অহা ল'ৰা-ছোৱালীবোৰ দেখিলে ৰিজুৱানৰো নিজৰ এৰি অহা কলেজীয়া দিনবোৰৰ কথা মনত পৰে। তেওঁতো সিহঁতৰ নিচিনাকৈ কলেজলৈ গৈছিল মনত বহুত আশা আৰু সপোন বান্ধি। কিন্তু তাৰ জানো সেই আশা আৰু সপোন পূৰণ হ'ল? ৰিজুৱান পঢ়া শুনাত খুউব চোকা আছিল আৰু বুদ্ধিও বৰ প্ৰখৰ আছিল।

স্কুলত পঢ়ি থাকোতে সি প্ৰথম বিভাগত উত্তীৰ্ণ হৈ নিজৰ লগতে গাওঁখনলৈও সন্মান কঢ়িয়াই আনিছিল। বিজ্ঞান আৰু অংক তাৰ প্ৰিয় বিষয় আছিল আৰু এই দুটা বিষয়ত সি যথেষ্ট নম্বৰলৈ উত্তীৰ্ণ হৈছিল। ৰিজুৱানক এজন অভিযন্তাৰূপে গঠি তুলিবৰ বাবে মাক-বাপেকৰ সপোনক বাস্তৱৰূপ দিবলৈ অভিযান্ত্ৰিক মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিল। ইঞ্জিনীয়াৰিং কৰ্চ সম্পূৰ্ণ কৰি ৰিজুৱানে ট্ৰেইনিংৰ বাবে বহুতো ঠাইলৈ যাব লাগিছিল। সি ভাবিছিল যে ট্ৰেইনিংবোৰ শেষ হোৱাৰ পিছত সি চাকৰিটো পাব। কিন্তু ভবা কথা যে কেতিয়াও সঁচা নহয়, এই সত্যক সি উপলব্ধি কৰিছিল। ট্ৰেইনিংৰ পৰা ঘূৰি আহি সি বহুতো ইন্টাৰভিউ পৰীক্ষা দি কৃতকাৰ্য হৈও কতো স্থান নাপালে। য'লৈকে যায়, তাতেই মাত্ৰ সকলোৰে মুখত এষাৰ কথা যে, ইমানখিনি টকা লাগিব। সি সঁচাকৈয়ে অনুভৱ কৰিছিল যে টকা নহ'লে আজিৰ দিনত বিদ্যাৰো কোনো মূল্য নাই।

টকা থাকিলে বিদ্যাকো কিনিব পৰা কথাটো সঁচাই অনুভৱ কৰিছিল সি। মাক-দেউতাকে তাৰ চাকৰিটোৰ কাৰণে যিমান টকা লাগে সিমান দিবলৈ সাজু, কিন্তু তাৰ কোনো ইচ্ছা নাছিল সি নিজৰ সামৰ্থক কিনাৰ। ঘৃণা হৈছিল তাৰ আজিৰ সমাজখনৰ প্ৰতি, মানুহবোৰৰ প্ৰতি..........।

মাক-দেউতাকেও তাক অশেষ যত্ন কৰি বুজাব নোৱাৰিলে। আজিৰ সমাজখনৰ কাৰণে সি মাক-দেউতাকৰ সপোনকো পাহৰি পেলাইছিল। তাৰ পিছত এনেয়ে ছমাহ মান ঘৰতে বহি কটালে। হঠাৎ এদিন ৰিজুৱানৰ পেহীয়েকৰ ল'ৰা ৰুহুলে গৈ ৰিজুৱানক তাৰ সকলো সামগ্ৰী পোৱা দোকানখনৰ অংশীদাৰ হিচাপে থাকিবলৈ লৈ আনিলে। তেতিয়াৰ পৰা আৰম্ভ হ'ল তাৰ নতুন জীৱন। এইবাৰ সি নতুনকৈ ভাবিবলৈ আৰম্ভ কৰিলে। সি কষ্ট কৰিব, যিমান পাৰে সিমান। তাৰ মাজেদিয়ে সি আনন্দ লভিব। এনেদৰে লভিব সন্তুষ্টি আৰু জীৱনটোক প্ৰতিদিনে উদযাপন কৰিব একো একোটা উৎসৱৰ দৰে।

# নৰজ্যোতি মহাবিদ্যালয়ত মোৰ প্ৰেম

শ্বহিদুল ইছলাম
স্নাতক মহলা দ্বিতীয় ষাণ্মাসিক
(বিজ্ঞান শাখা)
সম্পাদক, লঘু খেল বিভাগ

..........তেতিয়া বাজি উঠিছিল মন্দিৰৰ ঘন্টা, গীৰ্জাৰ প্ৰাৰ্থনা আৰু মছজিদত আজানৰ শব্দ। লাহে লাহে ৰক্তিম সূৰুযে উদাৰ আকাশৰ বুকু ভেদি ওলাই আহিছিল ৰাতিৰ অন্ধকাৰ আঁতৰাই ধৰণীখন আলোকিত কৰিবলৈ। প্ৰাণ পাবলৈ লৈছিল ধৰা তল। নতুনত্বৰ সন্ধানত আগবাঢ়িব লৈছিল সকলো। খিৰিকীৰে কাঁচৰ অন্তৰ ভেদি প্ৰৱেশ কৰা দূৰ গগনৰ মিহিৰ কিৰণে চুমিছিল মোৰ দেহ। সাৰ পালো মই। প্ৰাণ পালে মোৰ দেহ। গতিশীল হ'ল মোৰ দৈনন্দিন জীৱন। সোনকালেই গা-ধুই তাত খাই কলেজলৈ বুলি ওলালো আজি আমাৰ কলেজত নৱাগত আদৰণি অনুষ্ঠান পাতিছে। অলপ সোনকালেই যেনিবা কলেজগৈ পালো। কলেজ পাইয়েই মনটো ভাল লাগিল। চাৰিওফালে, উখল-মাখল পৰিৱেশ। কেন্টিনত ল'ৰা-ছোৱালীৰ আড্ডা। বট তল, গাৰ্ডেন, পুখুৰী পাৰত ছেল্ফি তোলাৰ আমেজ। মঞ্চত গানৰ অমিয়া সুৰ। মুঠৰ ওপৰত আনন্দ আৰু আনন্দ। কলেজ পাইয়েই পোনতে ৰাহুলক ফোন কল এটাকে কৰিলো।

ঃ ৰাহুল, তই ক'ত আছ?

ঃ অ' শ্বাহিদ, বট গছৰ তলত আহ! মই ইয়াতেই আছো।

মই তাক লগ ধৰিলো। বিভিন্নজনে ব্যস্ত আছিল কথা পতাত ছোৱালী জোকোৱাত, আড্ডা দিয়াত। আমিও সিহঁতৰ সতে একাকাৰ হৈ পৰিলো। এনেতে এদল ছোৱালী আমাৰ সন্মূখেৰে পাৰ হৈ গ'ল। তাৰে মাজত কেইবাটাও আঙুঠি পিন্ধা ধুনীয়া ছোৱালী এজনী আছিল। তাইৰ নাম জুলি। তাইক মই বহুদিনৰ পৰাই চিনি পাওঁ। মই উচ্চতৰ মাধ্যমিক পঢ়ি থকা একাডেমীখনতে তাই উচ্চ মাধ্যমিক পঢ়ি আছিল। একাডেমীত তাইৰ ক্লাচৰ সৈতে আমাৰ ক্লাচৰ সময় মিলা নাছিল। সেই হেতুকে তাইৰ সতে কথা পতাৰ সুযোগ পোৱা নাছিলো। আহি পালে অক্টোবৰ মাহ। মানে বাৰ্ষিক অধিৱেশন তথা একাডেমী সপ্তাহ পালনৰ দিন। কেইদিনমান আগৰে পৰাই নৃত্য-গীত, নাটক, কৌতুক আদিৰ আখৰা চলি আছিল। তাইৰ ও কোৰাচ্‌ৰ দল এটা আছিল। কিন্তু কিবা কাৰণত বিভাগীয় শিক্ষকজনে জুলিহঁতৰ দলক বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত নহ'ল। পিছত জুলিহঁতে আহি কথাটো মোক জনালে। কাৰণ তেতিয়া একাডেমীত মোৰ বিশেষ প্ৰভাৱ এটা আছিল। সদৌ শেষত মই আৰু মোৰ বন্ধু-বান্ধৱী সকল লগ লাগি জুলিহঁতৰ দলক মঞ্চ সফল কৰি তুলিলো। সেই সূত্ৰে জুলি আৰু তাইৰ বান্ধৱী সকলৰ সৈতে অলপ চিনাকী হৈছিলো। তেতিয়াৰ পৰাই অ'ত-ত'ত দেখা পালে অন্ততঃ মাত এযাৰ দিছিল।

এনেতে ঘন্টাৰ শব্দ শুনা পালো। দহ বাজিল। প্ৰীতি মেল আৰম্ভ হবৰহি হ'ল। আমি মঞ্চৰ পূৱ কাষত থিয় দিলো। মঞ্চত ধুনীয়াকৈ এফালে টেবুল এখন সজাই থোৱা আছে। ওপৰত ৰাখি থোৱা আছে দেহ মন শাঁত পেলোৱা কেইপাহি সজীৱ ফুল। বিশিষ্ট ব্যক্তি সকল আহি আসন গ্ৰহণ কৰিলে। জুলি মঞ্চৰ পৰা অলপ উত্তৰ ফালে পশ্চিম কাষত থিয় দি আছিল। নৱাগত সকল মঞ্চলৈ আহিছে গৈছে, বিভিন্নজনৰ বিভিন্ন কথাৰ উত্তৰ দি আছে। সময়ে সময়ে প্ৰেক্ষাগৃহৰ পৰা হাত-চাপৰি জাউৰি হাঁহি আদি ভাহি আহিব ধৰিলে। জুলিও কেতিয়াবা হাঁহিছে, বান্ধৱী সকলৰ সৈতে কথা পাতিছে। নাজানো কিয় এনেকুৱা হ'ল, মঞ্চৰ পিনে চকু যোৱাৰ সলনি তাইৰ পিনেহে বেছি ধাৱমান হ'ল। তাইৰ কাজলসনা চকুযুৰি আৰু মেঘালী চুলিয়ে মোক বৰকৈ আকৰ্ষিত কৰিছিল। তাইৰ বান্ধি থোৱা চুলিকোছাৰে তাই বেছ ধুনীয়া হৈ পৰিছিল। ৰবিৰ কোমল কিৰণত জিলিকিছিল তাইৰ দুটি ওঠ, ডালিমগুটীয়া দাঁতেৰে তাইৰ হাঁহিটো আছিল চকুৰৈ যোৱা। তাই লুকাই চুৰকৈ মোৰ পিনে চাইছিল। কেতিয়াবা তাইৰ চকুত মোৰ চকু পৰাত তাই লাজকুৰীয়া চাৱনিৰে চকুযুৰি তললৈ নমাই নিছিল। লাহে লাহে প্ৰীতিমেল শেষ হৈ আহিল।

প্ৰীতি-ভোজন কাৰ আহিয়েই আমি দুয়ো মঞ্চৰ কাষ পালো। আকৌ তাইক ঠিক একে ঠাইতে পাই মোৰ বেছ ভাল লাগিল। এনেতে ৰাহুল মাত লগালে-

"হেৰৌ শ্বাহিদ, ব'ল কেন্টিনলৈ যাওঁ?"

"কিয়? তাতে কি হ'ল?"— মই সুধিলো।

"এহ্ নকবি আৰু, ভালদৰে খোৱাও নহ'ল কিবা এটা খাই আহো।

আমি দুয়ো খাই বৈ আহিলো। কিন্তু এইবাৰ জুলিক সেই একে ঠাইতে আৰু নাপলো। তাইৰ বান্ধৱী সকলক সুধিলো, কিন্তু কোনো ধনাত্মক সহাঁৰি নাপালো। মোৰো মন নগ'ল কলেজত আৰু বৈ থাকিবলৈ। মই ঘৰলৈ গুচি আহিলো। নৱাগত আদৰণি সভা শেষ হোৱাৰ পিছৰে পৰাই অধ্যাপক-অধ্যাপিকা সকলে ক্লাচৰ গতি লাহে লাহে বঢ়াবলৈ আৰম্ভ কৰিলে। আগতে কেতিয়াবা ক্লাচ অফ্ পাইছিলো। আজিকালি তাকো নোপোৱা হলো। তাতে আকৌ ছেমিষ্টাৰত মাত্ৰ ৭৯ টা ক্লাচ। গোটেই ছিলেবাছ কভাৰ কৰিব লাগে। গতিকে অফ্ টাইমতো ক্লাচবোৰ আৰম্ভ হোৱাটো স্বাভাৱিক হৈ পৰিল। ক্লাচবোৰৰ সৈতে মই নিজেও ব্যস্ত হৈ পৰিলো। ইয়াৰ মাজতো সময় উলিয়াই জুৰিক লগ ধৰিবলৈ আৰ্টছ ব্লকলৈ আহিছিলো। কেতিয়াবা লগ পাইছিলো আৰু কেতিয়াবা লগ নাপাই নীৰৱ মনেৰে উভতি আহিছিলো। লাহে লাহে তাই যেন মোৰ দুৰ্বলতা হৈ আহিব ধৰিলে। কবলৈ গ'লে তাইৰ প্ৰেমত পৰিলো। এদিনাখন সিদ্ধান্ত ললো জুৰিক মোৰ প্ৰেমৰ প্ৰস্তাৱ দিম বুলি।

"ঐ ৰাহুল, ইয়াত আহচোন!" মই কলো।

"কি হ'ল? কেলেই মাতিলি? ক্লাচ শেষ হ'ল নে?

নাই অ' আৰু দুটা আছে। এহ্ আজি জুলিক ক্লাচ শেষ হোৱাৰ পিছত বৈ থাকিবলৈ দিবিচোন আৰু মই লগ ধৰিম বুলি কৈ দিবি।"

কথামতেই কাম। আজি ১৫ চেপ্তেম্বৰ। ক্লাচ শেষ হোৱাৰ পিছত লক্ষ্য কৰিলো জুলি গাৰ্লছ কমন ৰুমৰ ওচৰত থিয় দি আছে। মই ওচৰলৈ আগবাঢ়ি গলো।

ঃ জুলি! কেনে আছা?

ঃ ভালেই, তোমাৰ?

ঃ মোৰ ভালেই। ক্লাচ শেষ হ'ল নেকি?

ঃ হয় এইমাত্ৰ শেষ হ'ল।

ঃ তোমাক কথা এটা কম বুলিয়েই লগ ধৰিব কৈছিলো। বেয়া নোপোৱাতো?

ঃ নাই নাপাওঁ কওকচোন!— তাই হাঁহি মুখেৰে উত্তৰ দিলে।

ঃ তুমি মোক কিমানখিনি জানা, কিমানখিনি বুজি পোৱা মই গম নাপাও। ইমান দিনে মই তোমাক ভালেখিনি জানিলো আৰু এতিয়াও বুজি পাওঁ। তোমাক লগ ধৰি তোমাৰ সতে কথা পাতি কটোৱা সময় যেন সোনকালেই গুচি যায়। আজিকালি তোমাক লগ নধৰি থাকিব নোৱাৰা হৈ পৰিলো। তোমাক লগ নোপোৱা দিনবোৰ নাযায়-নুপৰাই যেন লাগে। মই দিনক দিনে তোমাৰ প্ৰতি চাগে অলপ বেছি দুৰ্বল হৈ পৰিছো।

ঃ আপুনি কি কৈছে, মই একো বুজা নাই।

ঃ মই তোমাক হেৰুৱাব নুখোজো। মই তোমাক নিজৰ কাষত পাব বিচাৰো। মই তোমাক ভাল পাই পেলালো। আই লাভ ইউ জুলি। কেইটা মূৰ্হুত পাৰ হৈ গ'ল নিৰৱে।

ঃ কি হ'ল মনে মনে আছা যে? মই কলো।

ঃ অহ্ মানে মোক সময় অকণমান লাগিব। এইবোৰ কথাৰ



নৰজ্যোতি, ২০১৭-১৮ বৰ্ষ‖ সংখ্যা-৩০

উত্তৰ ইমান সোনকালে দিব নোৱাৰি নহয়। পিছে অহা কাইলৈ আপুনি অপেক্ষা কৰক। এইখিনি কৈয়েই তাই গুচি গ'ল।

কলেজত মোৰ বিশেষ আন কোনো কাম নথকাৰ বাবে মইয়ো ঘৰলৈ উভতিলো। ঘৰত খোৱা-বোৱা একোতে মন নোযোৱা হ'ল। ৰাতিও যেন স্বাভাৱিকতকৈ দীঘল হৈ পৰিল। কথাতে কয় নহয় দুখৰ ৰাতি সোনকালে নুপুৱায়।

ৰাতিটো কোনোমতে পাৰ কৰি কলেজলৈ বুলি ওলালো। আহিয়েই পোনতে আৰ্টছ ব্লকত সোমালো। কিন্তু ক'ত তাইকচোন লগেই নাপালো। ঘূৰি গলো চাইন্স ব্লকলৈ, দুটামান ক্লাচ কৰিলো। নামিলো 'মিছন জুলি'ত। বহু ঠাই বিচাৰ খোচাৰ কৰিলো। তাইৰ বান্ধৱী সকলোকে লগ ধৰিলো, কলেজত বিচাৰিলো, আনকি দুদিনৰ মূৰত ৰাহুলক তাইৰ ঘৰলৈ পঠিয়াইয়ো তাইৰ কোনো খবৰ উলিয়াব নোৱাৰিলো। অৱশেষত তাইৰ বান্ধৱী এজনীৰ পৰা তাইৰ ফোন নম্বৰটো যোগাৰ কৰিবলৈ সক্ষম হ'লো। কিন্তু কি হ'ব? তাইৰ ফোনটোও বন্ধহৈ আছো।

আজি ২৫ চেপ্তেম্বৰ। মই তাইক প্ৰ'পজ কৰাৰ দহ দিনেই পাৰ হ'ল। তাইৰচোন খবৰেই নাই। তাই ক'ত আছে, কি কৰিছে মই নাজানো। মোৰ বিশ্বাস তাই য'তেই আছে সুখতেই আছে। মই আজিও আছো আৰু থাকিম তাইৰ এটি মাত্ৰ সেই উত্তৰৰ অপেক্ষাত.........।

## কৌতুক

১। গ্ৰাহক ঃ বহী আছেনে?
দোকানী ঃ হয়। বহি আছোঁ।
গ্ৰাহক ঃ নহয়, আপোনাৰ দোকানত বহী আছেনে?
দোকানী ঃ হয়। মই দোকানতে বহি আছোঁ।

২। ল'ৰা- মা, দেউতাৰ মূৰত চুলি নাই কিয়?
মাক- তোৰ দেউতাৰ বুদ্ধি বেছি, সেইবাবে।
ল'ৰা- তেনেহলে তোমাৰ মূৰত দেখোন এটাও বুদ্ধি নাই।

## সাঁথৰ

১। ওলমা পিঠা খাবলৈ মিঠা, হাজাৰ গোপীৰ এখন পিঠা। -মৌচাক।

২। আহোতে নাহে, পিছত আহে আকৌ যায় আকৌ আহে, পিছৰ বাৰ মূঠেই নাহে। - দাঁত।






ইংৰাজী ২০১৭-১৮ বৰ্ষৰ মিষ্টাৰ নৱজ্যোতি বঁটা প্ৰদানৰ এক আকৰ্ষণীয় মূহুৰ্ত।



মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাৰ এক বিশেষ মূহুৰ্ত।




আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপন উপলক্ষে আয়োজিত কৰ্মশালাৰ এটি মূহুৰ্ত।




জৈব প্ৰযুক্তি বিজ্ঞান বিভাগৰ বিজ্ঞানাগাৰৰ আধাৰশিলা স্থাপনৰ শুভ মূহুৰ্তত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় সম্বলিতে জনীয়া বিধান সভা সমষ্টিৰ শ্ৰদ্ধাৰ বিধায়ক মাননীয় আব্দুল খালেক চাহাব।



অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক আৰু নবজ্যোতি মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে সুখ্যাতি কৰ্মজীবনৰ পৰা অৱসৰ লোৱা মিৰ্জা আঃ হামিদ মহোদয়ক বিদায় সম্ভাষণ জনোৱাৰ এটি মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন উপলক্ষে শ্বহীদ বেদীত মাল্যাৰ্পণৰ এক বিশেষ মূহুৰ্ত।



গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক দলৰ লগত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভাব বিনিময়ৰ এটি বিশেষ মূহুৰ্ত।



মহাবিদ্যালয় সপ্তাহ উপলক্ষে ছাত্ৰী জিৰণি কোঠাৰ দ্বাৰা আয়োজিত ৰচনা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠা বিজয়ীক বঁটা প্ৰদানৰ এক বিশেষ মুহূৰ্ত



অষ্টম কলগাছিয়া গ্ৰন্থমেলাত অনুষ্ঠিত বিভিন্ন শিতানৰ বঁটা প্ৰাপক নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী প্ৰতিযোগী সকলক বঁটা প্ৰদানৰ এক বিশেষ মূহুৰ্ত।



মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত সংগীত প্ৰতিযোগিতাত বিভিন্ন শিতানত ১ম স্থান প্ৰাপ্ত প্ৰতিযোগী সকলক বঁটা প্ৰদান কৰা মূহুৰ্তত অধ্যক্ষ মহোদয়।



CAMP ছিনিয়ৰ CATC- 38 NCC কেডেট প্ৰশিক্ষণ শিৰিবত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ মনিৰুল ইছলাম ( সোঁফালৰ দ্বিতীয়জন)ক দলপতি হিচাপে মানপত্ৰ প্ৰদানৰ এটি মূহুৰ্ত।



বালিকুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ এম. ইব্ৰাহিম আলী মহোদয়ৰ দ্বাৰা মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ এক মূহুৰ্ত




নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত নাট কৰ্মশালাৰ এটি মুহূৰ্ত।




অসমীয়া বিভাগৰ বোধিদ্ৰুমৰ সাহিত্য চৰাৰ দ্বাৰা আয়োজিত কাঁচিয়লি উন্মোচনী সভা তথা কবিতা সন্মিলনী বিশিষ্ট কবি অনুভৱ তুলসী, গুৱাহাটী বিশ্ব বিদ্যালয়ৰ অধ্যাপক কামাল উদ্দিন আহমেদ, কাব্য তপস্বী এম. আ হুছেইন সম্বলিতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ঘনশ্যাম ভৰালীয়ে বক্তৃতা প্ৰদানৰ এক মূহুৰ্ত।



মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত অধ্যক্ষ একাদশ আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক একাদশৰ মাজত অনুষ্ঠিত প্ৰীতি ক্ৰিকেট খেলৰ এক আকৰ্ষণীয় মূহুৰ্ত।



মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত প্ৰীতি ক্ৰিকেট প্ৰতিযোগিতাৰ বিজয়ী বঁটাসহ অধ্যক্ষ একাদশৰ উৎ খেলুৱৈ সকলৰ এক বিশেষ মূহুৰ্ত।




মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত থিতাতে লিখা ৰচনা প্ৰতিযোগিতাৰ বিচাৰক মণ্ডলীৰ সৈতে এক বিশেষ মূহুৰ্ত।



# ব্যৰ্থ জীৱন

**ইনিয়াৰা খাতুন**
স্নাতক মহলা ষষ্ঠ ষান্মাসিক
(কলা শাখা)

অৰুণিমাক আজি কিছুদিন ধৰি বিষণ্ণ যেন দেখা গৈছে। তাই সদায় চিন্তাক্লিষ্ট হৈ থাকে। বৰ বেছি মাত-বোল নকৰে। তাইৰ কি হৈছে ঘৰৰ আন সদস্যই গম নাপায়। মাক সুৰভীয়ে তাইক মাতিলেও বৰ-বেছি প্ৰতিক্ৰিয়া নকৰে। অৰুণিমাক লৈ মাক আজি অসহায়। সুৰভীয়ে ভাবে ছোৱালীজনীৰনো কি হৈ গ'ল? তাই ভাৰি একো উৰা-দিহ পোৱা নাই। অৰুণিমা এগৰাকী প্ৰাণচঞ্চল, সকলোতে পাৰ্গত এগৰাকী মেধাৱী ছাত্ৰী আছিল। কিন্তু? তাইৰ ভাল নম্বৰ থকা মাৰ্কশ্বীটখনেও তাইক আজি কামত অহা নাই। কিয়নো তাই দুখীয়া, নিচলা ঘৰৰ ছোৱালী। তাইৰ পৰিয়ালটো আৰ্থিক দৈন্যতাত ভোগা এটি পৰিয়াল আৰু তাইৰ লগত কোনো ক্ষমতাশালী ৰাজনৈতিক নেতা, বিষয়ৰ লগত কোনো ঘনিষ্ঠ সম্পৰ্ক নাই। সেয়ে তাই আজি কোনো কৰ্ম সংস্থাপন লাভ কৰিবলৈ সক্ষম নাই। কিবা ভাল চাকৰিৰ বাবে উৎকোচ দিবলৈ নাই তাইৰ ধন। সেয়ে তাই আজি দিকভ্ৰান্ত। কি কৰিব কি নকৰিব ভাৰি একো উৰাদিহ পোৱা নাই। তাইৰ মুখৰ পিনে চাই আছে তাইৰ একমাত্ৰ মেধাৱী ভায়েক ৰাতুল। কিয়নো অৰুণিমাই ভাল চাকৰি কৰি তেওঁক পঢ়ুৱাই মানুহ হিচাপে গঢ়ি তুলিব। কিন্তু এই আশাৰ বন্তিগছি যেন লাহে-লাহে নুমাই যাব ধৰিছে। কিন্তু? অৰুণিমাই নিজৰ মনক দৃঢ় কৰি তাই এটি কোম্পানীৰ চাকৰিত ইতিমধ্যে যোগদান কৰিছে নিজৰ কুমাৰীত্বক বিসৰ্জন দি। তাই যিটো কোম্পানীত যোগদান কৰিছে সেই কোম্পানীটোৰ মেনেজাৰৰ ভোগৰ বলি হৈ। অৰুণিমাৰ ৰূপ, যৌৱন সকলো বিসৰ্জন দি তাই এই চাকৰিটোত যোগদান কৰিছে। কাৰণ তাইৰ ভাল মাৰ্কশ্বীটখন আজি তাইৰ পৰা আতৰি ফুৰিছে। এই বিপদৰ সময়ত, অসহায় এই নিকৃষ্ট পথ গ্ৰহণৰ বাহিৰে তাইৰ হাতত আন একো উপায় নাছিল। কিয়নো তাই যে ভায়েকক মানুহ কৰিব লাগিব। সিহঁতক জীয়াই ৰাখিব লাগিব।

# কবিতা কুঞ্জঃ





## এমুঠি সোণ

ছৈয়দা হামিদা খাতুন
মুৰব্বী অধ্যাপিকা
অসমীয়া বিভাগ।

ভাবিছিলো নিজকে সৌভাগ্যৱতী বুলি,
হাতত এমুঠি সোণ।
টানকৈ ধৰিলো (চম্ভালিলো) হেৰাব বুলি
নিজৰিছে ঝৰ ঝৰ কৰি।
মাটিত মিলিল মোৰ,
সোণৰ অতীতবোৰ।
গুচি গ'ল প্ৰাণৰ বান্ধৱ যত
অকলশৰীয়া মই।
মুঠিৰ সোণলৈও ভয়
মেলি চাও মুঠি শূন্য
অকলশৰীয়া মই এবিধ
মূল্যহীন পণ্য।
হেৰাল মোৰ তেজৰ উৎসবোৰ
মৰিচিকাত দিশ হেৰাল



শান্তি ক'ত জীৱনৰ
পুৱা নে গধুলি পৰত
জীৱনে হাহাকাৰ কৰে.......
জীৱনৰ পুৱাত.......
নোপোৱাৰ বেদনা........।
জীৱনৰ আবেলিত........
হেৰুৱাৰ যাতনা.........।
শান্তি ক'ত...............?

# কুঁৱলী সনা ৰাতিপুৱা

ৰেহেনা পাৰবিন
স্নাতক মহলা দ্বিতীয় যান্মাসিক
(বিজ্ঞান শাখা)

ৰাতিপুৱাৰ কুঁৱলী সনা পৃথিৱী
ভগৱানৰ এক অপৰূপ সৃষ্টি,
দেখিলেই মন প্ৰাণ আনন্দিত হয় আৰু
কৰে নতুন দিনৰ আৱন্তণী



কুঁৱলীৰ আঁৰত লুকাই থাকে
আঘোণৰ সেউজীয়া পথাৰ
ঘাঁহনিৰ মূৰত লাগি থকা কুঁৱলীয়ে
সৃষ্টি কৰে এক মনোমহা দৃশ্যৰ।

গছৰ তলেদি গৈ থকা সময়ত
আমনি কৰে ৰাতিপুৱাৰ কুৱঁলীৰ টোপাল
গাৰ নোম শিয়ৰি উঠে যদিও
গম পাওঁ আমি এক সুন্দৰ পুৱাৰ
ৰাতিপুৱাৰ কুঁৱলীয়ে ঢাকি ৰখা পৃথিৱীখনত
চৰাই চিৰিকতিৰ মাতে সকলোৰে নিদ্ৰা হৰণ কৰি
আগৰ দৰেই সকলোৰে ব্যস্ত হৈ পৰে
নিজৰ নিজৰ কামত।





# শীতৰ শেষৰ দিন

বশ্বিৰা আখতাৰ
স্নাতক মহলা দ্বিতীয় যান্মাসিক
(কলা শাখা)

আজি শীতৰ শেষৰ দিন
আকাশ কুৱঁলীৰে ভৰা
এটোপ দুটোপকৈ সৰগৰ পানী
পৰিছে বসুন্ধৰাত।।
কচুৰ পাতৰ মুকুতা মণিবোৰ
কৰিছে জিলমিল,
প্ৰভাতি চৰায়েই
সেই ৰূপ দেখি
জুৰিছে প্ৰেমৰ গীত।।



সেউজী ঘাঁহনিত পৰিছে যেন
শুভ্ৰ আকাশৰ তৰা,
নদীৰ পাৰৰ কহুঁৱাবোৰ
হৈছেহি প্ৰেমত মতলীয়া
প্ৰভাতৰ বেলিয়েও
কুঁৱলীত লুকাই
কৰিছে আনন্দৰ খেলা।

# অনুভৱ মোৰ 'কুঁৱলী'

ইনিয়াৰা খাতুন
স্নাতক মহলা ষষ্ঠ যান্মাসিক
(কলা শাখা)

প্ৰকৃতিৰ নিয়মানুসৰি
ধৰিত্ৰীৰ বুকুলৈ
শুভ্ৰ দলিচা পাৰি
তোমাৰ যে আকৌ
আগমন ঘটিল
এক মহা আয়োজনেৰে
কুঁৱলীৰে সেমেকা
এই মায়াময় দিন ৰাতিবোৰত
গছ বনৰ পাতে-পাতে
লাগি ধৰা
মুকুতা, হীৰাৰ টুকুৰা যেন কুঁৱলী দেখি
থৰ লাগি ৰয়, মোৰ চকুযুৰি।
কুঁৱলীৰে আৰবা
প্ৰকৃতিৰ এই নয়নাভিৰাম দৃশ্যই



মোৰ মন প্ৰাণ
আহ্লাদিত কৰে।
কুঁৱলী তুমি
প্ৰতিটো শীতত
ধৰাৰ বুকুলৈ
নামি আহা যুগে যুগে
আৰু
মানৱৰ মনত থকা
অসূয়া, অপ্ৰীতি আতঁৰাই
তোমাৰ নিচিনা
নিকা আৰু পৱিত্ৰময়
কৰি তোলা
তাৰেই কামনাৰে।





# মা

মঞ্জিল হক
স্নাতক মহলা চতুৰ্থ যান্মাসিক
(কলা শাখা)

মা..................................
তোমাৰ কোলাতেই জন্মি
তোমাৰ কোলাতেই যেন মৰোঁ
তুমিয়েই সৃষ্টিৰ শ্ৰেষ্ঠ
তুমিয়েই শ্ৰেষ্ঠ গুৰু।



মা..................................
তেজ মাংস পানী কৰি
দহ মাহ দহ দিন গৰ্ভ ধৰি
হাজাৰ দুঃখ কষ্ট সহ্য কৰি
লালন-পালন কৰিলা যে মোক।

মা..................................
নিজে নাখাই তুমি খুৱাইছিলা যে মোক
বেমাৰত পৰিলে মোৰ কি-বা হয়
সেই কথাকে ভাবি কৰিছিলা যে
কিমান টোপনি ক্ষতি.................



মা..................................
এটি আখৰৰ শব্দ তুমি
যদিও হাজাৰ হাজাৰ বাক্যৰ শ্ৰেষ্ঠ,
স্নেহ মমতাৰ প্ৰতীক তুমি
নাই কোনো তুলনা তোমাৰ
মা.........।

## ছাত্ৰ জীৱনৰ অনুভূতি

চান্দ মিয়া
স্নাতক মহলা চতুৰ্থ যান্মাসিক
(বিজ্ঞান শাখা)

ছাত্ৰ জীৱনৰ অনুভূতি,
পাম জানো আকৌ উভতি,
দেখিবলৈ পাম জানো আকৌ
বন্ধু সকলৰ মিচিকিয়া হাঁহি
কিয় জানো মনত পৰে
তাহানিৰ ৰং ধেমালিৰ কথা
পাহৰিব নোৱাৰো ছাত্ৰ জীৱনৰ
হাঁহি কান্দোনে আৰু সুখ-দুখৰ গাঁথা।
পাম জানো আকৌ সেই শিক্ষা গুৰুসকলৰ
মৰম-স্নেহ, আদেশ- উপদেশ,
আহিব জানো আকৌ উভতি
সেই নিৰ্দেশ।
মনত পৰে জানো কিয় সদায়
ছাত্ৰ জীৱনৰ....................।



## অক্লান্ত

মুকতাৰ ৰানা
স্নাতক মহলা চতুৰ্থ যান্মাসিক
(বিজ্ঞান শাখা)

যদি কেতিয়াবা ভাগৰিপৰে
দুভৰি তোমাৰ
জীৱনৰ অচিনাকী কোনোবো বাটত
যদি কলিজাৰ তেজ নিগৰি নিগৰি পৰে
সেউজীয়া দুবৰি তিয়াই
এই জীৱন নাটৰ.......।
যদি কেতিয়াবা পৰিব খোজে
জীৱন যুজঁতে.............।
বাৰে বাৰে বলীয়া কৰে,
জোৱাৰ ভাটাত এই জীৱনত
তেন্তে খন্তেক জিৰাই লোৱা বন্ধু
তুমি যে যাবই লাগিব
আকৌ আগুৱাই বহুদুৰ..........।
কিয়নো, কাপৰুষ নহয় তুমি
তুমি এক অহৰহ ভাগৰবিহীন
সাহসী যুজাঁৰু পথিক,
জীৱনৰ ওখোৰা- মোখোৰা এই
কঠিন বাটৰ।







## অনুৰাধা

হৰেৰাম কুণ্ডু
স্নাতক মহলাৰ ষষ্ঠ যান্মাসিক
(বিজ্ঞান শাখা)

তুমি মোৰ বাবে ইমান গুৰুত্বপূৰ্ণ নহয়
কিন্তু,
প্ৰতিটো উশাহত তুমিয়ে থাকা।
তুমি মোৰ সন্মুখত নাই কিন্তু,
প্ৰতিটো অভাৱত তুমিয়ে থাকা।
জানো তোমাক নাপাও তথাপিও
আহিবা আহিবা বুলি আছো বাট চাই
মোৰ প্ৰতিটো অনুসন্ধানত তুমিয়ে।
আতঁৰি আতঁৰি থাকিলেও তুমি
সদায় মোৰ কাষতে থাকা



## সোণৰ বৰপেটা

খাইৰুল আলম
স্নাতক মহলা চতুৰ্থ যান্মাসিক
(বিজ্ঞান শাখা)

বৰপেটা বৰপেটা সোণৰেই বৰপেটা
নিতৌ মৰে সৰু-ডাঙৰ কিমান যে লেঠা
এইখন চহৰত আছে শঙ্কৰী নামঘৰ
ভক্তসকলে নাম প্ৰসঙ্গ কৰে দিনভৰ।
মছজিদতো চলে নামাজ আৰু দৰূদ মেহফিল
হিন্দু মুছলিম ভাই ভাই এক অপূৰ্বমিল।
সঁচাকৈয়ে বৰপেটা চহৰখন বৰ ধুনীয়া
চিকিৎসা মহাবিদ্যালয় হৈছে ৰোড জনীয়া।
নদীৰ পাৰতে আছে বিচাৰ কৰা ঠাই
সিপাৰতেই আইন মহাবিদ্যালয় পাই।
সবাতোকৈ ধুনীয়া বৰপেটা জিলা পুথি ভড়াল
তাতোকৈ ধুনীয়া কোষাগাৰ কাৰ্য্যালয় তিনি মহলাৰ।
বৰপেটা মাছ উৎপাদনৰ বাবে শ্ৰেষ্ঠ ভূমি
বাটৰুৱায়ো চায় জুমি জুমি।
মন্দিয়া বাঘবৰ বানৰ পানীত ভাঁহে
সোণৰেই বৰপেটা চহৰ মনে মনে হাঁহে।
বৰপেটাৰ মালভোগ কল
অসম দেশৰ শ্ৰেষ্ঠফল।

# আশা

ছয়ফুল ইছলাম
স্নাতক মহলা ষষ্ঠ ষান্মাসিক
(বিজ্ঞান শাখা)

আশা মোৰ জীৱনৰ প্ৰেৰণা
তোমালোকে তাক দিয়া আৰু উৎসাহ
কৰিছো আশা, কৰিম আশা
কিমান যে আশা, তাৰ নাই কোনো ভাষা
মোৰ আশালৈ পিতৃ-মাতৃয়ে
আছে বাট চাই
সিঁহতৰ আশালৈ যাম আগুৱাই
নেওচি সকলো বাধা।





কৰিম কৰিম বুলি পেলাই নথবা
যদি থোৱা তেনেকৈ
তোমাৰ জীৱন হব বৃথা
তোমালোকে কিন্তু হাবাথুৰি নাখাবা
কেৱল কৰি আশা আশা
নিশ্চয় কৰি তুলিবা
ইয়াক বাস্তৱতা।।



# আই-পিতাই

ইনিয়াৰা খাতুন
স্নাতক মহলা ষষ্ঠ ষান্মাসিক



মোৰ স্মৃতিৰ মণিকোঠাত
চিৰদিন সজীৱ হৈ থাকিবা
তোমালোক দুয়ো।
সৃষ্টিকৰ্তাৰ পিছতেই
আৰাধনা কৰোঁ,
এই বিনন্দীয়া পৃথিৱীত
মোক ভূমিষ্ঠ কৰোৱাৰ বাবে।
নানা বিপদ বিঘিনিয়েও
কাবু কৰিব নোৱাৰা
তুমি যে বট বৃক্ষ সদৃশ
মোৰ অতি চেনেহৰ দেউতা.....।
হাজাৰ দুখ সহি সহি
ভাগৰি নপৰা
সেই উদাৰমনৰ নাৰীগৰাকীয়েই
মোৰ মা.........................।
তোমালোকৰ আশীৰ্বাদ শিৰত লৈ
দুৰ্নীতি, শোষণ, নিৰ্যাতনৰ বিৰুদ্ধে,
নিৰৱচ্ছিন্ন সংগ্ৰাম অব্যাহত ৰাখিম
সৃষ্টিশীল লিখনিৰ মাজেৰে।
দুহাত তুলি নিতৌ কৰোঁ মিনতি
তোমালোক থাকা দুয়ো, মোৰ কাষত
অনাদি..... অনন্তকাল.....
অনুপ্ৰেৰণাৰ এক অক্ষয় বন্তি হৈ।



# দাপোন

মোঃ হাফিজুৰ ৰহমান
স্নাতক মহলা ষষ্ঠ ষান্মাসিক
(বিজ্ঞান শাখা)

দাপোন মহান তুমি
মহান তোমাৰ প্ৰেম,
সকলোৰে ছবি তুমি
তোমাৰ বুকুত আঁকা।
দোষী, নিৰ্দোষী সকলোকেই
দেখোন তুমি ভাল পোৱা,
চোৰ ডকাইত সকলোৰে
ছবি তোমাৰ বুকুত।
সাধু সন্যাসী তাৰো
ছবি তোমাৰ হৃদয়ত,
যি জনে তোমাক ভাঙিলে
তাৰো ছবি তোমাৰ বুকুত
এয়া কেনে হৃদয় তোমাৰ
য'ত মাথোন মৰম,
নাই কোনো হিংসা
আছে মাথো চেনেহৰ শিক্ষা।।



# আহ্বান

ইনিয়াৰা খাতুন
স্নাতক মহলা ৬ষ্ঠ ষান্মাসিক
(কলা শাখা)

জীৱশ্ৰেষ্ঠ মানুহ আমি
কিয় অমানুহ হলো ?
হত্যা, হিংসা, যুদ্ধ বিগ্ৰহ
সংঘটিত কৰাটো
পাপ বুলি জানিও
কিয় সংঘটিত কৰো ?
মানুহ আমি
পৰিচয় আমাৰ
জীৱশ্ৰেষ্ঠ জীৱ
কিন্তু ! কামে কাজে
পৰিচয় দিওঁ
হিংস্ৰ পশু বুলি।



আহা, আমি সকলোৱে
সময় থাকোতে
সংশোধন কৰি লওঁ
নিজে- নিজকে।
অহিংসা, মানৱতা আৰু একতাৰে
উদ্দীপ্ত কৰি তোলো
জীৱশ্ৰেষ্ঠ সকলো মানুহকে
একতাৰ এনাজৰীৰে
বান্ধি ৰাখিম সকলোকে
ভাতৃত্ববোধ জগাই তুলিম
পৃথিৱীৰ চুকে কোণে।





# মিনতি

ফাৰুক আব্দুল্লাহ
স্নাতক মহলা ষষ্ঠ ষান্মাসিক
(বিজ্ঞান শাখা)

হে মোৰ আল্লাহ তোমাৰ কি যে মহিমা
তুমিয়েই ঈশ্বৰ, তুমিয়েই ভগৱান
তুমিয়েই বিশ্ব ব্ৰহ্মাণ্ড সৃষ্টি কৰ্তা
তোমাৰ যি লীলা, তুমিয়েই বুজা
নাই কাৰো বুজাৰ ক্ষমতা
কাৰো লগত নাই তোমাৰ কোনো তুলনা
তোমাৰ এই সৃষ্টি, মানৱ প্ৰজাতি
নুবুজে মানুহৰ দুঃখ বেদনা
কৰে মাথোন মানুহৰ সমালোচনা
সমাজৰ এচাম মানুহে
কিছুমান মানুহৰ মনত
দুখ দি ভাল পায়
নিৰীহ মানুহক মিছলীয়া অপবাদেৰে
দোষী সাব্যস্ত কৰি
সমাজৰ চকুত কৰে অপৰাধী।।



এয়াই বাৰু হ'ব পাৰেনে
সৰ্ব্বশ্ৰেষ্ঠ মানৱ জাতিৰ কাৰ্য্য কলাপ ?
এবাৰৰ বাবেও সিহঁতে বুজিবলৈ চেষ্টা নকৰে
মানুহৰ হৃদয়ৰ দুঃখ অনুভূতি।
হে বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতিপালক।
ধৈৰ্য্য সহকাৰে সকলোকে
যিকোনো পৰিৱেশৰ পৰিস্থিতিৰ লগত
খাপ খুৱাই চলিবলৈ
তৌফিক দান কৰা
এয়াই যেন থাকিল
তোমাৰ ওচৰলৈ মোৰ
হিয়া ভৰা মিনতি।

## মমতা

**শ্বহিদুল ইছলাম**
স্নাতক মহলা ২য় ষান্মাসিক
সম্পাদক, লঘু খেল বিভাগ
ছাত্র একতা সভা

আই! সাৰ পাইয়েই দেখিছিলো
হাঁহি মমতা ভৰা
তোমাৰ সুশ্ৰী মুখনি
দিগন্ত ভেদী উদিত ৰবি।
সৌ সিদিনাৰে কথা
আছেনে মনত তোমাৰ?
তোমাৰ হাতে হাতে
হাত ধৰি ফুৰিছিলো
বকুলৰ তলত
শৈশৱৰ প্ৰতিটো পল।
তোমাৰ অবিৰতশ্ৰম,
অক্লান্ত মৰমত
ধন্য মোৰ এই জীৱন
আজি অলপ সাহস কনো নাই
অ' আই...........
তোমাৰ সন্মুখত আহিব'লে,
কিদৰেনো পূৰাও
তোমাৰ অনাবিল মৰমৰ মান।
আই, মোৰ জীৱনৰ আভৰণ
তুমিয়ে মোৰ স্বৰ্গ, মোৰ সত্য
তুমিয়ে কালজয়ী সৃষ্টি জগতৰ শান্তি....।।





## মনৰ কথা

**জেছমিনা খাতুন**
স্নাতক মহলা পঞ্চম ষান্মাসিক
(কলা শাখা)

যিয়ে মোক উৎপীড়ন কৰে
মই তাক নিৰাপত্তা দিওঁ
কোনোবাই মোক অৱজ্ঞা কৰিলে
মই তাক মিত্ৰতা দিওঁ।
মতানৈক্য ঘটে যদি কেতিয়াবা
ধৈৰ্য্যৰ মালা পিন্ধাওঁ
ওপৰত পানী ঢলা কপটীয়াক
মৰমৰ কনিকা বিলাওঁ।
সমবেদনাৰে আপ্লুত হোৱা বন্ধুক
সাদৰে যেন হে দেখোঁ
যাৰ আত্মীয়স্বজন বিমুখ হয়
তাৰ আত্মীয় হৈ হে থাকো।।





## কিদৰে পাহৰো তোমাক

**ৰ'বেল নুৰ ইছলাম**
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ
(বিজ্ঞান শাখা)

কিদৰে পাহৰো তোমাক?
মোৰ প্ৰতিডাল সিৰাই - সিৰাই
তেজৰ দৰে বৈ আছা তুমি
মোৰ প্ৰতিটো উশাহত তুমি
কেৱল তুমি তুমি আৰু তুমি....
কিদৰে পাহৰো তোমাক?
মোৰ মনৰ দাপোনত ভাহি ৰ'ল
তোমাৰ সুন্দৰ চেহেৰাৰ প্ৰতিচ্ছবি।
হৃদয়ত খোদিত কৰি লিখিছো যে
তোমাৰে নাম..........................



কিদৰে পাহৰো তোমাক?
বৰ ধুনীয়া ছোৱালী তুমি
মোৰ জীৱনৰ পটভূমি
বুকুত প্ৰেমৰ জন্মভূমি
তুমিয়েই যে মোৰ ধৰণী
কিদৰে পাহৰো তোমাক?
পাহৰিব নোৱাৰো
কেতিয়াও চাগে নোৱাৰিম
তোমাক পাহৰিবলৈ
কিদৰে পাহৰো তোমাক।।



# মানৱৰ স্থিতি

ৰেহেনা পাৰবিন
স্নাতক মহলা প্ৰথম ষাণ্মাসিক
(বিজ্ঞান শাখা)





নিজৰ কাৰ্যসিদ্ধিৰ বাবে
কোনে কাৰ কথা ভাৱে,
নিজৰ আনন্দৰ কাৰণে
কাৰ মন নাভাঙে।
মানৱজাতি এতিয়া দানৱৰ আকৃতি
মানৱতাৰ সীমা পাৰ কৰি,
হৈ গৈছে পশুজাতিত কৈ
নিকৃষ্ট জাতি।
দুদিনীয়া এই জীৱনত
ভোগ বিলাসৰ কাৰণে
কিয় মনত নাৰাখে মানুহে
মানুহৰ প্ৰকৃত স্থিতি।
নিজ স্বাৰ্থৰ বাবে
আঘাত হানে অইনৰ সন্মানত
মানুহক ধ্বংস কৰি
মানুহে কেনেকৈ হয় সুখী?
মানৱজাতি এতিয়া গৈ আছে
ধ্বংস গৰাহলৈ
পতন মাতিছে নিজ নিজ
মানৱে মানৱ জাতিৰ
এয়াই বৰ্তমান মানৱৰ স্থিতি।





# স্বাৰ্থপৰ মানুহ

হাবিজা খাতুন
দ্বাদশ মান
(বিজ্ঞান শাখা)

অশ্ৰমীয় কৰুণ কাহিনীৰে ভৰা
কল্পনাৰ পৃথিৱী
মায়াৰে আবৃত
আছে জানো কিবা তাৰ অস্তিত্ব,
কিমান যে সপোন আছে মনত
এই সপোনৰ আশাবোৰ
পাৰিম জানো পূৰাব
এই ভৱ সংসাৰত।
মায়াজালত আৱদ্ধ হৈ
বুজি নাপায় মানুহৰ মৰম
মৰম, স্নেহ ভালপোৱা
মাথো বুজি পায় নিজকে
নিজৰ স্বাৰ্থ পূৰাবৰ কাৰণে
নিষ্ঠুৰ হাতেৰে হত্যাকৰে
মানুহ মানুহক।



# মোৰ লগৰী

মৰ্জিনা খাতুন
স্নাতক মহলা পঞ্চম ষাণ্মাসিক
(কলা শাখা)

হে মোৰ লগৰী
শুনা এক বাতৰি
তুমি কিন্তু নাযাবা
মোৰ পৰা আঁতৰি।
তোমাৰ পৰা বিচ্ছেদ
কিদৰে নো হ'ম
তুমিয়েই মোৰ সপোন
তুমিয়েই মোৰ জীৱন।
যেতিয়া মোৰ হৃদয়ত উজলিব
